# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE,
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## VOLUME— I
## NO. 40

The 30th May, 1989

Price— Rs. 20·00

## CONTENTS

MAY SESSION

Volume I. No. 40

Dated, the 30th May, 1989


| | | Page |
|---|---|---|
| 1: | Questions and Answers | 1-30 |
| 2. | Voting on Demands for Grants | 30-89 |
| 3. | Adjournment | 89 |
| 4. | Annexure | 90-107 |

REFERENCE,
( NOT FOR ISSUE )

READING ONLY INSIDE LIBRARY.

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, May 30, 1989.

The House met at NINE of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS & ANSWERS

( To which oral answers were given )

* ( Starred question Nos. 788, 789 and 790 were not called for. However written replies deemed to have been laid on the Table as follows )

### Re : **Supply of water to Badarpur Town.**

Shri Ramendra De asked :

* 788. Will the Minister of Public Health Engineering be pleased to state :

(a) Whether Government has taken any step to provide water to the Badarpur Town ?

(b) Whether it is possible to provide water to the Badarpur Town area from Deorail water supply scheme ?

Shri Shaidul Alam Choudhury (Minister Public Health Engineering) replied :

(a) Yes.

(b) Will be examined.

### বিষয় : শিক্ষা বিভাগত খালি থকা পদ ।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

* ৭৮৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান শিক্ষা বিভাগত মুঠ কিমান বিষয়াৰ পদ খালি হৈ আছে ?

(খ) উক্ত পদ সমূহ পূৰণ কৰিবৰ বাবে বিভাগে কি ব্যৱস্থা লৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৩৩ টা ।

(খ) অসম লোক সেৱা আয়োগৰ পৰা তালিকা পালে নিযুক্তি দিয়া হব । ইয়াৰ ভিতৰত পদোন্নতিৰে পূৰণ কৰিব লগা পদ সমূহ বাচঁনি আৰু লোকসেৱা আয়োগৰ অনুমোদন সাপেক্ষে পূৰণ কৰা হব ।

Re : **Building grant of 8th Finance Commission.**

Shri A. F. Golam Osmani asked :

* 790. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that 13 number of Primary Schools were selected for Building grants out of 8th Finance Commission Funds in Jania Constituency of District Barpeta for 1987-88 ?

(b) If so, what are the names and Nos. of the schools so selected and allocations made respectively ?

(c) It is a fact that No. 1022 Balikuri Colony Primary School selected for the above purpose received a grant of Rs. 61,000 under Scheduled Castes component Plan ?

(d) It is a fact that Pachim Joypur Primary school selected for according grant does not fall within the Jania Constituency ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) স্কুলৰ তালিকা সংলগ্ন কৰা হৈছে ।

ANNEXURE— I

LIST OF SCHOOLS OF JANIA CONSTITUENCY 1987-88

1. 398 No. Chitoli L. P. School.

2. 1426 No. Dakhin Gobindapur L. P. School.
3. 1006 No. Pakhakata L. P. School.
4. Chand Mama L. P. School.
5. 1674 No. Dakhin Alipur Roufala L. P. School.
6. 944 No. Tapajuli N. C. L. P. School.
7. 1293 No. Pachim Shaopur L. P. School.
8. Bamuntari Shariyatpur L. P. School.
9. Deokura L. P. School.
10. 806 No. Kharballi L. P. School.
11. Haladhiya Reserve L. P. School.
12. Khatakuchi L. P. School.
13. 1378 No. Bheragaon L. P. School.

(গ) ১০২২ ৰালিকুৰি কলনী প্ৰাইমাৰী বিদ্যালয়খনক— এচ, চি, কম্পনেণ্ট প্লেন্‌ৰ অধীনতহে গৃহ নিৰ্ম্মানৰ বাবে ৬১, ০০০ হাজাৰ টকা মঞ্জুৰী দিয়া হৈছে। ৮ম বিত্তীয় আয়োগৰ মঞ্জুৰী দিয়া হোৱা নাই।

(ঘ) পশ্চিম জয়পুৰ প্ৰাইমাৰী বিদ্যালয়ক গৃহ মঞ্জুৰী দিয়া হোৱা নাই। এই নামৰ প্ৰাইমাৰী স্কুল জনীয়া সমষ্টিত নাই।

(Starred Question No. 791 was deferred)

বিষয়ঃ বিভিন্ন আঁচনিৰ অধীনত শিক্ষক সকলৰ নিযুক্তি।

শ্ৰীকমলা কলিতাই সুধিছে :

* ৭৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) Half a Million Job, Educated Unemployed youth আৰু Minimum Need Programme আঁচনি অনুসৰি কিমানজন শিক্ষক নিযুক্তি দিয়া হৈছে আৰু কেতিয়াৰ পৰা এই আঁচনি প্ৰৱৰ্ত্তন হৈছে (আঁচনি অনুসৰি শিক্ষকৰ সংখ্যা দেখুৱাব)

খ) উক্ত আঁচনি সমূহৰ পদ সমূহ স্থায়ীকৰণৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে নেকি ?

গ) এই আঁচনিৰ পদ সমূহৰ ৰিটেনচন্ ৰছৰি সময়মতে দি থকা হৈছে নেকি ?

ঘ) চলিত বছৰৰ উক্ত আঁচনি সমূহৰ পদ সমূহৰ ৰিটেনচন্ দিয়া হলনে ?

ঙ) যদি হোৱা নাই কিয় আৰু কেতিয়ালৈ ৰিটেনচন্ দিয়া হব ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) Half a Million Job Programme আঁচনিৰ অধীনত ১০০০ (এহেজাৰ) জন স্নাতক শিক্ষকক নিযুক্তি দিয়া হৈছিল। ১৯৭৫ চনত এই আচনি প্ৰৱৰ্ত্তন কৰা হৈছিল। Minimum Need Programme আঁচনিত ১০০০ জন শিক্ষকক নিযুক্তি দিয়া হৈছিল। ইয়াৰ ভিতৰত ৩৪৩টা পদ উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত দিয়া হৈছিল। এই আঁচনি ১৯৭৭ চনত প্ৰৱৰ্ত্তন কৰা হৈছিল। Educated Unemployed Youth Schemeত ১২৫টা শিক্ষকৰ পদ সৃষ্টি কৰা হয়। ১৯৭৩ চনত এই আঁচনি প্ৰৱৰ্ত্তন কৰা হয়। বৰ্ত্তমান ১০২টা পদত শিক্ষকে কাম কৰি আছে।

খ) Educated Unemployed Youth Scheme পদ সমূহ ১৯৮৬ চনত স্থায়ীকৰণ কৰা হয়। বাকী Minimum Need Programmeৰ পদ সমূহ স্থায়ীকৰণৰ বাবে পৰীক্ষা কৰি থকা হৈছে।

গ) হয়।

ঘ) যথোচিত ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

ঙ) প্ৰশ্ন নুঠে।

শ্ৰীদীনবন্ধু চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এম, এন, পি,ৰ পদ সমূহ স্থায়ীকৰণৰ বাবে পৰীক্ষা কৰি থকা হৈছে। কেনে ধৰণে পৰীক্ষা কৰি থকা হৈছে আৰু কিমান বছৰ লাগিব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কিমান বছৰ লাগিব এইটো মই সঠিককৈ কব নোৱাৰিম। কিন্তু স্থায়ীকৰণ কৰাৰ কাৰণে আমাৰ ইচ্ছা আছে আৰু সেই হিচাবে আমি কাম হাতত লৈছো। গতিকে স্থায়ীকৰণ কৰিব পৰা হব।

শ্ৰীদীনবন্ধু চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (ঘ) প্ৰশ্নৰ উত্তৰত কৈছে যে যথোচিত ব্যৱস্থা কৰি থকা হৈছে। যোৱা ফেব্ৰুৱাৰী মাহতে চেঙচন হৈছে, ৰিটেনচ্‌ন কৰিব লাগে। শিক্ষক সকলে দৰমহা পোৱা নাই, কিমান দিন আৰু লাগিব? সোনকালে ৰিটেনচ্‌নৰ ব্যৱস্থা কৰি দৰমহা পোৱাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, (ঘ) প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই ৰিটেনচন দিয়া হব নে নাই। যথোচিত ব্যৱস্থা লোৱা হৈছে বুলি মই কৈছো। ৰিটেনচন নিশ্চয় দিয়া হব।

বিষয় : প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড।

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

* ৭৯৩। মাননীয় শিক্ষা ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) মহকুমা পৰ্য্যায়ৰ প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড সমূহ কি নীতিৰ ভিত্তিত গঠণ কৰা হয় ?

খ) কোন কোন মহকুমাৰ প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডৰ ওপৰত দুৰ্নীতিৰ অভিযোগ আহিছে ?

(দুৰ্নীতিৰ অভিযোগ অহা উপদেষ্টা বোৰ্ড সমূহৰ তালিকাখন সদনৰ মেজত দাখিল কৰিব)

গ) উক্ত দুৰ্নীতিৰ অভিযোগ উৎথাপিত হোৱা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ড সমূহ ভঙ্গ কৰি দিয়া হৈছিলনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী)-য়ে উত্তৰ দিছে :

ক) অভিজ্ঞতাসম্পন্ন শিক্ষাবিদ/খ্যাতিসম্পন্ন সমাজকৰ্ম্মী /সামাজিক মৰ্যাদাসম্পন্ন ব্যক্তি, তাৰে ভিতৰত এজন মহিলা সদস্যা, সৰ্ব্বমুঠ ৯ জন সদস্যৰে মহকুমা শিক্ষা উপদেষ্টা বোৰ্ড সমূহ গঠণ কৰা হয়।

খ) নিয়োগ সম্পৰ্কীয় খেলি-মেলি/আপত্তি/অনিয়ম আদি অভিযোগৰ বাহিৰে পোনপতীয়াভাৱে দুৰ্নীতিৰ অভিযোগ কোনো উপদেষ্টা বোৰ্ডৰ বিৰুদ্ধে পোৱা নাই।

গ) প্ৰশ্ন নুঠে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ দুৰ্ভাগ্য বুলিয়েই কব লাগিব যে শিক্ষা বিভাগৰ দুজন মন্ত্ৰীৰ এজনো উপস্থিত নাই। এই কাৰণে আমাৰ মাননীয় আইন মন্ত্ৰী মহোদয়ে শিক্ষা বিভাগৰ প্ৰশ্নৰ উত্তৰ দিছে। (ক) প্ৰশ্নৰ উত্তৰত এজনী মহিলা থকা বুলি কোৱা হৈছে। এইটো সঁচা নহয়। এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে উঠাই লব লাগে। উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডৰ অভিযোগ আহিছে। গতিকে

উত্তৰ শালমাৰা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা বিভাগৰ দুয়োজন মন্ত্ৰীয়ে ব্যক্তিগত কাৰণত আহিব পৰা নাই বুলি জনাইছে। মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই কব খুজো যে অকল উত্তৰ শালমাৰা মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা বোৰ্ডেই নহয় আৰু কেবাখনো মহকুমা উপদেষ্টা বোৰ্ড ভঙ্গ কৰি নতুনকৈ পতা হৈছে। সেই বিলাকত শিক্ষক নিযুক্তি সম্পৰ্কে অভিযোগ আহিছিল, সেই কাৰণে ভঙ্গ কৰি দিয়া হৈছে।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ কেইখন মহকুমা উপদেষ্টা বোৰ্ড নতুনকৈ লোৱা হৈছে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যি কেইখন ভঙ্গ কৰা হৈছে সেই কেইখন উত্তৰ শালমাৰাকে আদি কৰি ধেমাজী, ডিব্ৰুগড়, হোজাই আদি লোৱা হৈছে।

শ্ৰীচিলভিউয়াচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, এই মহকুমা উপদেষ্টা বোৰ্ডত অভিজ্ঞতাসম্পন্ন, শিক্ষাবিদ, খ্যাতিসম্পন্ন সমাজকৰ্মী, সামাজিক মৰ্যাদাসম্পন্ন আদি ব্যক্তিক লৈ বোৰ্ড সমূহ গঠন কৰা হয়। স্থানীয় বিধায়ক গৰাকী তেনে কোনো নহয় নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মৰ্যাদাসম্পন্ন ব্যক্তি হিচাবে বিধান সভাৰ সদস্য ৰখাত একো বাধা নাই। তেওঁলোকো অন্তৰ্ভুক্তি হয়। কিন্তু ইয়াত অৰ্হতাৰ বিষয়েহে কোৱা হৈছে।

বিষয় : লক্ষীমপুৰ জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ।

শ্ৰীউৎপল দত্তই সুধিছে :

* ৭১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণ কৰিবৰ বাবে ১৯৮৮-৮৯ চনত কিমান পৰিমানৰ ধন ধাৰ্য্য কৰা হৈছে ?

খ) লক্ষীমপুৰ জিলাত কিমানখন প্ৰাথমিক বিদ্যালয়ৰ বাবে গৃহ নিৰ্মাণ আঁচনি হাতত লৈছিল জনাবনে ?

গ) বৰ্ত্তমান কিমানখনৰ কাম সম্পূৰ্ণ হৈছে জনাব লাগে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী)–য়ে উত্তৰ দিছে :

ক) হোৱা নাই।

খ) ১৯৮৫-৮৬ চনৰ পৰা ১৯৮৭-৮৮ চনলৈ ( কেৱল ৮ম বিত্তীয় আয়োগৰ অনুদানেৰে ) মুঠতে ৩৭৪ খন।

গ) ক্ষেত্ৰবিষয়াৰ পৰা তথ্য পোৱা হোৱা নাই।

Shri Gautom Roy : Sir, in 1988 near about 1600 schools have been given buliding grants. Cut of this 1600, about 500 schools got an amount of 61000/—each and the rest were given only Rs. 45000/—saying that the rest would be given later on, but this amount has not been given yet. Will the Minister tell us when this money will be given ?

Shri Surendra Nath Medhi, (Minister) : Sir, there is no discrimination or disparity. In some cases a sum of 45000/— has been given. However, I assure that the rest of the amount will be paid as early as possible.

Shri Abdul Rob Laskar : Sir, the Honourable Minister has said that 45000/- has been paid. New the position is that whatever work was possible with Rs. 45000/- has been done and the half done buildings are exposed to rain and sun making the buildings liable to damage. May I know from the Honourable Minister when the remaining Rs. 16000/- will be given. Will the Minister kindly see that the money is given without any further delay, so that the construction can be completed ?

Shri Surendra Nath Medhi, (Minister) : Sir, I will issue necessary instructions to pay the balance amount of Rs. 16,000/- as early early as possible, so that the half done portions of the buildings are not damaged.

### Re : Total No. of Police Constables.

Shri Suren Swargiary asked :

*795. Will the Minister, Home be pleased to state :

(a) What is the total number of Police Constables in the state till now ?

(b) What is the Districtwise position of Posting of them ?

(c) How many of them are belonging to scheduled tribes and Scheduled castes Communities respectively of the total number ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২৯, ৯৩৯ জন ।

(খ) জিলা ভিত্তিত আৰক্ষী লোক নিয়োগৰ তালিকা সদনৰ মেজত ৰখা হ'ল ।

### ANNEXURE— II

(খ) অসমত বৰ্ত্তমান আৰক্ষী কনিষ্টবলৰ সংখ্যা ২৯, ৯৩৯ জন । ইয়াৰ ভিতৰত ২৬৪৭ জন অনুসূচিত জাতিৰ আৰু ৩৮২৭ জন অনুসূচিত জনজাতিৰ লোক আছে । জিলা ভিত্তিত আৰক্ষী লোকৰ নিয়োগৰ সংখ্যা তলত দিয়া ধৰণৰ :—

| জিলা | মুঠ মকৰল | অনুসূচীত জনজাতি | অনুসূচীত জাতি |
|---|---|---|---|
| ১। কামৰূপ | ৮০২৬ | ৯৫৪ | ৬৮৯ |
| ২। বৰপেটা | ১০২৪ | ১০৫ | ১০৯ |
| ৩। নলবাৰী | ১০২২ | ১৭৭ | ৪২ |
| ৪। গোৱালপাৰা | ১৭৪৪ | ২৯১ | ২১০ |
| ৫। ধুবুৰী | ৮৭৮ | ১২০ | ৯৪ |
| ৬। দৰং | ৫৪৮ | ৮১ | ৩১ |
| ৭। কোকৰাঝাৰ | ১৩৩৩ | ২০৯ | ৯৫ |
| ৮। নগাওঁ | ২৩৫৫ | ২৪৮ | ২৩৭ |
| ৯। শোনিতপুৰ | ১৪৮৮ | ১৪৬ | ১১৬ |

| | | | |
|---|---|---|---|
| ১০। লক্ষীমপুৰ | ১১৫২ | ১৮০ | ৮২ |
| ১১। গোলাঘাট | ১৩৩২ | ২১৮ | ১২৫ |
| ১২। যোৰহাট | ১৬৪২ | ১৬৬ | ১৪২ |
| ১৩। শিৱসাগৰ | ১৪১৩ | ১৩২ | ৮৯ |
| ১৪। কাৰ্বি-আংলং | ৪০০ | ১৪৩ | ২৫ |
| ১৫। উত্তৰ কাছাৰ জিলা | ১০২৩ | ২৫৯ | ১২৭ |
| ১৬। ডিব্রুগড় | ২৫০৭ | ৩০৬ | ১৮৫ |
| ১৭। কাছাৰ | ১৬২০ | ৮৯ | ২২৫ |
| ১৮। কৰিমগঞ্জ | ৪২১ | ৩ | ২৪ |
| | ২৯৯৩৯ | ৩৮২৭ | ২৬৪৭ |

(গ) ইয়াৰে ২৬৪৭ জন অনুসূচিত জাতিৰ আৰু ৩৮২৭ জন অনুসূচিত জনজাতিৰ লোক।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মন্ত্ৰী মহোদয়ে যিখন তালিকা উৎথাপন কৰিছে সেই খন পালো। কিন্তু মোৰ কথা হৈছে যে বড়ো উগ্ৰপন্থী সকলৰ দ্বাৰা যিবোৰ ঠাইত হিংসাত্মক কাৰ্য্য সংঘটিত হৈছে সেইবোৰ ঠাইত অধিক পৰিমাণে কনিষ্টবল নিয়োগ কৰাৰ ধ্যৱস্থা কৰিব নে?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আৰক্ষী কনিষ্টবলৰ অধিক পদ খালী হলে নিশ্চয় ব্যৱস্থা লব পাৰিম।

( Starred question No. 796 was deferred )

**Re : Rehabilitation of flood affected people.**

Shri Sheikh Abdul Hamid asked :

* 797. Will the Minister, Relief and Rehabilitation be pleased to state :

(a) Is it a fact that 504 number of Brahmaputra erected families of No. 45 Baghbar Constituency were order for temporary settlement by the Deputy Commissioner, Barpeta at Govindapur Reserve ?

(b) If so, since when these families are temporarily settled at Govindapur and what steps have taken by the Government for their permanent rehabilitation ?

Shri Chandra Arandhara (Minister, Relief and Rehabilitation) replied :

(a) No, there was no formal order for temporary settlement to 504 river eroded families of No. 45 Baghbar Constituency but they have been taking shelter at Gobindapur reserve as reported by Deputy Commissioner, Barpeta.

(b) These families have been taking shelter at Gobindapur reserve since 1984. The matter for rehabilitation of these families are under process.

শ্ৰীশ্বেইখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এই লোক সকল ১৯৮৪ চনৰ পৰা গোবিন্দপুৰ ৰিজাৰ্ভত সংস্থাপন লৈ আছে বুলি কৈছে কিন্তু তেওঁলোকক তাত সংস্থাপনৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো নিৰ্দ্দেশ দিয়া হোৱা নাই বুলি জনাইছে। কিন্তু এই মানুহ খিনিক সেই সময়ত হোৱা বানপানীৰ সময়ত গোবিন্দপুৰ ৰিজাৰ্ভলৈ আনি বহুৱাবৰ কাৰণে আদেশ দিছিল আৰু তেতিয়াৰ পৰাই সেই মানুহ খিনি তাত বসতি কৰি আছে। এই মানুহ খিনিক কিয় পুনৰ সংস্থাপন দিব পৰা হোৱা নাই সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই মানুহ খিনিয়ে ১৯৮৪ চনত কি ধৰণে তাত বসতি কৰিবলৈ ললে সেই সম্পৰ্কে উপায়ুক্তৰ পৰা আমি যি ধৰণে প্ৰতিবেদন পাইছো সেই ধৰণেই মই উত্তৰ দিছো। যদি এই মানুহ খিনিক চৰকাৰৰ আদেশ মতেই তাত সংস্থাপন কৰা হৈছিল তেনেহলে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কাৰণেও আমি চাব লাগিব। কিন্তু কিমান সময়ৰ ভিতৰত পূনৰ সংস্থাপন দিব পৰা হব সেইটো কোৱা টান। কিয়নো বানপানী আৰু গৰা খহনীয়াত গৃহ হাৰা হোৱা লোক আৰু বহুতো আছে। আমি এই লোক সকলক কেনেকৈ ক'ত পুনৰ সংস্থাপন দিব পাৰো তাৰ ব্যৱস্থা লৈ আছো।

শ্ৰীশ্বেইখ আব্দুল হামিদ ঃ অধ্যক্ষ মহোদয়, এই মানুহ খিনিৰ যি প্ৰয়োজনীয় প্ৰমান বা নথি সেই আটাইবোৰেই আছে আৰু তাৰ কাৰণে তেওঁলোকে এইবোৰ জিলাৰ উপায়ুক্ত আৰু দিশপুৰৰ সচিবালয়ৰ লগত যোগাযোগ কৰি থকা স্বত্বেও তেওঁলোকৰ পুনৰ সংস্থাপন হোৱা নাই। এই ক্ষেত্ৰত দিশপুৰৰ পৰাও কিছু লেহেম কৰা হৈছে বুলি অনুমান হয়। গতিকে মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰো যে এই বছৰৰ ভিতৰতে এই মানুহখিনিক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে তেওঁলোকক দিশপুৰৰ পৰা ঘুৰাই থকা হৈছে সেই বিষয়ে মই নিশ্চয় চাম আৰু বিহিত ব্যৱস্থা লম।

শ্ৰীকুল বাহাদুৰ চেত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বাৰ বানপানীত অসমৰ বান বিধস্ত ৰাইজক পৰিয়ালে প্ৰতি আৰ্থিক সাহাৰ্য্য দিয়া হৈছিল নেকি ? যদি দিয়া হৈছিল কিমান টকালৈ দিয়া হৈছিল ? বহুতো বান বিধস্ত পৰিয়ালে এনে আৰ্থিক সাহাৰ্য্য পোৱা নাই বুলি অভিযোগ পোৱা হৈছে। সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় এই সম্পৰ্কত এটা বেলেগে প্ৰশ্ন লাগিব।

( Starred question No. 798 was not Called for. However written replies deemed to have been laid on the Table as follows )

**Re : Rape Cases.** 30/5/89.

Shri Abdul Jalil Ragibi asked :

*798. Will the Minister, Home be pleased to state :

(a) How many rape cases have taken place in the State during the period of the present Government ?

( Please state in detailed the No. of General rape cases and the No. of rape cases where the Police personnel are involved )

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মুঠ ১২১৪ টা বলাৎকাৰ গোচৰ ৰুজু কৰা হয়। তাৰ ভিতৰতে ১৯ টা গোচৰত আৰক্ষী/গৃহৰক্ষীৰ লোক জড়িত বুলি তথ্য পোৱা গৈছে।

Re : **Lady Grade IV Employee.**

Shri Digendra Purkayastha asked :

*799. Will the Minister, Education be pleased to state :

(a) Whether the Government has any proposal for appointing one lady Grade-IV employee in the Co-Educational Institutions ?

(b) If not, will the Government consider the proposal for proper functioning of the schools ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) প্ৰশ্ন নুঠে। কিন্তু সহ শিক্ষানুষ্ঠানত চতুৰ্থ শ্ৰেণীৰ পদত মহিলা প্ৰাৰ্থীৰ নিযুক্তিত কোনো ৰাধা নাই।

Shri Digendra Purkayastha : Sir, in reply to Q. No. 799 (a) the Minister has said, 'No', and (b) Does not arise. Sir, I have got a very bitter experience in this respect because in the co–education institutions the girls students face some difficulties. May I once again request the Hon'ble Minister to actively consider the matter and appoint at least one lady Grade IV in the co-education institutions.

Shri Surendra Nath Medhi (Minister) : Sir, actually there is no bar in appointing any lady Grade IV where there is coeducation and in some cases we find that the IVth Grade post has been filled up by appointing a lady (in some middle English Schools) and there is a norm that

in the M. E. Schools where there is coeducation a lady must be taken. But there is no norm for appointing a IVth Grade lady employee in other schools. Therefore, if there is a suitable lady candidate for a coeducation institution she may be appointed as a IVth Grade.

বিষয় : প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণ।

শ্ৰীৰশিহুল হকে সুধিছে :

*৮০০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এইটো কথা সঁচানে যে, প্ৰাথমিক শিক্ষাধিকাৰৰ স্বাক্ষৰিত এখন তালিকাৰ মতে ৰূপহীহাট সমষ্টিৰ ১৩ খন প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণৰ কাৰণে বিত্ত আয়োগৰ এৱাৰ্ডৰ অধীনত ৪৫,০০০·০০ টকা দিয়া হৈছে।

(খ) এই ১৩ খন প্ৰাথমিক বিদ্যালয়ৰ প্ৰত্যেকখনকে দিয়া অনুদানৰ টকাখিনি দিচপুৰ সমবায় এপেক্স বেংকৰ জৰিয়তে দিয়াটো সঁচানে ?

(গ) এইটো কথা সঁচানে যে (ক) ত উল্লেখিত তালিকাখন পৰিবৰ্ত্তন কৰি এখন নতুন তালিকা কৰা হৈছে ?

(ঘ) যদি সঁচা, তেন্তে কি কাৰণত নতুন তালিকাখন কৰা হল জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৩ খন বিদ্যালয়ৰ ঘৰ নিৰ্ম্মাণৰ বাবে ৪৫ হাজাৰ টকা দিয়া হোৱা নাই। প্ৰতিখন বিদ্যালয়ত ৪৫ হাজাৰ টকাকৈ মঞ্জুৰী দিয়া হৈছে।

(খ) সঁচা।

(গ) সঁচা।

(ঘ) জনা নাযায়।

শ্ৰীৰসিহুল হক : অধ্যক্ষ মহোদয়, এই যে জনা নেযায় উত্তৰটো দিলে এইটো কিয় দিলে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (সংসদী পৰিক্ৰমা মন্ত্ৰী) : মাননীয় সদস্য গৰাকীৰ (গ) আৰু (ঘ)ৰ প্ৰশ্নত আছিল এই কথাটো সচা নে (ক)ত উল্লেখিত তালিকাখন পৰিবৰ্ত্তন কৰি এখন নতুন তালিকা কৰা হৈছে নে ? যদি সচা, তেন্তে কি কাৰণত নতুন তালিকাখন কৰা হ'ল জনাব নে ? তালিকাখন পৰিবৰ্ত্তন কঃ

সচা বুলি কৈছোঁৱেই কিন্তু কি কাৰণে তালিকা গালমলনি কৰিলে তাৰ তথ্য পোৱা নাই কাৰণে জনা নাযায় বুলি কৈছো।

শ্ৰীমুক্তাৰ হুচেইন : অধ্যক্ষ মহোদয়, যিখন নতুন তালিকা বনালে তাত দুখন স্কুলৰ নাম আছে যি দুখন স্কুলে আৰ, এল, ই জিপিৰ অধীনত ইতিমধ্যে বিল্ডিং গ্ৰাণ্ট পাইছে। নতুন তালিকাত ভৰ্ত্তি কৰি আকৌ মঞ্জুৰী দিব বিচৰাটোত কি অভিপ্ৰায় আছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (সংসদী পৰিক্ৰমা মন্ত্ৰী) : আৰ এল ই জিপিৰ যিটো প্ৰশ্ন উঠিছে সেইটো স্কুলৰ লগত জৰিত হয় নে নহয় মই সঠিক কব নোৱাৰিলো মই পৰীক্ষা কৰি চাব লাগিব। (কেবাজনো সদস্যই কব উঠে)

শ্ৰীমুক্তাৰ হুচেইন : যিবিলাক স্কুল ইতিমধ্যে আৰ, এল ই জি পিৰ অধীনত কৰা হৈছে আকৌ সেইবিলাক স্কুলকে মঞ্জুৰী দিব বিছৰাটোত আমাৰ সন্দেহ হৈছে। টকাতো আত্মসাৎ কৰিব বুলি ভয় হৈছে। তালিকাখনৰ ওপৰত কিহীত ব্যৱস্থা লব নে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (সংসদী পৰিক্ৰমা মন্ত্ৰী) : অনুসন্ধান কৰি চাম, দাবুল গ্ৰাণ্ট পাব নোৱাৰে।

শ্ৰীৰচিহুল হক : চাৰ, এই বিষয়টো বৰ চিৰিয়াচ বিষয়। যিখন লিষ্ট দিছে সেইখন শিক্ষামন্ত্ৰীয়ে বিভাগলৈ পঠিয়াইছে। তালিকাখন পৰিবৰ্ত্তন কৰাৰ পাছত যিদুখন স্কুলৰ নাম অন্তৰভুক্ত কৰা হৈছে সেই দুখন ডি, আৰ, ডি, এৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছে। মই তাৰ স্থানীয় বিধায়ক, তালিকাখন বদলি কৰিবলৈ মই কাকো আধি দিয়া নাই। এই তালিকা পৰিবৰ্ত্তন কৰি বিধায়ক হিচাবে মোক শিক্ষা মন্ত্ৰীয়ে অপমান কৰিছে। যিবিলাক স্কুলৰ নাম নতুন তালিকাত দিছে সেইবিলাকৰ কিছুমানৰ আৰ, চি, চি বা ঘৰদুৱাৰ সুন্দৰ হৈ আছে অন্ততঃ জৰজীৰ্ণ নহয়। গতিকে তালিকা পৰিবৰ্ত্তন কৰিবলৈ মই কাকো আধি দিয়া নাছিলো। অধ্যক্ষ মহোদয়, আপুনি সদনৰ অধিপতি হিচাবে মোক যিহেতু ইয়াৰ দ্বাৰা অপমান কৰা হৈছে গতিকে এই বিষয়টোৰ ওপৰত আধাঘণ্টা সময় আলোচনাৰ কাৰণে দিব লাগে। এই বিষয়টো মই শিক্ষা মন্ত্ৰীক বাৰে বাৰে কৈছো তথাপি তেখেতে একো কৰা নাই, ঠিক কৰি দিম বুলিও নিদিলে গতিকে আধাঘণ্টা আলোচনাৰ বাবে দিব লাগে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (সংসদী পৰিক্ৰমা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদি কোনো স্কুল দাবুল উঠিছে নিশ্চয় তাক বাদ দিয়া হব। মোৰ সমষ্টিতো তেনে কথা কৈছে। তেখেতে যিখিনি কথা কৈছে সেইখিনি নিশ্চয় পৰীক্ষা কৰি চাম। দাবুল হলে নিশ্চয় উইদ্ৰ কৰা হব।

শ্ৰীৰচিহুল হক : অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে মোক লিখি দিব কৈছিল কিন্তু মই লিখি দিয়াৰ পাছতো একো নকৰিলে। মোক কেছুৱা লৰাৰ নিচিনা ঘুৰাই ফুৰিছে। এইটো চিৰিয়াচ কথা। ইয়াৰ দ্বাৰা মোক অপমান কৰা হৈছে।

শ্ৰীআব্দুল জব্বৰ : এই বিষয়টো আলোচনাৰ কাৰণে অধ্যক্ষ মহোদয়ে আধাঘণ্টা সময় দিব লাগে আৰু যাতে সিদিনা মন্ত্ৰী উপস্থিত থাকে তাৰ বাবে ব্যৱস্থা লব লাগে। প্ৰায়বিলাক সমষ্টিতে এনে হৈছে।

শ্ৰীহিৰণ্য বৰা : বিভাগীয় মন্ত্ৰীও যিহেতু নাই গতিকে ভালকৈ আলোচনা কৰিবৰ কাৰণে আধাঘণ্টা সময় দিব লাগে।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : যদি গুৰুত্বপূৰ্ণ কথা বুলি ভাবে, জাননী দিব, তেতিয়া মাননীয় অধ্যক্ষই নিশ্চয় বিবেচনা কৰি চাব।

### Re : **Kharupetia Water Supply Scheme.**

Shri Abdul Jabbar asked :

*801. Will the Minister, P. H. E. be pleased to state :

(a) When the water supply schemes at Kharupetia in Darrang District was started ?

(b) When this scheme is likely to start functioning ?

Shri Shahidul Alam Choudhury, (Minister, Public Health Engineering) replied :

(a) On 19-5-86.

(b) Efforts will be made to render benefit by the scheme as early as possible subject to availabilities of fund.

Shri Abdul Jabbar : May I know from the Minister whether he will do it on the basis of priority ?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় বিবেচনা কৰা হব ।

Shri Gautam Roy : Sir, Hailakandi water supply scheme is already complete. May I know from the Minister the date on which the scheme will be commissioned ?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয় ইয়াৰ কাৰণে বেলেগে প্ৰশ্ন দি দিলে ভাল হয় ।

**Re : Regarding Police Stations in Karbi Anglong Dist.**

Shri Khorsing Engti asked :

* 802. Will the Minister, Home be pleased to state :

(a) The number of Police Stations within Karbi-Anglong District ?

(b) The present position of staff in each Police Station (S. I., Asstt. S. I. and Constable) ?

(c) Whether the Government will take initiative to increase the staff in each Police Station ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সৰ্ব্বমুঠ ৬ (ছয়) খন ।

(খ) প্ৰত্যেক থানাৰ কৰ্ম্মচাৰীৰ সংখ্যা এনে ধৰণৰ :

| | ১। ডিফু | ২। বোকাজান | ৩। বৈঠালাংছু | ৪। হাওঁৰাঘাট | ৫। খেৰনি | ৬। হামৰেন |
|---|---|---|---|---|---|---|
| পৰিদৰ্শক— | ১ | — | — | — | — | — |
| উপ-পৰিদৰ্শক— | ২ | ২ | ২ | ১ | ১ | ১ |
| সহকাৰী উপ-পৰিদৰ্শক— | ৩ | ৩ | ২ | ২ | ২ | ১ |
| হাবিলদাৰ— | ১ | ১ | — | ১ | ১ | ১ |
| নায়ক কনিষ্টবল— | ২ | ১ | — | ১ | ১ | — |
| কনিষ্টবল — | ৯ | ১১ | ৭ | ৯ | ৮ | ৫ |
| সৰ্ব্বমুঠ — | ১৮ | ১৮ | ১১ | ১৪ | ১৩ | ৮ |

(গ) আৰক্ষী থানা কেইখন প্ৰয়োজন অনুসৰি অধিক শক্তিশালী কৰাৰ বিষয়-টো বিত্তীয় অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব ।

(Starred Question No. 803 was not Called for However written replies deemed to have been laid on the Table as follows)

বিষয় : করিমগঞ্জ জিলায় ৩য় শোধনাগার স্থাপন ।

শ্রীরমেন্দ্র দেই জিজ্ঞাসা করিয়াছেন :

*৮০৩। মাননীয় শিল্প বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

ক) কাছাড় জিলার পাঁচগ্রাম, করিমগঞ্জ জিলার আদমটীলা ও আদরকোনাতে প্রচুর পরিমানে তৈল ও গ্যাস পাওয়া গেছে এ খবর সরকার জানেন কি ?

খ) পাঁচগ্রাম থেকে বর্ত্তমানে পরীক্ষামূলকভাবে কি অশোধিত তেল তুলা হচ্ছে ?

গ) যদি হয় তবে তার দৈনিক পরিমান কি ?

ঘ) এ কথা কি ঠিক আদমটীলা থেকে দৈনিক এক লক্ষ দশ হাজার ঘন মিটার গ্যাস বের করা যাবে ?

ঙ) যদি তা ঠিক হয় তবে প্রস্তাবিত আসামের ৩য় তৈল শোধনাগার বরাক উপত্যকার করিমগঞ্জ মহকুমায় স্থাপনের ও বরাক উপত্যকায় গ্যাস ভিত্তিক শিল্প স্থাপনের পদক্ষেপ সরকার করেন কি ?

শ্রীগুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী)—য়ে উত্তৰ দিছে :

ক) জনা গৈছে ।

খ, গ} আয়োগৰ পৰা তথ্য সমূহ বিচৰা হৈছে, পালেহে সঠিককৈ কব পৰা যাব ।

ঘ) অসম গেছ কোম্পানীৰ পৰা পোৱা তথ্যমতে আদামটিলাত এক লাখ ঘন মিটাৰ গেচ পোৱা যাব বুলি জনা যায় ।

ঙ) তৈল আৰু গেচ সম্পৰ্কীয় তথ্যৰ ওপৰত ভিত্তি কৰি এই সন্দৰ্ভত কি ব্যৱস্থা লোৱা যাৱ সেইটো নিৰ্ভৰ কৰিব । এই বিষয়ে ভাৰত চৰকাৰ লগত যোগাযোগ কৰা হৰ ।

**বিষয় : এচ চি, কমপোনেন্ট প্লেনৰ টকা ঘূৰাই দিয়াৰ সন্দৰ্ভত।**

শ্ৰীফনীভূষণ চৌধুৰীয়ে সুধিছে :

*৮০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ১৯৮৮—৮৯ চনৰ বিত্তীয় বছৰটোত প্ৰাথমিক শিক্ষা বিভাগৰ পৰা গৃহ নিৰ্ম্মাণ মঞ্জুৰীৰ ১৪০ লাখ টকা ঘূৰি যোৱা কথাটো সঁচানে ?

খ) যদি সঁচা হয়, এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা—মন্ত্ৰী)-য়ে উত্তৰ দিছে :

ক) হয়। ১ কোটি ৪৪ লাখ ২০ হাজাৰ টকাহে। প্ৰশ্নত উল্লেখ কৰা ১৪০ লাখ টকা নহয়।

খ) কোনো ব্যৱস্থা লোৱা নাই।

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ পৰা ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰৰ ১ কোটি ৪৪ লাখ ২০ হাজাৰ টকা যে ঘূৰি যোৱা বুলি মন্ত্ৰী মহোদয়ে উত্তৰত কলে, সেই টকাটো এচ, চি কমপোনেণ্টৰ টকা আছিল। কিয় টকাটো ঘূৰি যাব লগা হ'ল মন্ত্ৰী মহোদয়ে আমাক জনালে ভাল হয়। এই টকাটো বছৰ কন্ট্ৰিবিউট কৰিব পাৰিব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, টকাটো ঘূৰি যাব লগা হ'ল সময়মতে এলোচি নোপোৱাত বা এল, অ' চিৰ ক্ষেত্ৰত কিছু খেলি মেলি হৈছিল।

শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, যি জন বিষয়াৰ কাৰণে এল, ও, চি নাপালে, সেইজন বিষয়াৰ ওপৰত শাস্তি মূলক ব্যৱস্থা লোৱা হব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, দোষ কাৰ হৈছে সেইটো এতিয়াও নিৰ্ণয় কৰা হোৱা নাই। এল, ও, চি নোপোৱাৰ কাৰণে যদি কোনোবা জগৰীয়া হয় তেনেহলে নিশ্চয় ব্যৱস্থা লোৱা হব।

শ্ৰীআব্দুল ফজল গোলাম ওসমানী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় ইতিমধ্যে বলেছেন যে এল ও সি সময়মত না পাওয়ার জন্য এই টাকা ঘুরে গেছে। স্যার, এই এল ও সি'র ব্যাপার নিয়ে প্রায় বিভাগেই গণ্ডগোল চলছে এবং বহু টাকা এইভাবে নষ্ট হয়েছে। আমরা জানি যে ১৯৭২—৭৩ ইংর আগে পর্যন্ত আমাদের রাজ্য যেসব সরকার ছিল তারা এই এল ও সি ছাড়াই

সুষ্ঠ ভাবে সরকার চালিয়ে গেছেন। পরৱর্তী সময়ে যে সব সরকার এসেছে তাদের তুলনাই নিশ্চয়ই আগের সরকারের কাজকর্ম্ম নিম্নমানের ছিল না। পরে ফাইনেনসিয়েল কণ্ট্রোল'র জন্য এই এল ও সি'র ব্যৱস্থা চালু করা হয়েছিল। সেইজন্য এই ব্যৱস্থা তুলে দেওয়া যায় কিনা এ ব্যাপারে মাননীয় সংসদী পরিক্রমা বিভাগের মন্ত্রী এবং বিত্তমন্ত্রী মহোদয় বিস্তারিত ভাবে পর্য্যালোচনা করে দেখবেন কি?

শ্রীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এল, ও, চিৰ কথাটো আচলতে বিত্ত বিভাগৰ লগত জৰিত হৈ আছে। কাৰণ এল,ও,চি বিত্ত বিভাগৰ পৰাহে হয়। এই সম্বন্ধে মাননীয় সদস্য শ্ৰীওচমানী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে তেখেতৰ প্ৰস্তাৱটো বিবেচনা কৰি চাব পৰা যাব।

শ্ৰীহিৰণ্য বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে এল, ও, চিৰ কথাটো বিত্ত বিভাগৰ লগত জৰিত হৈ আছে। গতিকে বিত্ত বিভাগৰ যি জন বিষয়াই এল,ও,চি নিদিলে তেওঁৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হব নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বহুতো লিখা-লিখি হৈ আছে, বিত্ত বিভাগে নিশ্চয় ব্যৱস্থা লব।

শ্ৰীনীলমণি দাস : মাননীয় অধ্যক্ষ মহোদয়, বিভাগৰ অৱহেলাৰ বাবেই যে ১৪৪ লাখ টকা ঘুৰি যাব লগা হৈছে, সেইটো সত্য প্ৰমানিত হৈছে। এই টকাৰ জৰিয়তে দুখীয়া ৰাইজে যিখিনি সা-সুবিধা পাব লাগিছিল। সেই সুবিধাৰ পৰা এবছৰৰ কাৰণে বঞ্চিত হ'ল। অহা বছৰলৈ সেই বেক লগ পুৰোৱাৰ ব্যৱস্থা লব নেকি, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। এই বিষয়ে মন্ত্ৰী মহোদয়ে সদনত আশ্বাস দিলে সুখী হম।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) : এই বিষয়টো পৰীক্ষা কৰি চোৱা হব।

**বিষয় : উত্তৰ শালমাৰা মহকুমাত নলী-নাদ স্থাপন।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :**

*৮০৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) উত্তৰ শালমাৰা মহকুমাত ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চন

কিমানটা নলীনাদ বহুৱা হৈছে ?

খ) উক্ত নলীনাদ সমূহত প্লেটফৰ্ম কৰাৰ ব্যৱস্থা আছিল নে ?

গ) যদি আছিল, তেন্তে কৰা হৈছেনে ?

শ্ৰীছাহিদুল আলম চৌধুৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

ক) উল্লেখিত বছৰ সমূহত উত্তৰ শালমাৰা মহকুমাত বহুৱা নলীনাদৰ সংখ্যা—

১৯৮৬-৮৭ = ৩২৯ টা ।

১৯৮৭-৮৮ = ৫৫ টা ।

১৯৮৮-৮৯ = ১২৫ টা ।

খ) বানপীড়িত ৰাইজৰ বাবে অস্থায়ী ভাবে বহুৱা নলীনাদৰ বাহিৰে বাকী নলীনাদ সমূহত প্লেটফৰ্মৰ ব্যৱস্থা আছিল ।

গ) ১৯৮৮-৮৯ চনৰ ৮ টা নলীনাদৰ প্লেটফৰ্মৰ বাহিৰে বাকী বোৰৰ কাম সম্পূৰ্ণ হৈছে । ৮ খন প্লেট ফৰ্মৰ কামো চলি আছে ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ শালমাৰাত ১৯৮৮-৮৯ চনত যিমান কেইটা নলীনাদ বহুৱা বুলি মন্ত্ৰী মহোদয়ে কৈছে আচলতে সিমান কেইটা বহুৱা হোৱা নাই । মই উত্তৰ শালমাৰাৰ বিধায়ক হিচাবে তাত থকা খেলি-মেলি বিলাক ভালদৰে জানো । তেখেত সকলে যিটো হিচাব দিছে প্ৰকৃততে সিমান নলীনাদ বহুৱা হৈছে নে নাই মন্ত্ৰী মহোদয়ে পৰীক্ষা কৰি চাব নে ?

শ্ৰীছাহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যদি হোৱা নাই পৰীক্ষা কৰি চোৱা হব ।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে পৰীক্ষা কৰি চাব নেকি ?

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী) : পৰীক্ষা কৰি চোৱা হব ।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : অধ্যক্ষ মহোদয়, আমি টিউবেল পাইছিলো । কিন্তু মোৰ সমষ্টিত নলীনাদ পোৱা নাই । দিব নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী) : এই বছৰৰ পৰা নতুন আচনিৰ দ্বাৰা নলীনাদ দিয়া ব্যৱস্থা হৈছে ।

শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, পৃথুৰীৰ জৰীয়তে পানী

অনাৰ ব্যৱস্থা লৈছে আৰু প্ৰতিটো টিউবেলত ৫।৬ হাজাৰকৈ লয় এ, পি, আৰ ওৰ কথা কৈছো।

শ্ৰীছহিতুল আলম চৌধুৰী (মন্ত্ৰী): সুকীয়া প্ৰশ্ন দিলে ভাল হয়।

Mr. Speaker: A seperate Question is required.

বিষয়: ব্লক এলিমেণ্টেৰি ইডুকেচন অফিচাৰ।

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে:

*৮০৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) অসমৰ আটাইকেইটা উন্নয়ন খণ্ড এলেকাত ব্লক এলিমেণ্টেৰী ইডুকেচন অফিচাৰৰ কাৰ্য্যালয় স্থাপন কৰা হৈছে নে?

খ) যদি হৈছে, প্ৰতিটো কাৰ্যালয়ৰ বিপৰীতে বিষয়া নিয়োগ কৰা হৈছে নেকি?

গ) যদি হোৱা নাই, তাৰ কাৰণ কি?

ঘ) বিষয়াৰ পদবোৰ কেতিয়া পূৰণ কৰা হব?

ঙ) এই বিষয়া সকলৰ কৰণীয় দায়িত্ববোৰ কি জনাবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন আৰু বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) হয়।

খ) ১২১ টা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ৰ বিপৰীতে বিষয়া নিয়োগ কৰা হৈছিল। পাৰ্ব্বত্য জিলা দুখনৰ ১৪ টা পদত বিষয়া নিযুক্তি দিয়া হোৱা নাই।

গ) এই সেৱাৰ বাবে সেৱা বিধি চূড়ান্ত হৈ উঠাত দেৰি হোৱা কাৰণে খালি থকা পদবোৰত বিষয়া দিব পৰা নাই। চৰকাৰে পূৰ্ব প্ৰচলিত অসম লোক সেৱা আয়োগৰ ৰেগুলেচন ৪ (ডি) বিধি ১৯৫১ ত পদোন্নতি বন্ধ কৰিছে।

ঘ) সেৱাবিধি চূড়ান্ত হৈ উঠিলেই পদ পূৰণ কৰা হব।

ঙ) এই বিষয়া সকলক প্ৰধানত: গাওঁ অঞ্চলৰ প্ৰাথমিক বিদ্যালয় সমূহৰ শিক্ষকক দৰ্ম্মহা দিয়া, নিজ কাৰ্য্যালয়ৰ কৰ্ম্মচাৰীক দৰ্ম্মহা দিয়া, স্কুল পৰিদৰ্শন কৰা আদি প্ৰাথমিক শিক্ষাৰ লগত জড়িত বিভিন্ন দায়িত্ব দিয়া হৈছে।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী: 'ঘ'ৰ উত্তৰত কৈছে যে পদ সমূহ পূৰণ কৰা হব। মন্ত্ৰী মহোদয়ে জনাবনে যে এই সেৱা বিধি চুড়ান্ত কিমান দিন, বছৰ বা মাহৰ

ভিতৰত হব সময় সীমা ধৰি দিবনে ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী) : সময় সীমা ধৰি দিয়াটোত অসুবিধা । কাৰণ সেৱাবিধি যিখনৰ কাম চলি আছে ইয়াক চূড়ান্ত কৰাত কিমান সময় লাগিব সঠিককৈ কোৱা টান । অৱশ্যে যিমান সোনকালে পৰা যায় সেৱা বিধি প্ৰস্তুত কৰি বাকী থকা খালি পদ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হব । ইতিমধ্যে স্কুল এচ, আই বিলাকক খালি থকা পদ বিলাকৰ কামত লগোৱা হৈছে ।

**Re : Regarding Alopati Police Out Post.**

Shri Sheikh Abdul Hamid asked :

*807. Will the Minister, Home be pleased to state :

a) Whether the Government established a Police Petrol Post at Alopati of Barpeta District ? ( Please state date with year of establishment )

b) Whether in view of the area covered and situation wants Government has any proposal for upgrading the said Police Petrol Post into a Police Out Post ?

c) Is it a fact that Government has not provided building for the Office and staff of Alopati P. P. Post though land for building has been acquired by the Government ?

d) If so, whether Government will sanction for permanent establishment of the Police Post ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয় । ইং ১৯৮৩ চনৰ ১ অক্টোবৰ তাৰিখে বৰপেটা জিলাৰ আলোপতি চৰত এটা অস্থায়ী তহলদাৰী চকী খোলা হয় ।

খ) এই বিষয়ে চৰকাৰৰ হাতত বৰ্ত্তমান কোনো প্ৰস্তাব নাই ।

গ) আৰক্ষী বিভাগে নিজাৰবীয়াকৈ সজা এটা জুপুৰী ঘৰত এই চকীটো চলাই থকা হৈছে । কিন্তু পুঁজিৰ অভাৱত কৰ্ম্মচাৰীৰ থকা ঘৰ নিৰ্ম্মাণ কৰিব পৰা হোৱা নাই ।

ঘ) এই বিষয়ত এতিয়ালৈকে কোনো সিদ্ধান্ত লোৱা নাই ।

শ্ৰীশ্বেখ আব্দুল হামিদ : এই পুলিচ চকীটো বাঘবৰ চেঙা আৰু ৰকো সমষ্টিৰ চৰ অঞ্চল সামৰি লৈছে। গতিকে এই বৃহত্তৰ অঞ্চললৈ চাই ইয়াত আউটপোষ্ট কৰাৰ ব্যৱস্থা লবনে ? দ্বিতীয়তে জুপুৰি ঘৰত পেট্ৰল পোষ্টটো চলাই থকা হৈছে বুলি কৈছে। এই চকীত অফিচাৰৰ পৰা আৰম্ভ কৰি কনিষ্টবল থাকে। বাৰিষা তাত পানী উঠে। গতিকে স্থায়ী ঘৰৰ বাবে মাটি আছে যেতিয়া স্থায়ী ঘৰ কৰাৰ ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : আউট পোষ্ট কৰাৰ বিষয়ত আমাৰ হাতত বহুত প্ৰস্তাৱ আছে। আৱশ্যকীয় পুজিৰ অভাৱত কৰিব পৰা নাই। পুজিৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱস্থা কৰিব পৰা যাব। কৰ্মচাৰীৰ ঘৰৰ বাবে আঠ বিঘা মাটি আছে। বিত্তীয় অনুমোদন পোৱাৰ লগে লগে আৱন্টন কৰিব পাৰিম।

শ্ৰীআব্দুল জলিল ৰাগিবী : মোৰ ৭১৮ প্ৰশ্নটো দেফাৰ বুলি লিখা আছে।

অধ্যক্ষ : দেফাৰ হৈছে।

## Unstarred Question & Answers

**Re : Constab-les appointed from S. T. (H).**

Shri G. C. Langthasa asked :

1088. Will the Minister, Home be pleased to state :

a) Whether the Government has recruited Constables of Armed Police including A. P. Bn. and Border Force in Assam during the period from 1986-87, 1987-88, 1988-89 ?

b) Number of Hills tribes appointed in the said posts in those years ?

c) If not the reasons there of ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) ২২৫ জন।

গ) প্ৰশ্ন নুঠে।

**Re : Meherpur Public Health Engineering water supply Scheme.**

Shri Karnendu Bhattacharjee asked :

1089. will the Minister of P. H. E. be pleased to state :

(a) Why the implementation of P. H. E. water supply Scheme Meherpur in Silchar is delayed although two years have elapsed since its sanctioned ?

(b) Will the Government take necessary step for early implementation of the Scheme ?

Shri Shahidul Alam Choudhury (Minister, Public Health Engineering) replied :

(a) For non finalization of land till now.

(b) Yes.

বিষয় : নাজিৰা সমষ্টিত পানী যোগান কেন্দ্ৰ ।

শ্ৰীতনু কোৱঁৰে সুধিছে :

১০৯০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নাজিৰা সমষ্টিত বৰ্ত্তমানলৈকে কিমানটা খোৱা পানী যোগান কেন্দ্ৰ বহুৱা হ'ল ?

(খ) কিমানটাৰ কাম সম্পূৰ্ণ কৰা হ'ল আৰু কিমানটা কেন্দ্ৰৰ কাম বাকী আছে ?

(গ) কাম সম্পূৰ্ণ নোহোৱা কেন্দ্ৰ কেইটাৰ কাম সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কেনেধৰণৰ ব্যৱস্থা হাতত লৈছে ?

শ্ৰীছাহিদুল আলম চৌধুৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নাজিৰা সমষ্টিত বৰ্ত্তমানলৈ ৩৯টা পাইপ পানী যোগান আঁচনি লোৱা হৈছে ।

(খ) ১৭টা আঁচনি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু ২২টা আঁচনিৰ কাম চলি আছে ।

(গ) আৱশ্যকীয় পুঁজিৰ নাটনিৰ বাবে যি কেইখন আঁচনিৰ দ্বাৰা ৰাইজক অতি সোনকালে পানী যোগান ধৰি উপকৃত কৰিব পাৰি সেই আঁচনি বোৰৰ অতি অপৰিহাৰ্য্য কাম সমূহ সাঁজি উলিয়াবলৈ ব্যৱস্থা লোৱা হৈছে ।

REFERENCE,
( NOT FOR ISSUE )



READING ONLY INS DE LIBRARY

ৰিষয় : শিক্ষক নিযুক্তিৰ সংখ্যা ।

শ্রীরমেন্দ্র দেই জিজ্ঞাছা করিয়াছেন :

১০৯১। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

ক) ১৯৮৮ ইংরেজি হইতে ১৯৮৯ ইংরেজির মার্চ মাস পর্য্যন্ত এম, ই/এম, ভি ও সিনীয়ের বেসিক স্কুলে কতজন শিক্ষকের নিযুক্তি হয়েছে ?
( নিয়োগের তারিখ সহ স্কুলের নাম-ঠিকানা সহ শিক্ষকের নাম ঠিকানা দিতে হবে )

খ) ১৯৮৮ ইংরেজি থেকে ১৯৮৯ ইংরেজির মার্চ মাস পর্য্যন্ত এম্, ই/এম্ ভি ও সিনীয়ের বেসিক স্কুলের শিক্ষকের চাকুরী বাতিল করা হয়েছে ?
(বাতিলের তারিখ, স্কুলের নাম-ঠিকানা সহ শিক্ষকের নাম ঠিকানা দিতে হবে)

শ্রীসুৰেন্দ্র নাথ মেধি (আইন মন্ত্রী) য়ে উত্তৰ দিছে :

ক) ২৯ (উনত্রিশ) জন। তালিকা সংলগ্ন কৰা হ'ল।
( See the list at Annexure III )

খ) নাই।

( Unstarred Question Nos. 1092, 1093 and 1094 were deferred )

বিষয় : চিদুলদ কাষ্ট কম্পনেন্ট প্লেন আৰু ট্রাইবেল ছাব-প্লেন ।

শ্রীগোপী নাথ দাসে সুধিছে :

১০৯৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাৰনে :

ক) চিহুলদ কাষ্ট কম্পনেন্ট প্লেন আৰু ট্রাইবেল ছাব-প্লেনৰ অধীনত কামৰূপ জিলাৰ বকো সমষ্টিত ১৯৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত কিমান খন প্রাথমিক বিদ্যালয়ক ৬১,০৬৫,০০ টকাৰ গৃহ নির্মাণৰ মঞ্জুৰী দিয়া হৈছে ?
(বিদ্যালয়বোৰৰ নাম আৰু ঠিকনা জনাব)

খ) উক্ত মঞ্জুৰীৰ ধন চৰকাৰী নীতি নিয়ম মতে খৰচ কৰা হৈছেনে ?

গ) যদি হোৱা নাই তেন্তে চৰকাৰে এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰিছে ?

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)ৰ হৈ শ্রীসুৰেন্দ্র নাথ মেধিয়ে উত্তৰ দিছে :

ক) সমষ্টি ভিত্তিত গৃহ নির্মাণৰ মঞ্জুৰী ধন দিয়া নহয় যদিও জিলা শিক্ষা

বিষয়াৰ পৰা বিদ্যালয়ৰ নামৰ তালিকা আৰু ঠিকনা বিচৰা হৈছে। পালে সদনত দাখিল কৰা হব।

খ) এই সম্পৰ্কে জিলা শিক্ষা বিষয়াৰ পৰা প্ৰতিবেদন বিচৰা হৈছে।

গ) প্ৰশ্ন নুঠে।

বিষয় : চিদুল্লদ কাষ্ট কম্পনেণ্ট প্লেনৰ টকা।

শ্ৰীগোপী নাথ দাসে সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) চিহ্নলদ কাষ্ট কম্পনেণ্ট প্লেনৰ আচুতীয়া টকাৰে ১৯৮৮-৮৯ চনত চৰকাৰে ৬৮ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক গৃহ নিৰ্মাণৰ মঞ্জুৰী (প্ৰত্যেক-টো বিদ্যালয়কে এক লাখকৈ) দিয়া কথাটো সঁচানে ?

খ) যদি সঁচা তেন্তে উক্ত বিদ্যালয়ৰোৰৰ নামবোৰ কি কি ?

গ) যদি মঞ্জুৰী দিয়া হোৱা নাই তেন্তে অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)ৰ হৈ শ্ৰীসুৰেন্দ্ৰ নাথ মেধিয়ে উত্তৰ দিছে :

ক) সঁচা।

খ) বিদ্যালয়ৰ নামৰ তালিকা চূড়ান্ত কৰা হোৱা নাই।

গ) সোনকালে ব্যৱস্থা লোৱা হব।

**Re : Bethukandi water supply scheme.**

Shri Karnendu Bhattacharjee asked :

1097. Will the Minister, P. H. E. be pleased to state :

a) Why the implementation of the P. H. E. water supply scheme for Bethukendi is slow ?

b) If so, what are the reasons and when it will be comp leted ?

Shri Sahidul Alam Choudhury (Minister, Public Health Engineering) replied :

a) Implementation of Bethukendi water supply scheme is slow due to delay in getting possession of land and

partidlly due non availabilities of serce construction materials.

b) Steps are being taken for completing the scheme at an early date.

**Re : Domestic water supply connections in Silchar Town.**

Shri Karnendu Bhatta Charjee asked ;

1098. will the Minister, P. H. E. be pleased to state :

a) What are total number of domestic water supply connections of far given in Silchar Town ?

b) Whether it is a fact that the water supplied is contaminated due to heavy leakage on underground pipe lines ?

c) If so, what measures the Government proposes to take to present the supply of contaminated water ?

Shri Shahidul Alam Choudhury (Minister, public Health Engineering) replied :

a) 8019 nos.

b) There are leakages in ferule connections which are under maintenance of the Municipal Board and the posibilities of water being contaminated through such leakages can not be ruled out.

c) Leakage in pumping main and distribution systems which are maintained by PHE are promptly attended to. Municipal Board is requested to repair the leaking house connections.

**Re : Silchar Tourist lodge.**

Shri Karnendu Bhatta Charjee asked :

মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

1099. will the Minister of Tourism be Pleased to state :

a) Whether the Government is aware that there is no canteen in the Silchar Tourist Lodge to provide meals to the tourist ?

b) If so, whether the Government will take up necessary step for opening a canteen there ?

শ্ৰীভৃগু কুমাৰ ফুকন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে :

ক) হয় ।

খ) অভিজ্ঞতাৰ পৰা দেখা যায় যে যিবোৰ পৰ্য্যটক নিবাসত পৰ্য্যটকৰ সমাগমৰ হাৰ অধিক আৰু গোটেই বছৰ জোৰা নহয়, সেইবোৰ পৰ্য্যটক নিবাসত ভোজনালয়ৰ ব্যৱস্থ্য কৰাটো অৰ্থ নৈতিক দিশৰ পৰা লাভজনক নহয় । শিলচৰ চহৰ জিলাৰ সদৰ ঠাই, তাত ভালে কেইখন ভোজনালয় আছে । তাৰোপৰি শিলচৰ পৰ্য্যটক নিবাসত যথেষ্ট পৰিমাণে পৰ্য্যটকৰ সমাগত নহয় । সেইহেতুকে শিলচৰত ভোজানালয় খোলা লাভজনক হব নে নহয় তাক বিবেচনা কৰিহে লাভজনক যেন দেখিলে ভোজনালয় খোলা হব ।

Re : **Composite Loan Scheme for Educated Youth.**

Shri A. F. Golam Osmani asked :

1100. Will the Minister, Industries be pleased to State :

(a) Number of Composite loan Scheme for educated unemployed Youths have sponsored by the D. I. C. Barpeta District in 1986-87, 1987-88 and 1988-89 ?

(b) Name of Loanees of Ruposi and Mandia Blocks whose cases were sanctioned in the years under reference and amount received respectively ?

শ্ৰীগুনীন হাজৰিকা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মিশ্ৰিত ঋণৰ আচঁনিৰ জৰীয়তে বৰপেটা জিলা উদ্যোগ কেন্দ্ৰই ১৯৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত একাদিক্ৰমে ৪৭৯, ২৩৪ আৰু

৪৩৫ খন আবেদন পত্ৰ পঠাইছিল।

(খ) ৰূপসী আৰু মানদিয়া উন্নয়ন খণ্ডৰ ১৯৮৬-৮৭, ১৯৮৭-৮৮ আৰু ১৯৮৮-৮৯ চনত ঋণ লওঁতা সকলৰ নাম লগতে টকাৰ পৰিমাণৰ এখন তালিকা সদনৰ মেজত দিয়া হ'ল।

(See the list at Annexure IV)

Re : **Appointments made on Ad. hoc basis.**

Shri A. F. Golam Osmani, asked :

1101. Will the Minister, Education be pleased to state :

a) Is it a fact that some persons have been appointed as District Elementary Education Officer, Inspector of Schools and Deputy Director of Public Instructions on adhoc basis ?

b) If so, please state the names of persons so appointed with respective dates of their appointment ?

c) The reasons for making these appointments on adhoc basis ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) ১। শ্ৰীসুৰজ আলি লস্কৰ, নিযুক্তিৰ তাৰিখ — ২২/১২/৮৪
২। শ্ৰীশৰৎ বৰঠাকুৰ, তাৰিখ— ৩১/১০/৮৪
৩। শ্ৰীডিলোৱাৰ হুচেইন, " ১৪/১১/৮৫
৪। শ্ৰীনবিন চন্দ্ৰ বৰদলৈ, " ৫/৫/৮৪
৫। শ্ৰীকনমইনা দাস, " ৩১/১০/৮৪
৬। শ্ৰীমুকিবোৰ ৰহমান, " ৩/১০/৮৩

গ) জিলা পৰ্য্যায়ৰ বিষয়া সকলৰ পদ জৰুৰীভাৱে পূৰণ কৰিব লগা হোৱা কাৰণে নিযুক্তি দিয়া হৈছিল (৩ এফ. ৰেগুলেচন)ত পিচত লোকসেৱা আয়োগৰ যোগে বিজ্ঞাপন দিয়া হৈছিল। লোকসেৱা আয়োগৰ অনুমোদন

তালিকাত তেওঁলোকৰ নাম নথকাত পূৰ্ব্বৰ পদলৈ তেওঁলোকক Rever কৰাত তেওঁলোকে উচ্চ ন্যায়ালয়ত গোচৰ তৰে।

( Unstarred Question Nos. 1002 & 1003 were deferred )

বিষয়: প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি।

শ্ৰীতনু কোঁৱৰে সুধিছে:

১০০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) প্ৰাক্ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক/শিক্ষয়িত্ৰী নিযুক্তিৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি!

খ) শিৱসাগৰ মহকুমাত ১৯৮৮-৮৯ বছৰত অনানুষ্ঠানিক শিক্ষা (নন ফৰমেল ইডুকেচন)-ৰ কিমান জন শিক্ষক নিযুক্তি দিয়া হ'ল।

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন মন্ত্ৰী)—য়ে উত্তৰ দিছে:

ক) লোৱা নাই।

খ) প্ৰাপ্ত তথ্য মতে, ৩৬০ জন।

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now item No. 2. Voting on Demands for Grants. Shri Afzalur Rahman to continue his Speech.

* শ্ৰীআফজালুৰ ৰহমান: মাননীয় অধ্যক্ষ মহোদয়, মই কালিৰ আধৰুৱা বক্তৃতা শেষ কৰিব বিচাৰিছো। মন্ত্ৰীক ইয়াত দেখা নাই।

Mr. Speaker : He will coming. Parliamentary affairs Minister is there. You can continue.

শ্ৰীআফজালুৰ ৰহমান: কালি দিয়া পৰামৰ্শৰ পিছত আজি আৰু এটা পৰামৰ্শ বান নিয়ন্ত্ৰণ সম্পৰ্কত দিব বিচাৰিছো। এই পবিত্ৰ সদনত মাননীয় সদস্যসকলে উনুকিয়াই দিছে যে বান নিয়ন্ত্ৰণ বিভাগত দুৰ্নীতিৰ সুযোগ বেচি। কাৰণ গড়কাপ্তানী বা আন আন বিভাগত বস্তুখিনি দেখা পাওঁ আৰু কাম হোৱাৰ পিছত চেক কৰিব পৰা যায়। কিন্তু বান নিয়ন্ত্ৰণ বিভাগত সেইটো কৰিব পৰা নাযায়। সকলোখিনি বস্তু দিয়াৰ পিছত পানীৰ তলত গুচি যায়।

* Speech not corrected.

ৰাইজে যিমানেই চিঞৰ বাখৰ নকৰক কিয় আচল তথ্য পোৱা নাযায়। সেই কাৰণে আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে বান নিয়ন্ত্ৰণ বিভাগত যি-বিলাক আঁচনি লোৱা হয় সেই আঁচনি সম্পৰ্কত যি ঠাইত লোৱা হয় সেই ঠাইৰ ৰাইজ তথা বিধায়কক জনাব লাগে যে কিমান টকাৰ আঁচনি লোৱা হৈছে, কি কি কাম লোৱা হৈছে, কামবোৰৰ কাক কাক ঠিকা দিয়া হৈছে। এই ধৰণে জনাই দিলে কামবোৰ হোৱাত সুবিধা হয়। যোৱাবাৰ ভয়াবহ বাৰিষাৰ সময়ত মোৰ সমষ্টিত ইঞ্জিনিয়াৰসকলে কাম কৰিবলৈ যাওঁতে ডেক্যাচামে সহায় কৰিবলৈ গৈছিল। কিন্তু অফিচাৰে ভেওঁলোকৰ বিৰুদ্ধে পুলিচ কেচ দিছে। সেই কেচ দিয়াৰ ফলত কামবোৰ নিয়াৰিকৈ কৰিব নোৱাৰিলে। উপায়ুক্ত এন, কে, ভট্টাচাৰ্য্যই শেষত ফৌজৰ সহায় লব লগা হল। আৰু যি অহাৰ পিছত ভালেখিনি কাম আৰম্ভ হৈছে। ফলত কাজিপুতা ৰক্ষা পৰিল। অন্যথাই মোৰ গোটেই সমষ্টিটোৱেই শেষ হ'লহেতেন। যোৱাবাৰ উপায়ুক্তই হস্তক্ষেপ নকৰা হলে গোটেই মথাউৰী চিঙি গলহেতেন। সেই কাৰণে মই কৈছো যে ৫০ লাখ টকাৰ আঁচনি লোৱা হৈছে, বল্ডাৰ ৬ হাজাৰ চি, এম দিয়া হব আৰু অমুকক ঠিকা দিয়া হৈছে ইত্যাদি কথা ৰাইজক জনাই দিব লাগে। ডিব্ৰুগড়, গুৱাহাটীত ঠিকাদাৰ বহি থাকে আৰু সেই কামৰ চাৰ কণ্ট্ৰেক্ট দিয়া হয়। য'ত ৬ হাজাৰ বল্ডাৰৰ প্ৰয়োজন তাত ৬ শ বল্ডাৰ পেলাই দিয়ে আৰু নদীত পেলোৱাৰ পিছত ৬ হাজাৰ বল্ডাৰ হয়গৈ। ইয়াত দুৰ্নীতিৰ স্কপ বৰ বেছি থাকে। এই দুৰ্নীতি বন্ধ কৰিব নোৱাৰিলে বান নিয়ন্ত্ৰণৰ কাম হোৱাটো সম্ভৱপৰ নহব। এই কামবিলাক তদাৰক কৰাৰ বাবে একোটাকৈ তদাৰক কমিটি থাকিলে দুৰ্নীতি কৰাৰ সুযোগ নাথাকিব। মই আৰু এটা কথা দুখেৰে কব লগা হৈছো যে বেলতলী বান্ধটো নদীৰ পৰা মাত্ৰ ৫ মিটাৰ আঁতৰত আছে আৰু সুন্দৰপাৰা বান্ধটো ৫০ মিটাৰ দূৰত আছে। প্ৰথম বানতে এই দাইক ভাঙি যাব। আজিলৈকে বান নিয়ন্ত্ৰণ বিভাগে এই ৰিং বান্ধটোৰ বাবে প্ৰতিৰোধৰ ব্যৱস্থা লোৱা নাই। ইতিমধ্যে আমি এদিনৰ বৰষুণত দেখিছো গোটেই ব্ৰহ্মপুত্ৰ ভৰ্ত্তি হৈ পাৰ উপচি পৰিছে। যোৱাবাৰৰ দৰে বাৰিষা হলে যদি হাবাথুৰি খাব লগা হয় তেন্তে এইবাৰ কি অৱস্থা হব ভাবি চাওক। এইখিনিকে দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Shri Amrit Lal Basumatari.

* শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ কৰ্ত্তণ প্ৰস্তাবৰ সমৰ্থনত বান নিয়ন্ত্ৰণৰ বিষয়ত বক্তব্য ৰাখিব বিচাৰিছো। বিশেষকৈ এইটো কথা আলোচনা কৰিব বিচাৰিছো যে অসমত বানপানী প্ৰত্যেক বছৰেই হৈ আহিছে। এক কথাত কবলৈ গলে অসমত বানপানী নিয়ন্ত্ৰন কৰাটো অসমীয়া ৰাইজৰ কাৰণে এক প্ৰকাৰ অত্যন্ত জৰুৰী হৈ পৰিছে। যোৱা বাৰ ৫টা বানপানী হৈ গল। কিন্তু দেখা গল যে বানপানীক লৈ ৰাজনীতি কৰা হল। অসমত যোৱাবাৰ বানপানীৰ সময়ত যেতিয়া হাহাঁকাৰ হৈছিল সেই সময়ত বিভিন্ন ৰাজনৈতিক নেতাসকলে বিশেষকৈ প্ৰধান মন্ত্ৰীয়ে অসমত ৰাজনীতি কৰি গল। ৰাজ্য চৰকাৰে যোৱাবাৰ বানপানীত যিমান খতি হৈছিল ৰাইজক সেই মতে সাহাৰ্য্য দিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত যিমান টকা দাবী কৰিছিল সিমান টকা নিদিলে মাত্ৰ কেন্দ্ৰীয় চৰকাৰে ৮৫ কোটি টকাহে মঞ্জুৰ কৰিলে। অসমত যোৱা বছৰ যি বিলাক বানপানী হৈ গল সেই বিলাক যদি কেৱল এ, জি, পি, চৰকাৰৰ কাৰণেহে হৈছিল তেতিয়াহলে তাত মোৰ কবলগীয়া একো নাই। কাৰণ অসমত বানপানী হলে দিল্লী আছে, অসম চৰকাৰে নিদিলে কেন্দ্ৰীয় চৰকাৰ আছে, তেওঁলোকে কিবা কৰিব বুলি আশা কৰিব পাৰো। কিন্তু কথা বিলাকত যেতিয়া ৰাজনৈতিক ৰং সানি কেন্দ্ৰীয় চৰকাৰে দায়িত্ব পালন নকৰিলে বৰ দুখ লগা কথা হয়। অসমত বানপানী অকল অসমীয়া মানুহৰ কাৰণেই নহয়। আমি বাৰে বাৰে কৈ আহিছো যে অসমৰ বানপানীৰ সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা হিচাবে গণ্য কৰিব লাগে। যি সময়ত অসমত বানপানীৰ কাৰণে হাহাঁকাৰ হৈছিল সেই সময়ত কেন্দ্ৰীয় চৰকাৰে অসমলৈ সাহাৰ্য্য পঠোৱা নাছিল কিন্তু বাংলাদেশত বানপানী হোৱাৰ কাৰণে তালৈ অপৰ্য্যাপ্ত সাহাৰ্য্য বস্তু এৰোপ্লেনেৰে লৈ গৈছিল। পৃথিবীৰ অন্যান্য ৰাষ্ট্ৰ বিলাককো তেওঁলোকৰ দুৰ্য্যোগৰ সময়ত ভাৰতে সহায় কৰিব লাগে সেইটো কথা আমি মানো। কিন্তু নিজৰ ঘৰত খাবলৈ নাইকীয়া অৱস্থাত লোকক সহায় কৰাৰ নীতি আমি কোনো ৰকমেই মানি লব নোৱাৰো। বিশেষকৈ অসমীয়া মানুহৰ অৱস্থাৰ কথা চিন্তা কৰি কিবা বিশেষ সাহাৰ্য্য ব্যৱস্থা লোৱাটো অনুভৱ কৰিছিলো।

---

* Speech not corrected.

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বানপানীক লৈ যি দৰে কেন্দ্ৰীয় চৰকাৰে ৰাজনীতি কৰিলে সেই দৰে স্থানীয় এ, জি, পি, চৰকাৰেও ৰাজনীতি কৰিলে। আমি যি বিলাক বিৰোধী পাৰ্টিৰ সদস্য আছিলো সেই সকলৰ সমষ্টিটো বান পানী হৈছিল। মোৰ সমষ্টিৰ বানপানী হৈ ৰেললাইন উঠাই লৈ গৈছিল। ইমান বানপানী হোৱাৰ পিচতো মোৰ সমষ্টিত কোনো সাহায্য দিয়া হোৱা নাছিল। মই এম, এল, এ, হোৱাৰ পিচত মোৰ সমষ্টিৰ বান নিয়ন্ত্ৰণৰ কাৰণে কেইটামান পৰামৰ্শ দিছিলো। মোৰ সমষ্টিৰ গোসাইগাওঁ অঞ্চলত বান নিয়ন্ত্ৰণৰ কাম এটাও হোৱা নাই। ৰঙীয়া নদীয়ে প্ৰত্যেক বছৰেই এই কেইখন গাওঁ ক্ষতিগ্ৰস্ত কৰি আহিছে। সেই গাওঁ কেইখন হৈছে তুৰাৰাৰী, পাটাকুটা, মুকুলদাং, মাতুলদাং, এলেংমাৰী, মুচলমানপুৰ, বলদিয়াবিল, লুচুটবিল আৰু ৰাইগানৰাৰী। এই কেইখন গাওঁৰ ৰক্ষণা বেক্ষণৰ কাৰণে কোনো ব্যৱস্থা লোৱা হোৱা নাই। এই গাওঁ বিলাকৰ প্ৰায় আধা আধা খহাই লৈ গৈছে। আৰু এখন মোৰ সমষ্টিত নদী আছে। সেইখন হৈছে জুৰুটেলা নদী। এই নদীয়ে উত্তৰ জুৰুটেলা বজাৰৰ আধা অংশ খহাই লৈ গল। অলপতে এটা কথা শুনিলো যে এই ঠাইত কিবা এটা আঁচনি লোৱা হৈছে। মই জানিবলৈ বিচৰাত কলে যে এইটো আচঁনি এম, এল, এৰ কাৰণে লোৱা হোৱা নাই এই আচঁনি ৰাইজৰ দাবীৰ কাৰণেহে লোৱা হৈছে। মই এটা কথা শুনি ভাল পাইছো যে যাৰ কাৰণেই লোৱা নহওক লাগিলে ৰাইজৰ কামটো হলেই হল। এই নদীৰ দ্বাৰা ক্ষতিগ্ৰস্ত গাওঁ কেইখন হৈছে অৰুটেলা বাজাৰ, আজুদ্দিন, কৈমাৰী, সাউটমাৰী, কমলসিং, কগৰাগাওঁ, থাৰিবাৰী আৰু নতুনপাৰা। এই কেইখন গাৱৰ ৰক্ষণা বেক্ষণৰ ব্যৱস্থা কৰিব লাগে। এটা ডাঙৰ কথা হৈছে যে তাত এটা ডাঙৰ বান্ধ আছিল। যিটো বান্ধ এতিয়া নাইকীয়া হৈ গল। সেই বান্ধটো আগৰ চৰকাৰৰ দিনতে বহুত চেষ্টা কৰি বন্ধা হৈছিল। এতিয়া কথা হৈছে যে বানপানী নোহোৱাকৈয়ে এই বান্ধটো কলৈ গল? বান্ধটো বানপানী হোৱাৰ আগতেই ধ্বংস হৈ গল। মই জনাত এই বান্ধটো অতি লাগতিয়াল বান্ধ আছিল। প্ৰায় ৭৫ লাখ টকা খৰচ কৰি এই বান্ধটো বন্ধা হৈছিল। এই বান্ধটো সম্পূৰ্ণ নষ্ট কৰিলে। আন্দোলনৰ সময়ত কোনোবা আন্দোলনকাৰীয়ে এই বান্ধটো নষ্ট কৰি পেলালে। আৰ চি চি পাৰ ভাঙি ৰডবিলাক উঠাই লৈ গল। এতিয়া বানপানী আহিছে। বানপানী আহিলে এই অঞ্চলটো

ৰক্ষা কৰিব পৰা নাযাব।

গতিকে এই বান্ধটো অতি সোনকালে মেৰামতি কৰিব লাগে। যদি মেৰামতি কৰিব নোৱাৰে আৰু বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী যাব নোৱাৰে তেনেহলে চিনিয়ৰ অফিচাৰে ভিজিত কৰিব লাগে। এইবাৰ বানপানী আহিলে গোচাইগাওঁ টাউনেই নহয় উত্তৰ অঞ্চলৰ বহুতো গাওঁ ধ্বংস হব। আগতে এনে খবৰৰ ঘটনা বা সাধাৰণ কিবা এটা হলে মন্ত্ৰী বা উচ্চ পৰ্য্যায়ৰ বিষয়াই ভিজিত কৰিছিল। কিন্তু এই চৰকাৰৰ দিনত দেখা নাই। ইমান লক্ষ টকা খৰচ কৰি বান্ধ নিৰ্মাণ কৰিছে, কিন্তু ধ্বংস হৈ গৈছে। গতিকে মই অনুৰোধ কৰিছো এইবিলাক চাবলাগে। বহুতো অফিচাৰে কোকৰাঝাৰ জিলালৈ যাব বুলি ভাবিলে ভয় কৰিছে। বৰ্ত্তমান কোকৰাঝাৰ জিলাত যি পৰিস্থিতি চলি আছে সেই পৰিপ্ৰেক্ষিতত উন্নয়ন মূলক কামৰ বাবে দাবী কৰাটো যুক্তিসংগত হোৱা নাই। কিন্তু বান্ধ বন্ধা বা মথাউৰি মেৰামতি আদি কৰা কামত সোমাই যাব পাৰে। গতিকে এইবিলাক কথা চিন্তা কৰি ভিলেজ প্ৰটেচকনৰ কাম কৰিব লাগে। কোকৰাঝাৰ জিলাত বান নিয়ন্ত্ৰণ বিভাগত অফিচাৰ আছেনে নাই নাজানো। বান নিয়ন্ত্ৰণ বিভাগত অফিচাৰ দেখা নাপাও। বানপানী হলে ৰাইজে আশা কৰে যে অফিচাৰ আহি আমাৰ খবৰ কৰক। তেওঁলোকে মনত শান্তি পায়। কিন্তু অভিজ্ঞতাত বান নিয়ন্ত্ৰণ বিভাগত কোনো অফিচাৰ নাপায়। পৰিস্থিতি বেয়া হোৱা বাবে কোনো অফিচাৰ ম'ভ নকৰে। এজন কাৰ্য্যবাহী অভিযন্তা আছে বুলি শুনিছো দেখা পোৱা নাই। তেওঁৰ তিনি বছৰৰ ওপৰ হল। মাজতে বদলি হোৱা বুলি শুনিলো। নতুন জন পষ্টিং কৰা বুলি শুনিছো দেখা পোৱা নাই। তেওঁ জইন কৰা নাই। মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিলো তেওঁকে ৰখাৰ ব্যৱস্থা কৰক। বৰ্ত্তমানৰ কাৰ্য্যবাহী অভিযন্তাই কলে যে, তেওঁৰ বদলি তেওঁৰ ওপৰত নিৰ্ভৰ কৰে। বিৰোধী পক্ষৰ এম, এল, এই কি কৰিব নোৱাৰো নাই কিন্তু এনেদৰে বিমাৰ্ক পাচ কৰাটোও ভাল কথা নহয়। দেখা গৈছে ট্ৰেন্সফাৰ পষ্টিং অফিচাৰৰ ইচ্ছামতে হয়। মাচিয়াহৰ পিছতে তেওঁ যোৱাৰ কথা। কাম কাজ বিলাকো ইচ্ছা মতে কৰি আছে। পাটগাওঁৰ ওচৰত গৌৰাঙ্গ নদীৰ বেষ্টত্ৰো ৰক্ষা কৰাৰ বাবে যোৱা বছৰতে আচনি লোৱা হৈছিল। কিন্তু বিত্তীয় বছৰৰ যিটো এল'কেশ্যন আছিল সেইটোৰে কোনো নতুন বন্ধ নিকিনাকৈ কামটো ওলট-পালট কৰা হল। তাতে

কিনা বল্ডাৰকে ব্যৱহাৰ কৰিলে। মাত্ৰ লেবাৰ খৰচটো কৰি এই বাম সম্পূৰ্ণ কৰা হৈছে। অফিচাৰে ইচ্ছামতে কাম কৰাত আমাৰ আপত্তি নাই। মাত্ৰ কামটো ভাল হব লাগে। গতিকে বান নিয়ন্ত্ৰণ হৰনে নহয় কব নোৱাৰিলো। গতিকে এইটো তদন্ত কৰি চাব লাগে। এইবিলাক অতি দুখৰ কথা। যোৱা ৩ বছৰে মোৰ সমষ্টি গোসাইগাৱঁত কোনো কাম হোৱা নাই। বানপানী এৰিয়াৰ আমি এটা লিষ্ট দিছিলো। তামাৰহাটৰ বাবে ৭ লাখ টকা আৰু ডেমডেমৰ বাবে ১২ লাখ টকা দিয়া হৈছিল। আজিলৈকে কোনো কাম নহল। গতিকে যদি কোকৰাঝাৰ অসমৰ ভিতৰত হয়, আৰু গোসাইগাওঁ চাব ডিভিজনটো অসমৰ ভিতৰত হয় তেতিয়া হলে ৰাজ্যিক চৰকাৰে লোৱা বিভিন্ন আঁচনি বিলাকৰ এল'কেশ্যন দিয়াৰ বাবে দাবী জনালো। আন এটা কথা হৈছে যে, অসমত ৯২ খন উত্তৰ বাহিনী আৰু দক্ষিণ বাহিনী নদী আছে। এই সকলো বিলাক নদী টি, এচ, পি এৰিয়াৰ মাজেদি বৈ আহিছে। ভাৰত চৰকাৰৰ ওচৰতো এই টি, এচ, পি এৰিয়াৰ নদী বিলাক লোৱাৰ বাবে অনুৰোধ জনাইছিলো। তাৰোপৰি অফিচাৰ সকলে কয় যে, টি, এচ, পি এৰিয়াৰ নদীৰ বাবে শতকৰা কিবা এটা পাব লাগে সেইটো পোৱা নাই। আই নদীও টি, এচ, পি এৰিয়াৰ মাজেদি ওলাই আহিছে অথচ বান নিয়ন্ত্ৰণ বিভাগৰ পৰা টি. এচ, পিৰ বাবে কোনো এল'কেশ্যন নাই। আচলতে বান নিয়ন্ত্ৰণ বিভাগে ব্ৰহ্মপুত্ৰৰ পাৰ বিলাক হোৱাই নোহোৱাই কৰি টকা শেষ কৰি দিয়ে। আই নদী যদি কণ্ট্ৰল কৰা নহয় তেনেহলে ব্ৰহ্মপুত্ৰ কেনেকৈ কণ্ট্ৰল হব? ব্ৰহ্মপুত্ৰৰ পাৰ বান্ধি লাভ নহব। অসমত বানপানী হবই। সম্পূৰ্ণভাৱে কণ্ট্ৰল কৰা সম্ভৱ নহয়। বান পানীৰ বাবে যিবিলাক সমস্যা আছে সেইবিলাক সমস্যা ভাৰত চৰকাৰে জাতীয় সমস্যা হিচাবে গ্ৰহন কৰিব লাগে। এই কথাটো আমি বিভিন্ন ৰাজনৈতিক দলৰ ফালৰ পৰা ভাৰত চৰকাৰৰ ওচৰত দাঙি ধৰিব লাগিব। অসমত যিহেতুকে বানপানী হয়, গতিকে এই বানপানীক কি হিচাবে ব্যৱহাৰ কৰিব পাৰি, কেনেকৈ এই বানপানীতে বসবাস কৰিব পাৰি এই কথা চিন্তা কৰিব লাগিব। ১৯৭২ চনতে মাননীয় সদস্য শৰৎ সিংহ ডাঙৰীয়াই কৈছিল যে, আমি বানপানীৰ লগত সহবাস কৰিব। আমিও শুনিলো। কথাটো নিগেটিভ এপ্ৰচ বুলি ভাবিছো। আৰু তেতিয়া গৌৰী শংকৰ ডাঙৰীয়াই কৈছিল যে, এই কথাবিলাক কামত নাহে। গতিকে বানপানী হব আৰু এই বানপানীৰ লগত কেনেকৈ একেলগে

থাকিব লাগিব সেই বিষয়ে চিন্তা কৰিব লাগিব।

তাৰ পিচত যিটো ৰেইজৰ কথা কোৱা হৈছে, সেইটো বহুতে কৰা নাছিল। কিন্তু আমাৰ মন্ত্ৰী শ্ৰীগনেশ কুটুম ডাঙৰীয়াই এই স্কীমটো একচেপ্ট কৰাৰ আগতে তেখেতে নিজে নিজৰ সম্পত্তিত ৰেইজ কৰি পেলাই বহুতো ৰাই-জক ৰক্ষা কৰিলে। এই নীতি বিভিন্ন ঠাইত লৈছে আৰু ভাৰত চৰকাৰেও তাক স্বীকাৰ কৰি লৈছে। মই অলপতে কাজিৰঙালৈ গৈছিলো তাতো ৰেইজ প্লেট ফৰম কৰিছে। সেইটো দেখি ভাল লাগিল। আমাৰ ঠাইতো তেনেকুৱা কৰিব পাৰিলে ৰাইজ বহুতো উপশম হব বুলি আশা কৰিব পাৰি। যি-বিলাক পুৰণা গাওঁ আছে তাত ৰাইজৰ অসম্ভৱ ক্ষতি হৈছে। অৱশ্যে এইটো নৰ্‌দান বেল্টত বেচি। বৰষুণৰ পিচত পানী কৰচেদি আহি ইৰ'চেন সৃষ্টি কৰে। গতিকে তাৰ প্ৰতিৰোধ পাৰ বিলাক ৰক্ষা কৰিবৰ কাৰণে চিন্তা কৰিব লাগে।

শ্ৰীযোগেন্দ্ৰ বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান বক্তব্য ৰাখিব বিচাৰিছো। আজি যিটো ডিমাণ্ড নাম কোৱা হৈছে সেইটো বৰ মাৰাত্মক। 'ফ্লাড-কনট্ৰল'। 'ফ্লাড কনট্ৰল' মিনিষ্টাৰে এইটো কনট্ৰল কৰা সম্ভৱ নহয়? এইটো কৰা অসম্ভৱ। কাৰণ কোনো মানুহে বানপানী কনট্ৰল কৰিব নোৱাৰে। কাৰণ ফ্লাড হলে ঈশ্বৰে কনট্ৰল নকৰিলে আনে কৰা সম্ভৱ নহয়। ঈশ্বৰৰ অনুদান তাক বন্ধ কৰা সম্ভৱ নহয়। ফ্লাড কনট্ৰলৰ মঞ্জুৰী দাবী কৰিছে সেইটো যদি কনট্ৰল কৰিব পাৰে, তাক যদি সদব্যৱহাৰ কৰিব পাৰে তেতিয়াহলে তাক কনট্ৰল হব বুলি ভাবো। কথা ফ্লাড ৰাসিকল ফ্লাড কনট্ৰল মিনিষ্টাৰৰ লগত অলপ সম্বন্ধ আছে। যোৱা বছৰ ফ্লাড কনট্ৰল মিনিষ্টাৰজন পাহাৰীয়া মানুহক দিছিল। এই পাহাৰীয়া মানুহজনক দিয়াৰ কাৰণেই নেকি যোৱাবাৰ ৫বাৰকৈ বানপানী হৈছিল। এই পাহাৰীয়া মানুহজনক দিয়াৰ কাৰণে, মিনিষ্টাৰ দিয়াৰ কাৰণে কাহানিও ক'তো নোহোৱা ঠাইত বানপানী সৃষ্টি হৈছিল, বানপানী নোহোৱা ঠাইতো পানী হৈছিল। আমি কোনো দিনে ক'তো কোনো অঞ্চলত নোহোৱা ঠাইত বানপানী হোৱা দেখিছিলো। মোৰ সমষ্টিৰ কথাকে কব খুজিছো। আমাৰ ঠাইত কোনো দিনে এনেকুৱা হোৱা দেখা নাছিলো। মোৰ

ঘৰৰ ওচৰতে আইনদী নামৰ এখন নদী আছে তাত মাৰাত্মক ধৰণে বান-পানী হৈ ৰাইজৰ যিলৈ বিপত্তি লোৱা কৰিলে। ১৩ খন গাঁৱৰ ঘৰ দুৱাৰ নিশেষ কৰি দিলে। আমাৰ বিগত দুজন মন্ত্ৰীৰ আগৰ মন্ত্ৰীৰ ঘৰ দুৱাৰ মাটি-বাৰী নাইকীয়া হৈ গল। তাৰে এজন হৈছে ল্যুইছ ইচলাৰী আৰু আনজন হৈছে শ্ৰীউত্তম ব্ৰহ্ম। তেওঁলোকৰ ঘৰৰ অৱস্থা এনেকুৱা কৰিলে যে বিশেষকৈ ল্যুইছ ইচ্‌লাৰীৰ ঘৰৰ মাটি নাইকিয়া কৰিলে য'ত নেকি মৰা শ'টো পুতিবৰ কাৰণেও মাটি নেপাব। ৰাকী এই ১৩ খন গাঁৱৰ নাম মই পঢ়ি দিছো— বুৰিঝাৰ, এপুঅলি, খনিবুহৰ, দুৰ্গাপুৰ, ৰানীচন্দ্ৰী, নিলিবাৰী, দেবাবগাওঁ, দঙ্গাই-গাওঁ, ভিৰানগাওঁ, ভেহবাৰী, কাথৰিবাৰী, খগৰবাৰী, বৈমাৰী। বিশেষকৈ মাখন বসুমতাৰী আৰু থিবেন ব্ৰহ্মৰ ৪০ বিঘা মাটি শেষ। কি অৱস্থাত আছে সেইটো আমি কব নোৱাৰো। এক ফুটা ধানো নাই। আই-নদীয়ে গোটেই খেতি পথাৰ নষ্ট কৰিছে। তাক আজিলৈকে নিৰাপত্তাৰ কাৰণে একো ব্যৱস্থা লোৱা নাই। যোৱা বছৰ আমি মন্ত্ৰী মহোদয়ক লগ ধৰিছিলো আৰু এটা কমিটি কৰিছিলো এই আইনদীক প্ৰটেকচন দিয়াৰ বাবে কৈছিলো। তেখেতে চেক্ৰেটৰীক অৰ্ডাৰ লিখি দিছিল ইয়াৰ ব্যৱস্থা লোৱাৰ বাবে। এই আক্ৰান্ত অঞ্চল বিলাক ভেবভেৰী, লেংচঙৰ পৰা পুণৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হৈছিল। আজি এই বানপানীৰ পৰা মানুহ বাচি থকা উপায় নাই। গতিকে মানুহে গতি সলাই ফৰেষ্টত গৈ সোমাইছিলগৈ। মই কব বিচাৰিছো যে মিনিষ্টাৰে 'ফ্লাড' কনট্ৰল কৰিব নোৱাৰে। আজি যিবিলাক ঠাইত বানপানী হয়, য'ত খেতি পথাৰ নষ্ট কৰে, সেইবিলাকক নিৰাপত্তা দিবৰ কাৰণে মিনিষ্টাৰৰ টকা কনট্ৰল ক্ষমতা আছে আৰু সেই ফালৰ পৰাই মিনিষ্টাৰক অনুৰোধ কৰিছো যে বানপানী অহাৰ আগতে যিখিনি প্ৰয়োজনীয় কাম সেইখিনি যাতে সম্পূৰ্ণ কৰে। আজি আমাৰ কোকৰাঝাৰ অঞ্চলত ডিষ্টাৰ্ভ হৈ আছে। তাতো অফিচাৰ গলে ৰাইজে তেখেতসকলক সহায় কৰিব। অফিচাৰে সেইখিনি বান নিয়ন্ত্ৰণৰ কামত আগবাঢ়ি গলে নিশ্চয় সহায় কৰিব। গতিকে এইখিনি ক্ষেত্ৰত ৰাইজৰ যথেষ্ট সহায়ক হব বুলি ভাবো। কাৰণ ইয়াৰ আগতে যেতিয়া আই-নদীয়ে গতি সলাইছিল তেতিয়া ৰাইজে নিজে গুলাই আহি ভেটা দিছিল। শিল, পাথৰ বা অন্যান্য যি আছিল সেইবিলাক নিজে দি মেলি গতিৰোধ কৰা আমি দেখিছিলো। আমাৰ নদী বিলাকৰ খৰস্ৰোতা ইমান বেচি যে

তাক কল্পনা কৰিব নোৱাৰি। কিয়নো পাহাৰৰ পৰা ওলাই আহিয়েই নদী বিলাকে প্ৰবল গতি কৰে। তাক প্ৰতিৰোধ কৰাৰ সম্ভৱ নহয়। গতিকে শুকান বতৰতে এই ব্যৱস্থাৰ বাবে ৰিমেডি উপকাৰত আহিব বুলি ভাবো। আৰু এই শাখাটোৱে দঙ্গাইগাৱৰ চুইচ গেটটো নষ্ট কৰি দিছে। এই চুইচ গেট্‌টো নষ্ট কৰাৰ ফলত মানুহৰ খেতি কৰিবৰ কাৰণে জলসিঞ্চনৰ একো ব্যৱস্থা নাই। ইয়াৰ বাহিৰেও খানামাক্ৰাৰ ই এণ্ড দি বিভাগটোৱে যৎপৰোনাস্তি চেষ্টা কৰি কাম কৰিলে উপকাৰত আহিব বুলি মই ভাবো।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও মই কানামাক্ৰাৰ কথা কব খুজিছো। ই এণ্ড দি বিভাগে কাম কৰিছে পূব ফালে কিন্তু পশ্চিম ফালে থকা বজাৰখন নোহোৱা হৈ গল। আগৰ বছৰত ইয়াৰ কাৰণে টকা দিয়া হৈছিল— ঠিকা কাক দিলে কব নোৱাৰো, স্থানীয় দেৱানী আছে, চাব কনট্ৰেক্ট দিয়া হয়, ২ ট্ৰাক শিল পেলাই কাম শেষ কৰি বিল লৈ ঠিকাদাৰ গুছি গ'ল কিন্তু আমগুৰি বজাৰখন শেষ হৈ গল। ইয়াৰ ৰক্ষণাবেক্ষণৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। উপাধ্যক্ষ মহোদয় পূৰ্ব্বতে এই সদনত প্ৰাইভেট ৰিজনেচ এটা অনা হৈছিল যে ব্ৰহ্মপুত্ৰ আৰু উপনৈবোৰ নিয়ন্ত্ৰণ কৰিবৰ কাৰণে বিদেশী ৰাষ্ট্ৰৰ লগত যোগাযোগ কৰি এটা কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি। বান নিয়ন্ত্ৰণৰ নামত আমি এবাৰ বিধান সভাৰ সৰ্ব্বদলীয় পাৰ্টি গৈ দিল্লীত অধিক টকা দিবলৈ দাবী কৰিছিলো— কিন্তু কামত একো নহল। এই উপনৈ সমূহ আগতে যিমান দ হৈ আছিল আজি আৰু সিমান দ হৈ থকা নাই, ই বাম হৈ গৈছে— নদীবোৰে গড়াখহনীয়াৰ সৃষ্টি কৰি নদীৰ বুকুবোৰ শিল, বালি, পলস পেলাই বাম কৰি নিছে— ফলত এজাক বৰষুণ দিলেই নদীত বানপানী উঠে। আই নদী আৰু কানামাক্ৰাৰ বুকু আজি অতি বাম হৈ গৈছে এজাক বৰষুণতে নদীৰ পানী চপচপীয়া হৈ পাৰৰ খেতি পথাৰ নষ্ট কৰে। আজি আই নদীয়ে যি ১৩ খন গাৱঁৰ অনিষ্ট সাধন কৰিছে, পুনৰ এইবাৰ বানপানী অহাৰ আগে আগে এই গাওঁকেইখন ৰক্ষা কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। এই বিষয়টো লৈ মই কোকৰাঝাৰৰ কাৰ্য্যবাহী অভিযন্তাসহ বিভাগীয় সচিৰক লগ কৰিছো। ইয়াৰ কাৰণে যিখিনি টকা বিভাগে দিছে সেয়া যথেষ্ট নহয়, কিন্তু কাৰ্য্যবাহী অভিযন্তাই সেই টকাৰেই কাম কৰিব পাৰিম বুলি

কৈছে— কি কাম কৰিব তেওঁহে জানিব। ইয়াৰ কাৰণে অধিক টকা দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

( সদনত থ'লৰ অভাব )

পুনৰ সংস্থাপনৰ বিষয়টো যদিও এই বিভাগৰ মন্ত্ৰীৰ নহয়, তথাপি, উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই ১৩ খন গাওঁৰ ৰাইজক ধান আহিলে পুনৰ সংস্থাপনৰ মুখলৈ ঠেলি নিদিয়ে— অৰ্থাৎ বানপানীৰ পৰা ৰক্ষা কৰিব লাগে, যাতে তেওঁলোক সংস্থাপনৰ সন্মুখীন হবলগীয়া নহয়। আগৰ বানপানীৰ দুৰ্যোগত ভোগা সকলক চৰকাৰে পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা লৈছে যদিও সি আজিলৈকে সম্পূৰ্ণ কৰিব পৰা নাই। আৰু এটা কথা বানপানীৰ সময়ত যি ধৰণে ৰিলিফ আৰু উদ্ধাৰ কাৰ্য্য দুৰ্গত লোকসকলে পাব লাগে সেইদৰে পোৱা নাই। ( সময় সংকেত )। বানপানীৰ পিচতে হোৱা ৰেমাৰ আজাৰৰ কাৰণে প্ৰয়োজনীয় ডাক্তৰ, ঔষধ ইত্যাদি নাপায়। প্ৰয়োজনতকৈ কোকৰাঝাৰ জিলাত ডাক্তৰ বহুত কম আছে। এইবোৰ কথাৰ প্ৰতিও মন্ত্ৰী মহোদয়ে দৃষ্টি দিব লাগে। মুঠতে এই ১৩ খন গাওঁ আই নদীৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ মই পুনৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱ উৎথাপন কৰি বান নিয়ন্ত্ৰণ বিভাগৰ বিষয়ে চমুৱাই কেইটামান কথা উৎথাপন কৰিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, বানপানী বন্ধ কৰাটো অসম্ভৱ কথা। বানপানী কমাব পাৰিনেকি, বানপানীৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব পৰা বিষয়টোৰ ওপৰতহে চিন্তা কৰিবলগীয়া হৈছে। আমাৰ ৰাজ্যৰ বাজেটৰ পৰা যি পুজি ইয়াৰ কাৰণে ধাৰ্য্য কৰা হয় সি অতি তাকৰীয়া। সেয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বান নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ ওপৰত দিব লাগে। কেন্দ্ৰীয় চৰকাৰে এই দুটা উপত্যকাৰ নদী নিয়ন্ত্ৰণৰ দায়িত্ব যদি নলয় তেন্তে এই ৰাজ্য খনৰ জনসাধাৰণৰ দুৰ্দ্দশা নকমে বৰঞ্চ বাঢ়ি থাকিব। আমাৰ ইয়াৰ নদীবোৰ ওখ হৈ আহিছে। যিবোৰ ঠাইৰ পৰা এই নদীবোৰ ওলায় অসমৰ মাজেৰে বৈ গৈছে সেইবোৰ ঠাইত গছ-গছনি সকলো কাটি শেষ কৰি দিয়া হৈছে।

চৰকাৰেও গছ কাটিবলৈ পাৰ্মিট দিয়ে আৰু ব্যক্তিগত লোকেও দুপইচা ঘটাৰ মনেৰে গছ-গছনি কাটি শেষ কৰিছে। ইয়াৰ ফলত নদীত যি পানী আছে বুলি আমি ভাবো সি আচলতে পানী নহয় তাত বালি, বোকা ইত্যাদি মিহলি হৈ বৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, শদিয়াৰ কুণ্ডিল নদীত দেখিলো যে, তাত পানী বৈ আছে যেন লাগে কিন্তু আচলতে পানী নহয়। বোকা আদিয়েই পানীৰ নিছিনা হৈ বৈ আছে। সেইবিলাক বোকা পানীৰ পৰা আমাৰ নদীবিলাকৰ তলি বিলাক বাম হৈ পৰে। ফলত খৰালি কালত তাত নাওঁ নচলে। টানি-টানিহে নাওঁ নিবলগীয়া হয়। পানীৰ পৰিমানৰ লগত বালি মাটিৰ পৰিমাণ ক্ৰমান্বয়ে বাঢ়ি গৈ আছে। সেইবোৰ ব্ৰহ্মপুত্ৰ নদীৰ তলিত পৰি ক্ৰমান্বয়ে বাম হৈ গৈ আছে। অকল ব্ৰহ্মপুত্ৰ নদীয়েই নহয়, তাৰ শাখা নদী, উপনদী, বিলাকৰ তলিও বাম হবলৈ ধৰিছে কিয়নো অকল ব্ৰহ্মপুত্ৰয়েই তাৰ ভাৰ সহিব নোৱাৰা হৈছে। সেই কাৰণেই এজাক বৰষুণ দিলেই বানপানীহে পৰে। আগৰ দৰে আৰু বেছি পানী হোৱাৰ আৱশ্যক নকৰে। যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ তলি খন দ কৰিব পৰা নেযাব তেতিয়ালৈকে অসমত বানপানীৰ সমস্যাৰ সমাধান হব নোৱাৰে। বৰং বানপানীৰ সমস্যা ক্ৰমান্বয়ে বাঢ়িহে যাব। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, এইবাৰ বানপানী নহবঁ। কিন্তু এইবাৰ বৰষুণ হলে যোৱা বছৰতকৈ এইবাৰ বেছিহে বানপানী হোৱাৰ সম্ভাৱনা। সিদিনা কেইজাক-মান বৰষুণ দিওতেই দেখিলো ভয়ানক অৱস্থা। পানী বৈ যাবলৈ ঠাইৰ অভাৱ হৈছে। গাওঁ—নগৰ, চহৰ ইত্যাদি সকলোতে কৃতিত্ব বানপানীৰ সৃষ্টি হৈছে। ৰৰষুণৰ পানী ওলাই যোৱাৰ কাৰণে বাট নেথাকে। উন্নয়ণ মূলক কাম-কাজ বিলাক বাঢ়ি যোৱাৰ লগে-লগে, ৰাস্তা-ঘাতৰ সংখ্যা বাঢ়ি যোৱাৰ লগে-লগে পানীৰ স্বাভাৱিক গতিত বাধা পৰাতো স্বাভাৱিক। আগতকৈ গাওঁ অঞ্চলতো পানী ৰদ্ধ হোৱা অঞ্চলৰ সংখ্যা বাঢ়ি গৈছে। নতুনকৈ ৰাস্তা বন্ধা হৈছে, 'এন, আৰ, ই, পি' স্কীমত ৰাস্তা ৰান্ধিছে, পঞ্চায়তে ৰাস্তা বান্ধিছে। কিন্তু সেই ৰাস্তাবিলাকৰ মাজেদি আবদ্ধ পানী ওলাই যোৱাৰ কাৰণে সু-পৰিকল্পিত ভাৱে যি ৰিলাক কালভাৰ্ট আদি বান্ধিব লাগিছিল সেই বিলাক বন্ধা নাই। ফলত কিছুমান ঠাইত ৰাস্তা বান্ধি যোৱাৰ থিক পিছতে সেই ৰাস্তা আকৌ কাটিব লগীয়া হৈছে পানী উলিয়াই দিবৰ কাৰণে। আন নেলাগে মোৰ

ঘৰৰ ওচৰতে আইনদী নামৰ এখন নদী আছে তাত মাৰাত্মক ধৰণে বান-পানী হৈ ৰাইজৰ বিলৈ বিপত্তি নোহোৱা কৰিলে। ১৩ খন গাৱঁৰ ঘৰ দুৱাৰ নিশেষ কৰি দিলে। আমাৰ বিগত দুজন মন্ত্ৰীৰ আগৰ মন্ত্ৰীৰ ঘৰ দুৱাৰ মাটি-বাৰী নাইকীয়া হৈ গল। তাৰে এজন হৈছে ল্যুইছ ইচলাৰী আৰু আনজন হৈছে শ্ৰীউত্তম ব্ৰহ্ম। তেওঁলোকৰ ঘৰৰ অৱস্থা এনেবুৱা কৰিলে যে বিশেষকৈ ল্যুইছ ইচলাৰীৰ ঘৰৰ মাটি নাইকিয়া কৰিলে য'ত নেকি মৰা শ'টো পুতিবৰ কাৰণেও মাটি নেপাব। ৰাকী এই ১৩ খন গাৱঁৰ নাম মই পঢ়ি দিছো— বুৰিঝাৰ, এপুঅলি, খনিবুহৰ, দুৰ্গাপুৰ, ৰানীচন্দ্ৰী, নিলিবাৰী, দেবাবগাওঁ, দঙ্গাই-গাওঁ, ভিৰানগাওঁ, ভেহবাৰী, কাথৰিবাৰী, খগৰবাৰী, বৈমাৰী। বিশেষকৈ মাখন বসুমতাৰী আৰু থিৰেন ব্ৰহ্মৰ ৪০ বিঘা মাটি শেষ। কি অৱস্থাত আছে সেইটো আমি কব নোৱাৰো। এক ফুটা ধানো নাই। আই-নদীয়ে গোটেই খেতি পথাৰ নষ্ট কৰিছে। তাক আজিলৈকে নিৰাপত্তাৰ কাৰণে একো ব্যৱস্থা লোৱা নাই। যোৱা বছৰ আমি মন্ত্ৰী মহোদয়ক লগ ধৰিছিলো আৰু এটা কমিটি কৰিছিলো এই আই-নদীক প্ৰটেকচন দিয়াৰ বাবে কৈছিলো। তেখেতে চেক্ৰেটৰীক অৰ্ডাৰ লিখি দিছিল ইয়াৰ ব্যৱস্থা লোৱাৰ বাবে। এই আক্ৰান্ত অঞ্চল বিলাক ভেৰভেৰী, লেংচঙৰ পৰা পুণৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হৈছিল। আজি এই বানপানীৰ পৰা মানুহ বাচি থকা উপায় নাই। গতিকে মানুহে গতি সলাই ফৰেষ্টত গৈ সোমাইছিলগৈ। মই কব বিচাৰিছো যে মিনিষ্টাৰে 'ফ্লাড' কনট্ৰল কৰিব নোৱাৰে। আজি যিবিলাক ঠাইত বানপানী হয়, য'ত খেতি পথাৰ নষ্ট কৰে, সেইবিলাকক নিৰাপত্তা দিবৰ কাৰণে মিনিষ্টাৰৰ টকা কনট্ৰল ক্ষমতা আছে আৰু সেই ফালৰ পৰাই মিনিষ্টাৰক অনুৰোধ কৰিছো যে বানপানী অহাৰ আগতে যিখিনি প্ৰয়োজনীয় কাম সেইখিনি যাতে সম্পূৰ্ণ কৰে। আজি আমাৰ কোকৰাঝাৰ অঞ্চলত ডিষ্টাৰ্ভ হৈ আছে। তাতো অফিচাৰ গলে ৰাইজে তেখেতসকলক সহায় কৰিব। অফিচাৰে সেইখিনি বান নিয়ন্ত্ৰণৰ কামত আগবাঢ়ি গলে নিশ্চয় সহায় কৰিব। গতিকে এইখিনি ক্ষেত্ৰত ৰাইজৰ যথেষ্ট সহায়ক হব বুলি ভাবো। কাৰণ ইয়াৰ আগতে যেতিয়া আই-নদীয়ে গতি সলাইছিল তেতিয়া ৰাইজে নিজে ওলাই আহি ভেটা দিছিল। শিল, পাথৰ বা অন্যান্য যি আছিল সেইবিলাক নিজে দি মেলি গতিৰোধ কৰা আমি দেখিছিলো। আমাৰ নদী বিলাকৰ খৰস্ৰোতা ইমান বেচি যে

চৰকাৰেও গছ কাটিবলৈ পাৰ্মিট দিয়ে আৰু ব্যক্তিগত লোকেও তুপইচা ঘটাৰ মনেৰে গছ-গছনি কাটি শেষ কৰিছে। ইয়াৰ ফলত নদীত যি পানী আছে বুলি আমি ভাবো সি আচলতে পানী নহয় তাত বালি, বোকা ইত্যাদি মিহলি হৈ বৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, শদিয়াৰ কুণ্ডিল নদীত দেখিলো যে, তাত পানী বৈ আছে যেন লাগে কিন্তু আচলতে পানী নহয়। বোকা আদিয়েই পানীৰ নিছিনা হৈ বৈ আছে। সেইবিলাক বোকা পানীৰ পৰা আমাৰ নদীবিলাকৰ তলি বিলাক বাম হৈ পৰে। ফলত খৰালি কালত তাত নাওঁ নচলে। টানি-টানিহে নাওঁ নিবলগীয়া হয়। পানীৰ পৰিমানৰ লগত বালি মাটিৰ পৰিমাণ ক্ৰমান্বয়ে বাঢ়ি গৈ আছে। সেইবোৰ ব্ৰহ্মপুত্ৰ নদীৰ তলিত পৰি ক্ৰমান্বয়ে বাম হৈ গৈ আছে। অকল ব্ৰহ্মপুত্ৰ নদীয়েই নহয়, তাৰ শাখা নদী, উপনদী, বিলাকৰ তলিও বাম হবলৈ ধৰিছে কিয়নো অকল ব্ৰহ্মপুত্ৰয়েই তাৰ ভাৰ সহিব নোৱাৰা হৈছে। সেই কাৰণেই এজাক বৰষুণ দিলেই বানপানী হৈ পৰে। আগৰ দৰে আৰু বেছি পানী হোৱাৰ আৱশ্যক নকৰে। যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ তলি খনন কৰিব পৰা নেযাব তেতিয়ালৈকে অসমত বানপানীৰ সমস্যাৰ সমাধান হব নোৱাৰে। বৰং বানপানীৰ সমস্যা ক্ৰমান্বয়ে বাঢ়িহে যাব। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, এইবাৰ বানপানী নহব। কিন্তু এইবাৰ বৰষুণ হলে যোৱা বছৰতকৈ এইবাৰ বেছিহে বানপানী হোৱাৰ সম্ভাবনা। সিদিনা কেইজাক-মান বৰষুণ দিওতেই দেখিলো ভয়ানক অৱস্থা। পানী বৈ যাবলৈ ঠাইৰ অভাৱ হৈছে। গাওঁ—নগৰ, চহৰ ইত্যাদি সকলোতে কৃতিত্ব বানপানীৰ সৃষ্টি হৈছে। ৰৰষুণৰ পানী ওলাই যোৱাৰ কাৰণে বাট নেথাকে। উন্নয়ণ মূলক কাম-কাজ বিলাক বাঢ়ি যোৱাৰ লগে-লগে, ৰাস্তা-ঘাতৰ সংখ্যা বাঢ়ি যোৱাৰ লগে-লগে পানীৰ স্বাভাৱিক গতিত বাধা পৰাতো স্বাভাৱিক। আগতকৈ গাওঁ অঞ্চলতো পানী বন্ধ হোৱা অঞ্চলৰ সংখ্যা বাঢ়ি গৈছে। নতুনকৈ ৰাস্তা বন্ধা হৈছে, 'এন, আৰ, ই, পি' স্কীমত ৰাস্তা বান্ধিছে, পঞ্চায়তে ৰাস্তা বান্ধিছে। কিন্তু সেই ৰাস্তাবিলাকৰ মাজেদি আবদ্ধ পানী ওলাই যোৱাৰ কাৰণে সু-পৰিকল্পিত ভাৱে যি বিলাক কালভাৰ্ট আদি বান্ধিব লাগিছিল সেই বিলাক বন্ধা নাই। ফলত কিছুমান ঠাইত ৰাস্তা বান্ধি যোৱাৰ থিক পিছতে সেই ৰাস্তা আকৌ কাটিব লগীয়া হৈছে পানী উলিয়াই দিবৰ কাৰণে। আন নেলাগে মোৰ

মথাউৰি বিলাক দিয়াৰ পৰা কেনে ধৰণৰ হৈছে সেইটো বিজ্ঞানসন্মত ভাবে চালি-জাৰি চোৱাৰ আৱশ্যক হৈছে। মথাউৰি বিলাক বিজ্ঞান সন্মত ভাবে দিয়া হৈছে নে নাই ক'ৰবাত নদীৰ সমান হৈ আছে ক'ৰবাত নদীৰ পাৰৰ লগত মিলি আছে সেই বিলাক চাব লাগে। কাৰণ মথাউৰি বিলাক দিয়াৰ প্ৰায় বিশ বছৰ মান হ'ল কিজানি সেই কাৰণে লাহে লাহে চাপৰ হৈ থকাটো স্বাভাৱিক। আকৌ নদীৰ পাৰো উঠি আহিব পাৰে। সেই দুটা কাৰণ চোৱা চিতা কৰা দৰকাৰ হৈছে কাৰণ দক্ষিণ পাৰৰ উত্তৰ বাহিনী নদী আৰু উত্তৰ পাৰৰ দক্ষিণ বাহিনী নদী বৰ প্ৰৱল। সেই কাৰণে উত্তৰ পাৰৰ দক্ষিণ বাহিনী নদীৰ কাৰণে সমস্যা বৰ বেছি হৈ পৰে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰি কেনেকৈ চাৰ্ভে কৰিব লাগে আৰু ঠিক মতে চাৰ্ভে কৰা হৈছে নে নাই সেই বিলাক চাবলৈ প্ৰয়োজন হৈছে। আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী আগতে বান-নিয়ন্ত্ৰণ মন্ত্ৰী নাছিল কিন্তু গড়কাপ্তানী মন্ত্ৰী হৈ থাকোতে শুক্লা নদী চাবলৈ গৈছিল। কাঠৰ দলং এখনৰ খৰচ কিমান পৰিব সোধাত বহুত টকা পৰিব বুলি কৈছিল আৰু পিচত এল-পি স্কুল যিখন এষষ্টি হাজাৰ পয়ষষ্টি টকা দি তৈয়াৰ কৰা হ'ল সেই দলংখন শুক্লা নদীয়ে উটুৱাই নিলে। শুক্লা নদী ন-খাতা অঞ্চলত।

( ভইচ : তেতিয়া মন্ত্ৰী হান্সে আছিল )

পাহাৰৰ মানুহ ভৈয়ামৰ বানপানীৰ কথা কি বুজিব। বানপানী হৈছিল ভৈয়ামত কিন্তু মন্ত্ৰী হৈছিল পাহাৰৰ কিন্তু এতিয়া বানপানীও ভৈয়ামতে আৰু মন্ত্ৰীও ভৈয়ামৰ গতিকে অভিজ্ঞতাপুষ্ট লোক আৰু সেই অভিজ্ঞতাৰে কাম নিশ্চয় কৰিব পাৰিব। আৰু য'ত যেনেকৈ কৰিব লাগে কৰি দিব বুলি আশা ৰাখিছো। আই নদীৰ কথা আমাৰ মাননীয় সদস্য শ্ৰীজনেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই কৈ গৈছে। আই নদী প্ৰৱল কোৱাল। ৰাতিটোৰ ভিতৰতে ইফাল সিফাল কৰে। পাহাৰৰ পৰা বৈ অহা নদী ডাঙৰ ডাঙৰ গছ ভহাঁই লৈ আহে আৰু প্ৰতিবন্ধক হলেই আন ফালে বৈ যায়। গছ গছনি আৰু ডাঙৰ ডাঙৰ শিল আদি আনি গতিত প্ৰতিবন্ধক কৰে কাৰণেই আনফালে গতি কৰে। গতিকে বান নিয়ন্ত্ৰণ কৰিববলৈ হলে এই প্ৰতিবন্ধক বিলাক আঁতৰাই লোৱাৰ

ব্যৱস্থা কৰিব লাগে নহলে প্ৰতিবন্ধক বিলাক খুলি নিদিলে নদীয়ে গতি সলাই থাকিব ই সচা কথা। টকা পইচাৰ অভাৱৰ কথা ঠিক কিন্তু অসমৰ বানপানী সমস্য সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে মনোযোগ দিব লাগে। আমাৰ দুটাই মূল সমস্যা এটা হ'ল জনসংখ্যা বৃদ্ধি আৰু আনটো হ'ল বানপানী নিয়ন্ত্ৰণ। বানপানী নিয়ন্ত্ৰণৰ কাৰণে কোটি কোটি টকা খৰচ কৰা হৈছে কিন্তু কামত অহা নাই। আকৌ জনসংখ্যা বৃদ্ধি হোৱাৰ ফলতো নতুন নতুন ৰাজ-নৈতিক সমস্যাৰ উদ্ভৱ হৈছে। ৰাজনৈতিক প্ৰতিক্ৰীয়া আৰম্ভ হয়, সেই কাৰণে এই দুয়োটা সমস্যাৰ ওপৰত সঠিক ভাবে নজৰ ৰাখিব লাগে। জনসংখ্যা বৃদ্ধিৰ ফলত ল'ৰা ছোৱালীৰ শিক্ষা, স্কুললৈ যোৱা খৰচ, কাপোৰ কানি, চিকিৎসা আদি বিভিন্ন খৰচৰ মাত্ৰা বাঢ়ি যায়। বানপানীৰ লগতে নানান বিপদৰো সৃষ্টি হয় আৰু তাৰ ফলত চিকিৎসা, গৰু ম'হৰ চিকিৎসা খাদ্য আদি নানান সমস্যাৰ উদ্ভৱ হয়। ৰাস্তা পদুলি নষ্ট হয় গতিকে এই বিলাকৰ প্ৰতি অসম চৰকাৰ তথা ভাৰত চৰকাৰে চকু দিব লাগে।

(সময়ৰ সংকেত)

উপাধ্যক্ষ মহোদয়, আৰু দিঘলীয়াকৈ নকওঁ। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীফণীৰাম টায়েং : মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ বান-নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে ইয়াত যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ সমৰ্থনত দুটামান কথা কব বিচাৰিছো। আমাৰ অসমখন বানপানীৰ দেশ বুলি জনাজাত আৰু বানপানী নিয়ন্ত্ৰণৰ কথা আমি বহুত দিনৰ পৰাই বিধান সভাৰ মজিয়াত আলোচনা কৰি আহিছো। কিন্তু আজিকোপতি বাননিয়ন্ত্ৰণ কৰিব পৰা হোৱা নাই। বানপানী আহিয়ে আছে। আচলতে যদি কিবা এটা কৰা নহয় তেনেহলে আমাৰ ইয়াত কৰা আলোচনাবোৰৰ যেন কোনো মূল্যই নাথাকিব। এই দিশত বিধান সভাত কোৱা আৰু আলোচনা কৰা কথা বিলাক বিভাগীয় বাননিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে চাব লাগে আৰু সেই অনু-ৰূপে ব্যৱস্থা লব লাগে। বান সাহাৰ্য্যৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহাৰ্য্য

---

* Speech not corrected.

দিয়াৰ কথা আছিল আৰু আজি উত্তৰ দানৰ সময়ত বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ত উত্তৰ কিবা এটা আশা কৰিলো।

(থ্‌লৰ অভাৱত সদন স্থগিত হয়)

মাননীয় উপাধ্যক্ষ মহোদয়, আজি বৈজ্ঞানিক সভ্যতা প্ৰসাৰৰ সময়তো অসমত হোৱা প্ৰাকৃতিক এই সমস্যা বানপানীৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কোনো চকুত লগা কাম আমাৰ আগত দেখা নাই। বৈজ্ঞানিক আৱিস্কাৰ সমূহৰ দ্বাৰা সাম্প্ৰতিক দেশ চমক লাগিছে যদিও বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত কিন্তু কোনো বিশেষ ব্যৱস্থা আমাৰ চকুত পৰা নাই।

ভাৰত চৰকাৰে অসমৰ বানপানীৰ অবিহনে ৰাজনীতিৰ লগত খেলা কৰি আহিছে। অভিযন্তাবিলাকে মোক লগ ধৰি কৈছিলে চাৰ, আমি ইমান কষ্ট কৰি চাৰ্ভে কৰিলো ব্ৰহ্মপুত্ৰৰ পানী শতকৰা ৩৩ ভাগ আৰু দেহাং নদীৰ শতকৰা ১৭ ভাগ চাৰ্ভে কৰা হল। আজি অসমৰ ব্ৰহ্মপুত্ৰৰ বানপানীৰ সমস্যা থকা স্বত্বেও অসমত ৫০ ভাগ চাহ খেতি হয়। আজি কি দুখত অসমে দিহাং প্ৰজেক্ট উদ্যোগত কোটি কোটি টকাৰ ৰাস্তা আছে যদিও ভাৰত চৰকাৰে কাৰ্য্যকৰী কৰা নাই। জনসাধাৰণৰ জীৱনৰ লগত খেলা কৰা কাৰণে কৰা হৈছে এইটো বৰ দুখৰ বিষয়। বানপানীক ৰক্ষা কৰিবৰ কাৰণে মথাউৰি বন্ধা, খাল খান্দি পানী ৰোধ কৰিব নোৱাৰে। প্ৰত্যেক বছৰে মথাউৰি ভাঙি জনসাধাৰণৰ সা-সম্পত্তি উটাই লৈ যায়। সেইকাৰণে ভাৰত চৰকাৰ আৰু বিভাগটোৱে য'ত খেতি আছে তাত চকু দিব লাগে যেনে :— ডিব্ৰুগড় জিলাৰ কথাকে কওঁ। ডিব্ৰুগড়ত বহুত চাহ বাগিচা আছে। সেইকাৰণে তাত কোটি কোটি টকাৰ শিলৰ বুৰুজ দি ব্ৰহ্মপুত্ৰৰ পানীৰ সোঁতটো জোনাই আৰু ধেমাজীলৈ বোৱাই দিছে কাৰণ তাত অসম চৰকাৰৰ ৰাজহ নাই। আয় নাই। সেই কাৰণে সেই ঠাইবিলাকত শিলৰ স্পাৰ দিয়া নাই। উপাধ্যক্ষ মহোদয়, মই বেছি ৰহলাই নকওঁ। এই বছৰ যি টকাৰে শিলৰ স্পাৰ দিছে অহা বছৰৰ কাৰণে আৰু বেছি ধন যোগাৰ কৰে যেন। সেইকাৰণে সময় থাকোতেই চাৰ্ভে কৰিব লাগে যাতে নদীৰ পানী নিয়ন্ত্ৰণ কৰিব পাৰে। যদি সময়মতে কৰিব নোৱাৰে তেতিয়াহলে এই বছৰ টকা নাই, অহা বছৰ টকা নাই আৰু

তৃতীয় বছৰৰ কাৰণেও টকা নাইকিয়া হব। আজি দিহাং প্ৰজেক্ট, জোনাই চাৰ্ভে আৰু টেকেলীফুটাত লাখ লাখ টকা খৰছ কৰিব নালাগিলহেতেন। আমাৰ সকলো পাৰ্টিয়ে একেলগ হৈ এখন কমিটি গঠন কৰি দিল্লীলৈ গৈ তাত আশ্বাস লব লাগে যেন ১১৭ কোটি টকা দিম বুলি কৈছিলে। ভাৰতবৰ্ষই অসমৰ জনগনৰ কাৰণে সংকট ৰক্ষা কৰিবৰ কাৰণে যিখিনি আচঁনি কৰিব লাগে সেই আচঁনিখন কাৰ্য্যকৰী কৰিব পৰাকৈ যত্ পৰোনাষ্টি চেষ্টা কৰিব লাগে। বান নিয়ন্ত্ৰণ বিভাগে আচঁনিখন অন্তৰ্ভুক্ত কৰিব বুলি মই আশা কৰিছো আৰু এই দাবী মঞ্জুৰীৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ্।

* শ্ৰীডালিম ৰায়: মাননীয় উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো বিভাগৰ উন্নতিকল্পে বাননিয়ন্ত্ৰণৰ বাবে যি টকা দাবী মঞ্জুৰী ইয়াত বিচাৰিছে তাক সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধীতা কৰিছো। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ বিভাগে অসমৰ ৰাইজক বানপানীৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যিবোৰ আঁচনি বিগত দিনৰ পৰাই আজিলৈকে হৈ আহিছে সেইটো মোৰ বাস্তৱ অভিজ্ঞতাৰ পৰাই কৈছো। এই বানপানীৰ নামত কোটি কোটি টকা খৰচ দেখুওৱা হল। কিন্তু টকাৰ বিনিময়ত আঁচনি মতে যিখিনি কাম হব লাগিছিল সেইখিনি হোৱা নাই বুলি কলেও ভুল কোৱা নহব। কাৰণ ব্ৰহ্মপুত্ৰ নদী অসমৰ ইমুৰৰ পৰা সিমুৰলৈকে বৈ গৈছে আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰত থকা জনসাধাৰণৰ যি শাস্তি হৈছে সেই হাৰাশাস্তিৰ পৰা ৰক্ষা কৰিবৰ কাৰণে যি প্ৰচেষ্টা লব লাগিছিল অভিযন্তা সকলে সেইখিনি কৰিব পৰা নাই। আঁচনিখন ঠিকমতে প্ৰস্তুত কৰি উলিয়াৱ পৰা নাই। সময়ত ভালদৰে চিন্তা নকৰাৰ কাৰণে বানপানীত নিৰ্য্যাতন ভূগিবলগীয়া হৈছে। মই এটা উদাহৰণ দিও কেৱল মোৰ সমষ্টিতে নহয় মোৰ সমষ্টিৰ মাজেদি গঙ্গাধৰ নদী এই দুইখন নদীয়ে ৩ হেজাৰ ৪ হেজাৰ বিঘা খেতিৰ মাটি নষ্ট কৰিছে। সাময়িক প্ৰটেকচন দিবৰ কাৰণে চৰকাৰৰ ওচৰত বহুতবাৰ আবেদন নিবেদন কৰিলো কিন্তু আজিলৈকে কোনো ব্যৱস্থা লোৱা নহল। যাৰ

* Speech not corrected.

ফলত গঙ্গাধৰ নৈয়ে বটেৰহটা গাওঁ পঞ্চায়ত, আগমণি গাওঁ পঞ্চায়ত, ভঙা গদাধৰ আৰু গোলোকগঞ্জ এলেকাৰ খেতিৰ মাটি নষ্ট হৈছে। সেইখিনি মাটি যোৱাৰ ওপৰিও ২ হেজাৰমান পৰিয়াল গৃহহীন হৈছে। আজিলৈকে তেওঁলোকে ক্ষতিপুৰণ নাপালে। অৱশ্যে ক্ষতিপুৰণ নোপোৱাটো বাননিয়ন্ত্ৰণ বিভাগত নপৰে ৰাজহ বিভাগতহে পৰে। গতিকে নদীৰ গতি ৰোধ কৰাৰ কোনো চিন্তা নকৰাৰ ফলত বৰ দুৰ্ভাগ্য জনক কথা হৈছে। চৰকাৰ গঠন হোৱাৰ পিচত অসমত কেইবা বাৰো বানপানী হৈছে ঘৰ-দুৱাৰ ভাঙি সা-সম্পত্তি নষ্ট কৰিছে। ইয়াৰ আগতে অসমত এনে ধৰণৰ বানপানী হোৱা নাছিল। আগতে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক অজস্ৰ টকা দিছিল। নিয়মিতভাৱে কাম চলাই থকা হলে এনে অৱস্থা নহলহেতেন। নদীৰ যিটো গতি আছে সেই গতি প্ৰৱল হোৱাৰ কাৰণে কিছু অসুবিধা হব। কেন্দ্ৰীয় চৰকাৰে বান নিয়ন্ত্ৰণ বিভাগক যিখিনি টকা দিব লাগিছিল গোটেই খিনি দিয়া নাই কাৰণ এইটোৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে এটা উদ্দেশ্য প্ৰনোদিত ৰাজনৈতিক দৃষ্টিভঙ্গী লৈছে। আমাৰ চৰকাৰৰ ভাৱমুৰ্ত্তি নষ্ট কৰাৰ কাৰণে লৈছে বুলিয়ে মোৰ সন্দেহ হৈছে। সেই কাৰণে মই সকলো ৰাজনৈতিক দলৰ সদস্য সকলক কব বিচাৰিছো যে বানপানীৰ যিটো সমস্যা, ব্ৰহ্মপুত্ৰ বা গঙ্গাধৰ নদীৰ গতিলৈ চাই সকলোৱে সমুহীয়াভাৱে চিন্তা কৰি ইয়াৰ উপায় উলিয়াব লাগে। ইয়াত ৰাজনৈতিক ধ্যানধাৰণা নাৰাখি অসমৰ সকলো ৰাজনৈতিক দলে ৰাইজৰ ৰক্ষণা-বেক্ষনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। কাম কৰিবৰ কাৰণে যিখিনি ধনৰ প্ৰয়োজন হয় সেইখিনি যাতে সোণকালে দিয়ে।

যি খিনি প্ৰয়োজনীয় ধন সেই ধনখিনি যাতে সোনকালে মঞ্জুৰী দিয়ে তাৰ কাৰণে আমি হেচা প্ৰয়োগ কৰিব লাগে আৰু লগতে আমাৰ বান-নিয়ন্ত্ৰণ বিভাগৰ উৰ্দ্ধতম বিষয়াসকল আৰু আমাৰ বিভাগীয় মন্ত্ৰী গৰাকীক অনুৰোধ জনাইছো যে বৰ্ত্তমানৰ দৰে বাননিয়ন্ত্ৰণ বিভাগত ধনৰ অপচয় যাতে আজিৰ দিনত নহয় আৰু কাম কাজ বিলাকৰ উন্নতি কৰিব লাগে। বৰ্ত্তমান বাননিয়ন্ত্ৰণ বিভাগক যেনেকুৱা ধৰণে সমালোচনা কৰা হৈছে তেনেকুৱা ধৰণৰ সমালোচনা যাতে আমাৰ চৰকাৰৰ দিনত নহয় তাৰ কাৰণে আশা ৰাখিছো। আৰু লগতে মই অনুৰোধ ৰাখিব বিচাৰিছো গোলোকগঞ্জ থানা খন যাতে

ৰক্ষা কৰিব পৰা যায় সেই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষভাবে দৃষ্টি দিব লাগে। যোৱা তিনিবছৰে বিভিন্ন বিভাগৰ জৰীয়তে মোৰ সমষ্টিত বিভিন্ন উন্নয়নমূলক কাম-কাজ কৰি আছো, গতিকে এই কামটো নহলে বহুত অসুবিধাৰ সন্মুখীন হব লাগিব আৰু বিধায়ক হিচাবে মোৰ সন্মানত লাগিব, গতিকে এই কামটো সোনকালে যাতে কৰি দিয়ে ইয়াকে আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীবলোভদ্ৰ তামুলী : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বাননিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটো মই পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ বিৰোধীতা কৰি একাষাৰ মান কবলৈ আগবাঢ়িছো। মাননীয় উপাধ্যক্ষ মহোদয়, অসম গন পৰিষদ দল অহাৰ পিচত আজি প্ৰায় তিনি বছৰ ধৰি বানপানী সম্পৰ্কত বিভিন্ন ধৰণৰ আলোচনা বিলোচনা বিভিন্ন সময়ত কৰা হৈছে। বিধান সভাৰ পৰা দল গৈ কেন্দ্ৰীয় চৰকাৰকো হেচাঁ প্ৰয়োগ কৰা হৈছে। তাৰোপৰি বানপানী নিয়ন্ত্ৰন সম্পৰ্কত চেমীনাৰ আদিৰ জৰিয়তে আলোচনা কৰা হৈছে যদিও ইয়াৰ কোনো পৰিবৰ্ত্তন হোৱা নাই আৰু নতুন চিন্তাধাৰা আনিব পৰা নাই। সেই কাৰণে আমাৰ কাৰণে ল্যাজৰ কথা হৈ পৰিছে। আমি যি ব্যৱস্থাৰে বানপানী সমস্যাৰ মুখামুখি হৈছো সেই পদ্ধতি বিলাক বিভিন্ন সময়ত বিভিন্ন ধৰণে পৰ্য্যালোচনা কৰা হৈছে যদিও আমি তাৰ কোনো নতুনত্ব আনিব পৰা নাই। আমি বৰ্ত্তমান অসমত বানপানীতকৈয়ো গড়াখহনীয়াই যে বেছি ক্ষতিসাধন কৰি আহিছে সেইটো কথা চিন্তা কৰিব লাগে। বানপানী হৈ গলে তাৰ ক্ষতিপূৰণৰ ব্যৱস্থা কৰিব পৰাৰ থল আছে। কিন্তু গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হলে সেই ক্ষতিপূৰণ পূৰাব পৰা ব্যৱস্থা আমাৰ হাতত নাই বুলিয়েই কব পাৰি। কিয়নো প্ৰতি বছৰে হাজাৰ হাজাৰ উৰ্বৰা খেতিৰ উপযোগী মাটি নদীৰ বুকুত বিলীন হৈ গৈছে। সেইখিনি আমি উদ্ধাৰ কৰিব পৰা নাই। আমি গড়াখহনীয়াৰ ওপৰত জোৰ দিয়া নাই। বানপানী যে আমি প্ৰতিৰোধ কৰিব নোৱাৰো এইটো ধ্ৰুব-সত্য কথা। আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই ৰাস্তা-পদূলি আদি গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে

* Speech not corrected.

বুলি কৈছে। গড়াখহনীয়াত যিমান পৰিমাণৰ ক্ষতি হৈছে তাতকৈ বানপানীত কিছু কম হৈছে। আমাৰ যিবিলাক আঁচনি লৈছে এই আঁচনিবিলাক কেন্দ্ৰীয় চৰকাৰে পুঁজী দিয়া নাই বুলিয়েই আঁচনিবিলাকৰ কাম সঠিক ভাবে কৰিব পৰা হোৱা নাই বুলি কেৱল অভিযোগ কৰি থাকিলেই হব জানো। বান-পানী বিভাগে বানপানী নিয়ন্ত্ৰণতকৈ গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে বেচি গুৰুত্ব দিবলৈ আৰু এই বিষয়ত আমি কি কাৰ্য্যকৰী ব্যৱস্থা লব পাৰো তাৰ এটা পদ্ধতি উদ্ভাৱন কৰিবলৈ অনুৰোধ জনাইছো। এইখিনিতে আমাৰ অসমত বানপানী নিয়ন্ত্ৰণ আৰু গড়াখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত এটা বিশেষ বিভাগ আছে সেইটো হ'ল বিভাব বিচাৰ্চ ইনষ্টিটিউট। এই বিভাগৰ কাম-কাজ কি আমি আজিলৈকে ধৰিব পৰা নাই। ৰিভাৰ ৰিচাৰ্চ ইনষ্টিটিউট বিভাগটো বিভিন্ন আঁচনি আৰু মডেল পৰীক্ষা কৰিবৰ কাৰণে গঠন কৰা হৈছে যদিও সেই অফিচত থকা চাকৰিয়ালসকলে কেৰম বোৰ্ড আৰু তাচ খেলাতে ব্যস্ত হৈ থাকে। মাজে মাজে আমি শুনিবলৈ পাইছো যে তাত জুৱাৰ আড্ডাৱো চলে আৰু পুলিচে গৈ তাত ৰেইড কৰিছে। বিভাৰ ৰিচাৰ্চ ইনষ্টিটিউটটো কি কামত আছে আৰু সেইটোৱে কেনে দৰে কাম কৰিছে আমি সেইটো চিন্তা কৰি চাব লাগে। সেইটো বিভাগে অন্ততঃ যি কোনো এখন সৰু নদীক লৈ সেই নদীৰ বানপানী নিয়ন্ত্ৰণ আৰু গড়াখহনীয়া কেনেকৈ ৰোধ কৰিব পাৰি সেই বিষয়ে উদ্ভাৱন কৰাৰ কাৰণে পৰীক্ষামূলক ভাবে লব লাগে। ব্ৰহ্ম-পুত্ৰ নদীখন কেনেকৈ নিয়ন্ত্ৰন কৰিব পাৰি সেই কথাটো অলপ গভীৰ ভাৱে চাব লাগে। তাৰোপৰি গঙ্গাধৰ, গেলাবিলত এখন সৰু নদী আছে, সেই নদীখনো ৰিভাৰ ৰিচাৰ্চ ইনষ্টিটিউটে পৰীক্ষামূলক ভাবে কামত লগাব পাৰে। মুঠতে গড়াখহনীয়া যাতে ৰোধ কৰিব পাৰি তাৰ কিবা এটা উপায় উদ্ভাবন কৰিব পাৰি নেকি সেই বিষয়ে চিন্তা-চৰ্চা কৰি এটা ব্যৱস্থা লব লাগে। বোকা-খাট সমষ্টিৰ কথা আপোনালোকে জানেই। আমাৰ সমষ্টিত গড়কাপ্তানী, চয়েল কনজাৰভেশ্যন, পঞ্চায়ত ইত্যাদি বিভাগবিলাকৰ জৰিয়তে যিমানবিলাক উন্নয়নমূলক কাম-কাজ কৰা হৈছে, বাৰিষাৰ পাচত সেইবিলাক ঠাইত বেচি ক্ষতি হৈছে। বাৰিষা সেই অঞ্চলবিলাক ডুব যোৱাৰ ফলত আগতে যদি ২ হাজাৰ টকা খৰচ হৈছিল তেতিয়া বাৰিষাৰ পাচত ৫০ হাজাৰতকৈ বেচি খৰচ হৈছে। এনেকৈয়ে বানপানী আৰু গড়াখহনীয়াৰ দ্বাৰা অসমৰ অৰ্থনীতি

সম্পূৰ্ণভাৱে বিনষ্ট হৈছে। গতিকে আমি এই কথাবিলাক উপলব্ধি কৰিব লাগে। মোৰ সমষ্টিত যোৱা বানপানীত গৃহহীন হৈছিল প্ৰায় ১৪৭ টা পৰিয়াল। এতিয়া সিদিনাখন যিটো বৰষুণ দিলে তাৰ ফলত প্ৰায় ৪৭ টা পৰিয়াল গৃহ-হীন হৈছে। আৰু যদি বৰষুণ আহি বানপানী বা গড়াখহনীয়া হয়, তেতিয়া-হলে কিমান যে পৰিয়াল গৃহহীন হব তাৰ সীমা সংখ্যা নহব। সেয়েহে আমি যদি বিভিন্ন আচঁনিবিলাক পি, এ, চিত পাচ কৰি লোৱাৰ পাচত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আহিব বুলি একো ব্যৱস্থা নলও তেতিয়াহলে এই গড়া-খহনীয়াৰ ভয়াবহতাৰ পৰা কেতিয়াও ৰক্ষা নাপাম। গতিকে মই অনুৰোধ জনাইছো যিবিলাক অঞ্চলত গড়াখহনীয়াৰ প্ৰকোপ ক্ৰমান্বয়ে বৃদ্ধি পাইছে সেই আচঁনিবিলাক লৈ হাত সাৰতি বহি নাথাকি যাতে দেমেজ কৰিব নোৱাৰে তাৰ কাৰণে যিবিলাক আচঁনি লোৱা হৈছে সেইবিলাক কাৰ্য্যকৰী কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিব লাগে আৰু গড়াখহনীয়া আৰু বানপানীৰ প্ৰকোপ যাতে কমাব পৰা যায় তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। অকল মোৰ সমষ্টিতেই নহয় অসমৰ বিভিন্ন সমষ্টিত য'ত এনেকুৱা অঞ্চল আছে সেই-বিলাকতো তেনে ব্যৱস্থা লব লাগে। অকল ব্ৰহ্মপুত্ৰ নদীৰেই নহয় সৰু সুৰা নদীবিলাকৰো গড়াখহনীয়া ৰোধ কৰিব লাগে কিয়নো সৰু-সুৰা নদীৰ গড়া-খহনীয়াইয়ো বিষম সমস্যাৰ সৃষ্টি কৰিছে। বহুতো শষ্য শ্যামলা মাটি এই গড়াখহনীয়াৰ কবলত জাহ গৈছে। হয়তো সেই মাটি আমি ১০০ বছৰ পিচতহে পাব পাৰো বা নাপাবও পাৰো। গতিকে খহনীয়া ৰোধ কৰাৰ কাৰণে যথেষ্ট গুৰুত্ব আৰোপ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। যি কোনো বাননিয়ন্ত্ৰনৰ কাৰ্য্যালয় প্ৰতিষ্ঠা কৰিব লাগিলে বাননিয়ন্ত্ৰন এলেকাৰ ওপৰত নিৰ্ভৰ কৰি যি ঠাইত বানপানী বা খহনীয়া বেছি হয় তেনেকুৱা ঠাই-বিলাকৰ কামত অহাকৈ বা সুবিধা হোৱাকৈ এই কাৰ্য্যালয়বিলাক প্ৰতিষ্ঠা কৰিব লাগে। কিন্তু আমি দেখা পাইছো যে কিছুমান ৰাজনৈতিক প্ৰশা-সনীয় দৃষ্টিভংগীৰে এনেকুৱাবিলাক কাৰ্য্যালয় প্ৰতিষ্ঠা কৰিবলৈ লৈছে যি কাৰ্য্যা-লয়বিলাকে প্ৰকৃতভাৱে কাম কৰিব নোৱাৰে আৰু ইয়াত ৰাজহুৱা ধনৰ অপচয় হয়। গোলাঘাট জিলা বানপানী প্ৰধান অঞ্চল। আমাৰ যিমানবিলাক বান-পানী নিয়ন্ত্ৰনৰ কাৰ্য্যালয় আছে সেইবিলাকৰ বেচি ভাগেই যোৰহাট আৰু গোলাঘাটত আছে। কিন্তু বোকাখাটত আগৰে পৰাই বানপানীৰ প্ৰকোপ

বেছি, গতিকে বানপানীৰ নিয়ন্ত্ৰনৰ সমস্যাবিলাক চাবৰ কাৰণে আৰু ফিল্ড ওৱৰ্কৰ কাৰণে বোকাখাটত এটা দিভিজ্যন দাবী কৰা হৈছিল। কিন্তু গোলাঘাট জিলা হোৱাৰ পাচত তাত এটা দিভিজ্যন খোলা হৈছেঁ। যোৱা বছৰ যেতিয়া এই কথাটো বিভাগীয় সচিবক কৈছিলো তেতিয়া কৈছিল এইটো গোলাঘাটৰ আশে-পাশে হব লাগে বুলি। জিলা হেড্‌কোৰ্টাৰত এটা দিভিজ্যন অফিচ যে হব লাগে তাৰ কি কথা আছে। ই, এণ্ড, ডিৰ ফিল্ডৰ লগত যিবিলাক কাম জৰিত সেইবিলাক কামৰ কাৰণে ওচৰে পাজৰে দিভিজ্যনটো হব লাগে। উপায়ুক্তৰ ওচৰত লগ লগাই অফিচবিলাক ৰাখিব বিচাৰে কিন্তু তাৰ দ্বাৰা বানপানী নিয়ন্ত্ৰনত বিশেষ কামত নাহে। গতিকে এই যিটো সিদ্ধান্ত লৈছে, এইটো ভালধৰণে পৰ্য্যালোচনা কৰি চাই মন্ত্ৰী মহোদয়ে এই কাৰ্য্যালয়তো বোকাখাটত ৰাখিব লাগে বা তাতেই ৰখাৰ ব্যৱস্থা কৰিব লাগে।

বোকাখাট, খুমটাই, মৰিয়াহোলা, গেলাবিল আৰু ভেৰগাওঁ ইত্যাদি বিলাক ঠাই ওচৰা ওচৰি অঞ্চল। বোকাখাট, খুমটাই, ভেৰগাওঁ ইত্যাদি অঞ্চলত মৰিয়াহোলো গেলাবিল আৰু ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই যথেষ্ট ক্ষতি সাধন কৰিছে আৰু এই গড়াখহনীয়া বোধ কৰাৰ কামত যথেষ্ট ধন খৰচ কৰা হৈছে। গতিকে এই অঞ্চলৰ ডিভিজ্যন অফিচটো যদি বোকাখাটত প্ৰতিস্থা কৰা হলহেতেন তেতিয়াহলে কাম-কাজ সুচাৰু ৰূপে চলাই নিয়াত সুবিধা হ'লহেতেন কিন্তু গোলাঘাটত হলে অফিচাৰ সকলৰ আৰু ইঞ্জিনিয়াৰসকলৰ অহা-যোৱাৰ কাৰণে আৰু ফিল্ডত কাম কৰিবলৈ কেম্প ইত্যাদি সজাওঁতে টি, এ, দি, এত বহুখিনি খৰচ বাঢ়ি যাব। গতিকে য'ত কাম বেচি তাত যদি অফিচটো পতা হয় তেতিয়া হলে কম খৰচতেই কাম বিলাক কৰিব পৰা হয়। সেয়েহে ৰাজনৈতিক চিন্তা ধাৰা বা অন্য চিন্তা ধাৰা লৈ যাতে এই কাৰ্য্যালয় বিলাক প্ৰতিস্থা নকৰে আৰু অযথা পইচা খৰচ নকৰে তাৰ কাৰণে অনুৰোধ জনালো। আঁচনি বিলাক ভালদৰে পৰীক্ষা কৰি লৈহে গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু প্ৰকৃততে যিমতে কাম কৰিব লাগে সেই মতে কামবিলাক কৰি যাব লাগে। এই কথা মই আজি আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মই আগতে ও কৈছো অসমত বানপানী আৰু গড়াখহনীয়াৰ প্ৰতিৰোধ কেনে ধৰণে কৰিব পৰা যায় সেই চিন্তাধাৰাটো আমি

মনলৈ আনিব লাগে। মঠাউৰী দিয়া সম্পৰ্কতো আমি চিন্তা কৰি চাবলগা হৈছে। কিয়নো যদি এই মঠাউৰী বিলাক বিজ্ঞান সন্মত ভাবে দিয়া নহয় তেতিয়া হলে ইয়াৰ দ্বাৰা ৰাইজ উপকৃত হোৱাতকৈ বেচি ক্ষতিহে হব। আজি ব্ৰহ্মপুত্ৰৰ যিটো সমস্যা ভাবিলেই আচৰিত লাগে। ১৯৫০ চনত এই নদীৰ ধোঁ যিমান আছিল তাতকৈ আজি ৯ ফুট ওখ হৈছে বুলি জানিব পৰা গৈছে। যেনেকৈ ডিব্ৰুগড় চহৰখন পানীৰ পৃষ্ঠতকৈ তলত আছে আনকি চহৰৰ পৰা পানীৰ ওপৰেদি নাও চলা-চল কৰা দেখা যায়। গতিকে এই মথাউৰী বিলাক যাতে যধে-মধে নিদি তাক পুংখানু-পুংখ ৰূপে পৰীক্ষা কৰি অধ্যয়ন কৰাৰ প্ৰয়োজন হৈ পৰিছে। যদি এই মথাউৰী বিলাক আৰু ৰাস্তা পদুলী ৰাজনৈতিক বা অন্য চিন্তা ধাৰাৰ হেঁচাত পৰি যধে—মধে বনোৱা হয় তেতিয়া হলে বানপানী আৰু গড়াখহনীয়া পৰা কোনো দিনে নিস্কৃতি নাপাব। নিস্কৃতি পাবলৈ হলে সাৱধানে চিন্তা চৰ্চা কৰি এটা নতুন পদ্ধতি উদ্ভাৱন কৰিব লাগে যাৰ দ্বাৰা গড়াখহনীয়া ৰোধ কৰিব পাৰি। আমি অ-বিজ্ঞান সন্মত ভাবে মথাউৰী বিলাক নিৰ্ম্মাণ কৰাৰ কাৰণে, গছ-গছনি বিলাক কটাৰ কাৰণে ভূমিকম্প আৰু প্ৰাকৃতিক দুৰ্যোগ ইত্যাদি হোৱাৰ কাৰণে আৰু নদীৰ তলি ওপৰলৈ উঠি অহাৰ কাৰণে সমস্যা বিলাক আৰু জটিল হৈ পৰিছে। গতিকেই এই সমস্যা বিলাকৰ উপশম ঘটাবলৈ নতুন চিন্তা উদ্ভাৱন কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীপদ্ম নাথ কৈৱী : মাননীয় উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ কাৰণে যি দাবী মঞ্জুৰী বিচাৰিছে সেইটো মই সমৰ্থন কৰিছো। আৰু সমৰ্থন সাপেক্ষে দুষাৰমান কবলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, বানপানীৰ সমস্যাটো আজিৰ সমস্যা নহয়, ই বহুত পুৰণি সমস্যা। আজি এই সদনত যি মঞ্জুৰী উত্থাপন কৰিছে সেইখিনি টকাৰে এই সমস্যা সমাধান নহয় মাত্ৰ সময়খিনি এটা আশ্বাস আৰু নিৰাশা কৰি থকা ধৰণে পাৰ কৰি দিয়াৰ নিচিনা হব। আজি এই সমস্যাটো কেৱল অসমৰেই সমস্যা নহয় ই গোটেই ভাৰতবৰ্ষৰেই সমস্যা। আৰু এই বানপানী সমস্যাটো ৰোধ কৰিবৰ কাৰণে আজি

---

* Speech not corrected.

বৃহৎ আঁচনি আৰু বৃহৎ ধনৰ প্ৰয়োজন। সেয়ে মই কও এইটো বিজ্ঞানসন্মত-ভাৱে নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন আহি পৰিছে আৰু এইটো আমি বহুদিনৰ আগ-তেই কৰিব লাগিছিল। এতিয়া মাত্ৰ বানপানী হলে টকা শ্ৰাদ্ধ কৰি বান-পানী নিয়ন্ত্ৰণ কৰা বুলি কলে যুক্তিসঙ্গত নহব।

এইটো বহুত দিন আগতে কৰিব লাগিছিল। এতিয়া বানপানী হলে কিছু টকা দিব লগা হয়। বানপানী আহিলে মহকুমা ভিত্তিত ৰিলিফ কমিটি গঠন কৰি দিয়া হয়। কিন্তু এই কমিটিয়ে ৰিলিফৰ বস্তু বিতৰণৰ নামত হাঁহি হাঁহি সুযোগ লয়। এতিয়া কথা হ'ল এই সমস্যা আমি সদায় ৰাখিম নেকি? ইয়াৰ সমাধানৰ কাৰণে নিশ্চই কিবা চিন্তা ধাৰণা আহিব লাগিব। এই সমস্যা সমাধানৰ কাৰণে এটা উপায় উলিয়াব লাগিব। অসম চৰকাৰক কেন্দ্ৰীয় চৰকাৰে আন্তৰিকতাৰে সহায় কৰিব লাগিব। ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰণে যি খিনি বস্তুৰ প্ৰয়োজন তেওঁলোকে যদি এইটো দিয়ে, তেতিয়া চিৰদিনৰ কাৰণে সমস্যা সমাধান হব। ব্ৰহ্মপুত্ৰ উপচি পৰাৰ মূল কাৰণ বৰষুণ নহয় উপনৈ বিলাকহে। এই উপনৈ বিলাক নিয়ন্ত্ৰণ কৰিলে আমাৰ বানপানীৰ সমস্যা সমাধান হব। এই বিষয়ে যোৱা বছৰ ১৯৮৭ চনত তেতিয়াৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী শ্ৰীছামছিং হাসে আৰু ৰাজ্যিক মন্ত্ৰী শ্ৰীউৎপল দত্ত দুয়োজনকে মই দিল্লীত লগ পাইছিলো। তেওঁলোকক দিল্লীলৈ অহাৰ কাৰণ সোধাত কলে যে বান নিয়ন্ত্ৰণৰ বিষয়ে কেন্দ্ৰৰ লগত আলোচনা আছে। এই আলোচনাত মুখ্য মন্ত্ৰী আহিব লাগিছিল, কিন্তু নাহিল। কথাটো অলপ গন্দোগোলীয়া। কেন্দ্ৰীয় চৰকাৰে কৈছে যে ওৱাটাৰ ৰিচোৰ্চ অল ইন্দিয়া ভিত্তিত হব লাগিব। গতিকে আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে এই আলোচনাত সঠিক উত্তৰ দিব নোৱাৰিলে। কাৰন এই বিষয়ে তেওঁলোকে অসমত আহি সুধিব লগা হৈছিল। এই ক্ষেত্ৰত তেওঁলোকে কেনেকৈ মতামত দিব। অসম চৰকাৰক কেন্দ্ৰীয় চৰকাৰে কৈছে যে ভাৰতীয় ৰিচোৰ্চক সহায় কৰিব লাগিব। অসমৰ ক্ষেত্ৰত এইটো কৰা হোৱা নাই। গতিকে উপনৈ বিলাক সংযম কৰিব লাগিছিল। কিন্তু কৰা নাই। অৰুণাচলত গোটেই কেন্দ্ৰীয় ৰিচোৰ্চ দিছে।

উপাধ্যক্ষ মহোদয়, সেই কাৰণে এই সমস্যা এনে ধৰণে থাকিলে কোনো

দিনে সমাধান নহব। এই সমস্যা বৃহৎ বুলি ধৰি লৈ আমি ক্ষিপ্রতাৰে সমস্যা সমাধান কৰিব লাগিব। বানপানী হলে কিছুমান সুযোগ লৈ মুনাফা আদায় কৰা হয়। এনেকুৱা ঘটনা আজি কিছুদিন আগতে ছাপৰিত হৈছিল। বানপানী হলে মন্ত্রী মহোদয়ে ৰাইজক কম্বল, চাউল, দাইল আদি অত্যাৱশ্যকীয় সামগ্রী সমূহ বিতৰণ কৰিবলৈ গৈ ৰাইজৰ সমৰ্থন লয়। এইদৰে সুযোগ গ্ৰহণ কৰি সামগ্রী সমূহ দিয়ে। (ভইচ—এ, জি, পি. চৰকাৰে নিদিয়ে নেকি?) এ, জি, পি চৰকাৰে ৰিলিফহে দিয়ে কিন্তু বাকী বিলাকে সুযোগ লৈছিল। এই কাৰণেই আগতে এইটো সমস্যা সমাধান নকৰিলে। যি কি নহওঁক, অসমত যিটো সমস্যা হৈ থাকে সেইটো কিছু পৰিমাণে হলেও সংযম কৰি ৰাইজক ৰেহাই দিব লাগে। এই ক্ষেত্ৰত যি খিনি টকা পোৱা হয় তাৰ সঠিক ভাৱে প্ৰয়োগ কৰাৰ দুটা মান উদাহৰণ মই দি বিচাৰিছো।

উপাধ্যক্ষ মহোদয়, এই টকা যিখিনি আমাক দিব সেইটো খুউব কম হলেও বিজ্ঞান সন্মতভাবে যাতে ব্যৱহাৰ কৰা হয় তাৰ কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো। এই টকা মাত্ৰ ৰিলিফৰ চাউল, দাইলৰ কাৰণে ৰাখিলে ভুল হব। বানপানী হোৱা সময়ত এই বিভাগে নহয় অন্যান্য বিভাগ সমূহেও সুবিধা লয়। যেনে পশুপালন বিভাগটোৱে গো-খাদ্য বিতৰণ কৰি কিছু সুযোগ লয়। কত কি বস্তু দিলে এইটো কোনেও নাজানে। এইদৰে তেওঁলোকে বাজেটৰ টকা খৰচ কৰি পেলায়। এজন মাননীয় সদস্যই কোৱা শুনিছিলো বানপানী হলে মানুহক মানুহ হিচাবে চাব লাগে। সেই সময়ত ঠাই বিশেষে কিছুমান জাগাত ৰৰ আগ্ৰহেৰে বস্তু বাহানি লৈ যোৱা দেখা যায়। কিন্তু কিছুমান ঠাইত দুই তিনি দিনৰ পিচতহে যায়। এনেকুৱা ঠাই আছে বান-পানী নোহোৱাতে বস্তু গৈ পায় আৰু কিছুমান ঠাইত দুই তিনি দিনলৈকে মানুহে বস্তু নেপায়। মন্ত্রী মহোদয়ে যাতে এই সকলো বিলাক মানবীয়তাৰ ফালৰ পৰা চায় আৰু এইটো কৰিবলৈ যাওঁতে বিলম্ব নকৰি কাৰিকৰী দিশত চায় তাৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীমছিৰুদ্দিন শ্বেখ : মাননীয় উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ দাৰী মঞ্জুৰীত শ্ৰীআব্দুল মুহিব মজুমদাৰ ডাঙৰীয়াই অনা কৰ্তন প্ৰস্তাৱটো

সমৰ্থন কৰি মই তুষাৰমান কৰ বিচাৰিছো। অসমৰ বানপানী এটা চিৰাচৰিত নীতিত পৰিণত হৈছে। এইটো অসমৰ বিহুৰ নিচিনা লব পৰা কথা হৈছে। আমি অসমত বান নিয়ন্ত্ৰণ কৰি জীয়াই থাকিব লাগিব। এই বিষয়ে বহুতো আলোচনা কৰি থকা হৈছে। মই ভাবো যে আমাৰ মথাউৰিবিলাক বিজ্ঞান সন্মত হোৱা নাই। এই বিষয়ে অলপ আগতে আমাৰ এজন মাননীয় সদস্যই কৈ গৈছে। নদী আৰু উপনৈবিলাক খান্দিব লাগে। কিন্তু ব্ৰহ্মপুত্ৰ নদীটো ইমান দীঘল আৰু ইয়াৰ যিবিলাক উপনৈ আছে সেইবিলাকৰ দুয়ো পাৰে মঠাউৰি বন্ধাটো আমাৰ কাৰণে ফিজিবুল হয় নে নহয় সেইটো চিন্তা কৰিব লগীয়া বিষয়।

গতিকে আমাৰ অসমত বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে যিটো ব্যৱস্থা সেই ব্যৱস্থাৰে বানপানী নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহব। এটা কথা ঠিক যে আমাৰ মঠাউৰিবোৰ বিজ্ঞান সন্মত নোহোৱাৰ কাৰণে আমি বানপানী নিয়ন্ত্ৰণ কৰাত সফল হব পৰা নাই। আমি এটা কথা জানো যে ব্ৰহ্মপুত্ৰৰ তলিভাগ দিনক দিনে তৰাং হৈ আহিছে আৰু এই তলিভাগ খান্দি দিয়াৰ কাৰণে আগৰ চৰকাৰবোৰৰ লগতে এই চৰকাৰৰ দিনতো যোৱা বিধান সভাৰ অধিবেশনত এটা প্ৰস্তাৱ উংথাপিত হৈছিল। কিন্তু আমি এটা কথা চাব লাগিব যে আমি জানো ব্ৰহ্মপুত্ৰৰ তলি ভাগ খান্দিবলৈ সমৰ্থ হম? আমি যদি ব্ৰহ্মপুত্ৰৰ তলিভাগ খান্দিবলৈ লও তেনেহলে ইয়াৰ পৰা যিবোৰ বালিবোকা আদি ওলাব সেইবোৰ ক'ত পেলাম? এই বালি বোকাবোৰ নি যদি অসমৰ সীমান্তত পেলাই দিয়া হয় তেনেহলে বাংলাদেশৰ ব্ৰহ্মপুত্ৰৰ অংশটোত গোট খাব আৰু পানী ওলাই যাব নোৱাৰা অৱস্থা হব। সেই কাৰণে এই ব্যৱস্থা কৰাৰ অগতে আমি আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত এটা সিদ্ধান্ত লব লাগে যাতে আমাৰ ইয়াৰ পৰা উলিয়াই নিয়া বালি বোকাবোৰ তাতে জমা নাৰাখি একেবাৰে সাগৰত পেলাই দিয়া ব্যৱস্থা কৰিব পাৰিলেহে এই ব্যৱস্থা সফল হব। ইয়াৰোপৰি মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে ব্ৰহ্মপুত্ৰৰ যিবোৰ বালি, বোকা জমা হৈ বানপানীৰ সৃষ্টি কৰে সেইবোৰ এদিনতে জমা হৈ এই সমস্যাৰ সৃষ্টি কৰা নাই। ব্ৰহ্মপুত্ৰৰ যিবোৰ উপনৈ আছে সেইবোৰৰ পৰাও যথেষ্ট পৰিমানৰ মাটি, বালি আদি আহি ইয়াত জমা হৈ এই সমস্যাৰ সৃষ্টি কৰিছে। ইয়াৰ কাৰণে আমি

এটা কথা চাব লাগে যে আমাৰ বন বিভাগে শিল আৰু বালিৰ কাৰণে যিবোৰ কুৱেৰী লিজত দিয়ে সেইবোৰত ঠিকাদাৰ সকলে যেতিয়া কাম কৰে সেই ক্ষেত্ৰত বিভাগীয় ভাবে চোৱা চিতা কৰাৰ কাৰণে কিছুমান কঢ়া ব্যৱস্থা লব লাগে। কিয়নো এই ঠিকাদাৰ সকলে যেতিয়া তাৰ পৰা শিল, বালি আদি উঠাই তেতিয়া তেওঁলোকে নদীৰ তলীভাগৰ পৰা বালি শিল নুঠাই মাত্ৰ পাৰৰ যিখিনি শিল, বালি সেইখিনি উঠাই নিয়াৰ কাৰণে পাৰ কেইটাহে দ হৈ যায় আৰু তাৰ ফলত নদীৰ তলীভাগ তৰাং হয় আৰু পাৰ কেইটা দ হৈ যোৱাৰ ফলত নদীটোৱে গড়া খহাই অন্য কিছুমান সমস্যাৰহে সৃষ্টি কৰা দেখা যায়। সেইকাৰণে এই কামবোৰৰ ক্ষেত্ৰত বন বিভাগে প্ৰয়োজন হলে নতুন আইন কৰি হলেও এই ব্যৱস্থা বোৰে কট্‌কটীয়া কৰিব লাগে যাতে গড়াখহনীয়া আৰু নদীৰ তলিভাগ ওখ হোৱাত আমি বাধা দিব পাৰো।

দ্বিতীয়তে মই আন এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে আমি যিবোৰ ব্যৱস্থা হাতত লও বা তাৰ কাৰণে যিবোৰ কাম কৰিব লগা হয় সেই কামবোৰ নবেম্বৰ/ডিচেম্বৰ মাহতে কিয় আৰম্ভ কৰা নহয়। এই বিষয়ত মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই উল্লেখ কৰি গৈছে। চৰকাৰ পক্ষৰ পৰা হয়তো এটা কথা কব পাৰে যে প্ৰশাসনীয় অসুবিধাৰ কাৰণে এই কাম নবেম্বৰ/ডিচেম্বৰ মাহত কৰিব পৰা নহয়। কিন্তু আমি এই প্ৰশাসনীয় অসুবিধাবোৰ দূৰ কৰি লব নোৱাৰো নেকি? আমাৰ অসমৰ প্ৰাকৃতিক অৱস্থান আৰু ইয়াৰ জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি আমি কামবোৰ কৰিবলৈ ললেহে এনে কামবোৰত আমি সফল হব পাৰিম। মে'/জুন মাহত যিবোৰ কাম আৰম্ভ কৰা হয় তেতিয়া বাৰিষা প্ৰায় আহি পায়। সেই কাৰণে সময় হাতত লৈ নবেম্বৰ/ডিচেম্বৰ মাহতে আমি বান নিয়ন্ত্ৰণৰ কাৰণে লবলগীয়া ব্যৱস্থাবোৰৰ অধিনৰ যি বোৰ কাম সেইবোৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিতে মই আৰু এটা উল্লেখ কৰিব খুজিছো যে অসমৰ ভিতৰতে ধুবুৰী অঞ্চলটো আতাইতকৈ বেছি বান বিধস্ত এলেকা। এই অঞ্চলটো আজি সকলো অঞ্চলতকৈ বেছিকৈ বানত ক্ষতিগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ লগতে গৌৰীপুৰ অঞ্চলটোও সেই একে বিপৰ্য্যয়ৰে সন্মুখীন হৈছে। আজি গৌৰীপুৰৰ পৰা ধুবুৰীলৈ যিটো অঞ্চল

সেই অঞ্চলটো বানপানীৰ পৰা ৰক্ষা কৰিব পৰা নহব যদিহে গৌৰীপুৰৰ পৰা ধুবুৰীলৈ ৰাস্তাৰ কাষে কাষে এটা বান্ধ নিৰ্ম্মাণ কৰা নহয়।

সময় সংকেত

মাননীয় উপাধ্যক্ষঃ আপুনি সোনকালে শেষ কৰক।

শ্ৰীমচিৰুদ্দিন শ্বেইখ: উপাধ্যক্ষ মহোদয়, মই মাত্ৰ আৰু এটা কৈয়ে শেষ কৰিম। কথাটো হৈছে দক্ষিণ শালমাৰা আৰু মানকাছাৰক লৈ যিটো বান নিয়ন্ত্ৰণ সংমণ্ডল গোৱালপাৰাৰ লগত বৰ্ত্তমান সংযুক্ত কৰা হৈছে সেই সংমণ্ডলটো ধুবুৰীৰ লগত সংযোগ কৰিব লাগে কিয়নো গোৱালপাৰাৰ পৰা এই কাম চোৱা চিতা কৰা কিছুমান অসুবিধা হয় বিশেষকৈ যাতায়ত আৰু ইয়াৰ অৱস্থান হেতুকে। সেই কাৰণে এই সংমণ্ডলটো গোৱালপাৰাৰ লগত নাৰাখি ধুবুৰীৰ লগত সংযোগ কৰাৰ কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীচহিদুল ইছলাম: মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে আজি বহুদিন ধৰি নানা ধৰণৰ আলোচনা বিলোচনা হৈ আছে আৰু এই বিষয়টোৰ ওপৰত যোৱা বছৰো সৰ্ব্ব সন্মতিক্ৰমে এটা প্ৰস্তাৱ লোৱা হৈছিল যে ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণৰ এটা স্থায়ী সমাধান কৰাৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰ বা প্ৰয়োজন হলে বাহিৰা ৰাষ্ট্ৰৰ সাহাৰ্য্য লৈ হলেও ইয়াক সমাধান কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। এই প্ৰস্তাৱটো বৰ্ত্তমান কি পৰ্য্যায়ত আছে সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দ্বিতীয় কথাটো হৈছে আমি বান নিয়ন্ত্ৰণৰ কাৰণে যি পৰিমানৰ টকা খৰচ কৰিছো সেই টকা ঠিকমতে খৰচ কৰিব পৰা নাই। ইয়াত কিছুমান টকা অপব্যৱহাৰ হোৱাও পৰিলক্ষিত হৈছে। সেই কাৰণে আমি যদি উপযুক্তভাৱে টকা খৰচ কৰি এই সমস্যাৰ এটা স্থায়ী সমাধানৰ ব্যৱস্থা হাতত নলও তেনেহলে এই সমস্যা আমাৰ কাৰণে সদায় সমস্যা হৈয়ে থাকিব আৰু আমাৰ অসমৰ যি সংস্কৃতি, সভ্যতা সেইবোৰ হৰপ্পা আৰু মহেঞ্জদাৰো আদিৰ লেখিয়াকৈ ব্ৰহ্মপুত্ৰৰ বুকুত এদিন বিলীন হৈ যাব। এই খিনিতে মই মোৰ

* Speech not corrected.

সমষ্টিৰ ধিং অঞ্চলটোৰ বৰ্ত্তমান অৱস্থাৰ বিষয়ে কব খুজিছো যে এই অঞ্চলত ব্ৰহ্মপুত্ৰই এনে দৰে খহাই আনিছে যে ধিং চহৰখন পাবলৈ আৰু আধা ফাৰ্লঙো বাকী নাই। এই অঞ্চলটোত যিটো মথাউৰি আছে তাৰ কেইবা ঠাইতো খহাই নিয়াৰ কাৰণে আজি যি অৱস্থাৰ সৃষ্টি হৈছে সেইটো যদি অনতিপলমে ৰোধ কৰা নহয় তেনেহলে সেই ফালেদি পানী সোমাই নগাওঁ জিলাৰ তিনিটা সমষ্টিত বানপানীৰ সৃষ্টি হব আৰু এই অঞ্চলবোৰ ধ্বংসপ্ৰাপ্ত হোৱাৰ সম্ভাৱনা।

সেই অঞ্চললৈ যদি তেখেতে নিজে যায় ভাল কথা কিন্তু তেখেত নিজে নগলেও কোনোবা বিষয়া পঠিয়ায় হলেও এক কিলোমিটাৰ বা আধা কিলোমিটাৰ ৰিটায়ামেণ্ট বান্ধৰ ব্যৱস্থা নকৰিলে এই তিনিওটা সমষ্টি ধ্বংসৰ মুখলৈ ঠেলি পঠিওৱা হব। কুজিৰগাবাত একেবাৰে ব্ৰহ্মপুত্ৰই ওচৰ পাইছেহি। তাত এটা অস্থায়ীভাবে ৰিংবান্ধৰ ব্যৱস্থা নকৰিলে সাংঘাতিক অৱস্থা হব। তেখেতে অৱশ্যে প্ৰশ্নোত্তৰত এটা কথা কৈছে যে ঢিঙৰ পৰা আৰম্ভ কৰি লাহৰিঘাটলৈ এইচোৱাৰ কাৰণে প্ৰাক্কলন আদি দিল্লীলৈ পঠিয়াইছে আৰু তাৰ পৰা ঘূৰি আহিলে ব্যৱস্থা কৰিব। এইটো বহুত দেৰী হ'ল আগতে কৰিব পৰা হলে মোৰ সমষ্টিৰ ১৫/১৬ খন গাওঁ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াৰ পৰা ৰক্ষা পৰিলহেতেন। আমি যিটো দেখিছো বান নিয়ন্ত্ৰন বিভাগটো স্থায়ী সমাধানৰ কাৰণে নহয়। কোনোবাই বিচাৰিলেহে কিবা এটা কৰি দিয়ে। আজি আমাৰ সদনত ১২৬টা সমষ্টিয়ে বান নিয়ন্ত্ৰনৰ লগত জৰিত হৈ আছে। এটা জিলাৰ বাহিৰে যোৱা-বছৰ গোটেইবিলাক জিলাতে বানপানী হৈছিল। অসমৰ সমস্ত জনসাধাৰণ আজি বাননিয়ন্ত্ৰনৰ লগত জৰিত। অথচ এই গুৰুত্বপূৰ্ণ বিষয়টোৰ চৰকাৰে স্থায়ী সমাধান কৰাৰ চিন্তা কৰা নাই। ইয়াৰ স্থায়ী সমাধান কৰিব নোৱাৰিলে সমগ্ৰ অসম যি অসম নদন বদন হৈ আছিল সেই অসম ধ্বংসৰ ফালে যাব। চীনৰ হোৱাংহো নদীক যদি শাসন কৰি চীন দেশখন লাভবান হব পাৰে, মিছৰৰ নীল নদী নিয়ন্ত্ৰন কৰি মিছৰ অধিক শষ্যশ্যামলা হব পাৰে তেনেহলে অসমৰ ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰন কৰিব কিয় নোৱাৰিব? ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰন কৰি শষ্যশ্যামলা অসমক আশাৰ বেঙনি দিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Abdul Rob Laskar : Honourable Deputy Speaker, Sir, I stand to lend support to the Cut Motion moved by our Deputy Leader, Shri Abdul Muhib Mazumdar in respect of Flood Control Department. Sir, it is known to us that the fate of 80 p. c. agriculturists as well as the all round development of the State rests on the control of flood in the State. Sir, in earlier years flood occured once in a decade. But since last four years we are witnessing the flood not only in each and every year but several times in a year too. And, the reason for this annual phenomenon is known to each and everybody which has been explained elaborately and beautifully by some of the honourable members including Shri Hemen Das. As the time at my disposal is very short I am not going to repeat them here. Now, the question is whether it will be possible on the part of this AGP Government or any other Government that may come to control the flood ? Sir, from the way the small and medium sized rivers are silted and the mighty rivers like Brahmaputra and the Barak flowing turbulently, it appears, probably it will not be possible to control the flood successfully. Some of the honourable members put forward suggestions for drazling the river in order to control the flood. But it will be very costly affairs which may not be possible on the part of the Government to undertake the work. So, Sir, people of Assam right from the beginning are living with the flood. Fortunately or unfortunately We inherited flood as gift since our birth. So, flood became a part and parcel of life of the people of Assam. Under all circumstances peo-

ple of Assam should live with flood for all time. We are living in Assam taking flood as our life. Now, Sir, some of friends from Treasury benches putforward the arguement that the Central Government is not giving money for the control of flood in Assam. Sir, probably my honourable friends do not know that last year a Private Members' Resolution was moved so far as I remember, by Shri Joy Nath Sarma who was not a Minister then, seeking permanent solution of the problem of flood in the State of Assam and it was passed unanimously. Probably, Sir, the Government did take the thinks in its reality and as a result of which our dynamic Prime Minister, Shri Rajib Gandhi, in the year 1988 assured to give more than Four hundred Crores of rupees to the Government of Assam for controlling the flood in Assam. But this offer was not accepted by the State Government because the State Government was not in a position to maintain the works from their own fund due to its financial constraints. So, though this Government is trying to lay down the blaems upon the shoulder of the Central Government probably it will hold no water. However, Sir, I would like to suggest that as it is not possible for this Government or any other Government to control the flood at a time throughout the whole State, in certain places, Sir, it may be possible to control it to some extent for the benefit of the people. I am giving here an example which is confined to my constituency—Sonai in the district of Cachar. Now, Sir, there are three Sluice gates project, viz., gakhara, Roko, Gargari in my Constituency and Lakhi-

pur constituency. The four G. P. areas have been badly affected from floods right from the beginning. Considering the situation created by devastation the Assam Government was very much pleased to sanction money probably in the year 1980 for constructing three number of sluice gates. Money was santioned ; work started but all on a sudden the work was stopped. The work was left half done. After my repeated persuasions although the local district officers assure me that they would look into the matter seriously, I am extremely Sorry to say that nothing was done.

So, sir, in this respect I would like say that if the Sluice Gates are completed, then not less than 30-40 thousand people will be benefited as the sorrounding is complelty agricultural area and the land is very fertile one It is said a granary in the eastern Silchar. so, I would like to draw special attention of the Honourable Minister, P. W. D. who is a prominent Minister with good reputation. But in the Flood Control Deptt he is a new Minister. However, I hope from his experience from P. W. D. and as a successful Minister, he will definitely look into the matter so that improvement can be achieved, particularly in this sluice gate and work can be completed as early as possible and I can assure this Honourable House that these sluice gates will give benefit to a large number of people belonging to all sections of the people. Sir, as the time is very short I am raising one point regarding Uttar Krishnapur a rich village of my area through which

the river Barak flows. There is heavy erosion in this village. Many educational institutions and very rich public buildings and N. H-54 is going to the erected. So, Sir, I request the Honourable Minister to see that the administrative approval is given at the earliest possible time and I hope the Honourable Minister would look into this matter. With these few words I conclude my speech. Thank you very much.

শ্ৰীকুল বাহাদুৰ চেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা যি কৰ্ত্তন প্ৰস্তাব আনিছে তাত মই সমৰ্থন জনাইছো। লগতে বাননিয়ন্ত্ৰন বিভাগৰ দুই আষাৰ কথা কবলৈ আগবাঢ়িছো। এই বিভাগটো এটা কুম্ভকৰ্ণ বিভাগ। ৬ মাহ টোপনিত থাকে, ৬ মাহ জাগি থাকে। কিন্তু টোপনিৰ পৰা জগাবৰ সময়ত বহুত ঢোল খোল বজোৱাৰ পাচতো টোপনিৰ পৰা সাৰ নাপায়। এই বাৰ যি জন মন্ত্ৰীৰ হাতত বিভাগটো পৰিছে গতিকে কিছু উন্নতি হব বুলি আশা কৰা হৈছে। ৰাজ্যখনৰ বাননিয়ন্ত্ৰন কৰিবলৈ যি ধৰণে চৰকাৰে চিন্তা কৰিব লাগে, সেই ধৰণে চিন্তা কৰা হোৱা নাই। এই বিষয়ে মই প্ৰশ্নোত্তৰ কালত কৈছোৱেই আমাৰ চৰকাৰে সৰ্ব্বদলক লৈ দিল্লীলৈ গৈ আলোচনা কৰিব লাগে। পশ্চিমবঙ্গতো বেলেগ দলৰ মন্ত্ৰী সভা চৰকাৰ। তেওঁলোকে যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা সহায়-সহানুভূতি পায় আমাৰ কিয় নাপাব ? যোৱাবাৰ প্ৰধানমন্ত্ৰী ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈকে যাওতে ৰাস্তাৰে গৈছিল। হেলিকপ্তাৰেৰে যোৱা নাই। তেতিয়া বাননিয়ন্ত্ৰনৰ কথা তেওঁক কোৱা হৈছিল। আমাৰ ফালৰ পৰাও তেওঁক বাননিয়ন্ত্ৰনৰ ব্যৱস্থা লবলৈ কোৱা হৈছিল। প্ৰশ্নোত্তৰ কালত মই এইটো কথাও কৈছিলো যে আমাৰ ব্ৰহ্মপুত্ৰ নদীটো বাম হৈ আহিছে। সেই কাৰণে অন্য ৰাজ্য বিলাকৰ পৰা অহা পানীয়ে বানপানীৰ সৃষ্টি কৰে। যিবিলাক ৰাজ্যৰ পৰা আমাৰ ইয়ালৈ পানী আহে, সেই ৰাজ্য বিলাকৰ পৰা ধন আদায় কৰিব লাগে। অন্য ৰাজ্যৰ পৰা ধন আদায় কৰা ব্যৱস্থা কৰিলে আমাৰ যথেষ্ট সুবিধা হব। ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰক কব লাগে, লগতে মোৰ সমষ্টিৰ দুই এটা

কথা কব বিচাৰিছো। মাৰ্ঘেৰিটা টাউনখন ৰক্ষা কৰিবৰ কাৰণে ১৯৮৪ চনত চৰকাৰে প্ৰায় ৩০ লাখৰো বেচি টকাৰ শিলৰ এটা স্পাৰ্ক বান্ধিছিল। তাৰ এটা অংশ খহি গৈছে আৰু এটা অংশ বাকী আছে। আশা কৰো এই খিনি সোনকালে বান্ধিব। তাৰোপৰি ২নং মাকুম ব্লকৰ গাঁৱৰ ২০ মিটাৰ মঠাউৰী ৰান্ধি দিলে উপকাৰ হব। এইখিনিও বান্ধি দিব লাগে। বৰফালীয়ান, পাৱৈ-মুখ আদিৰ যিখিনি ঠাই গড়াখহনীয়াই খহাই নিছে সেইখিনি আশা কৰো ৰোধ কৰাৰ ব্যৱস্থা লব। অৰুনাচল মেওৰ ওপৰত বহু বছৰৰ আগতে ৰান্ধ ৰান্ধি ব্ৰহ্মপুত্ৰলৈ পানী বোৱাই দিয়া হৈছিল। বান্ধ ভাঙি এই পানী বুঢ়ী-দিহিং নদীলৈ আহিছে আৰু তাৰ পৰাই ৰানপানী হয়। গড়াখহনীয়া ৰোধ কৰিব নোৱাৰিলে মাটিৰ সমস্যা আহি পৰে। যিসকল গড়াখহনীয়াৰ কবলত পৰে তেওঁলোকক পুনৰ সংস্থাপন কৰা সমস্যাটো সময় থাকোতে চিন্তা কৰিব লাগে। বান নিয়ন্ত্ৰন বিভাগটোৱে বাৰিষাহে কাম আৰম্ভ কৰে। খৰালি কিয় কাম নকৰে সেইটো চাব লাগে আৰু যাতে খৰালি কাম কৰিব পাৰে তাৰ কাৰণে বিশেষভাবে চাব লাগে। আমাৰ শৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে এজাক ডাঙৰ বৰষুণ দিলেই গুৱাহাটী চহৰত ৰানপানী হয়। গতিকে এই বিলাকৰো ব্যৱস্থা লব লাগে। এই খিনিকে কৈ ৰক্তব্য সামৰিলো।

* শ্ৰীগোপীনাথ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা যিটো কৰ্ত্তণ প্ৰস্তাব আনিছে এইটো মই সমৰ্থন কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ প্ৰত্যেক জন নাগৰিকেই বান-পানীৰ ভয়াবহতাৰ কথা উপলব্ধি কৰি আহিছে। সেই দৰে বানপানী প্ৰতি-ৰোধৰ কাৰণে চৰকাৰে বহুত দিনৰ আগৰে পৰাই আঁচনি গ্ৰহণ কৰি আহিছে। কিন্তু দুখৰ কথা যে চৰকাৰে ইমান দিন চেষ্টা কৰাৰ পিচতো ৰানপানী প্ৰতি-ৰোধৰ বাবে কিমান কি কৰিব পাৰিলে, কিমান ফলবতী হব পাৰিলে ? এই গোটেই কথা ৰিলাক যোৱা বছৰ যি কেইটা ৰানপানী হৈ গল সেই কেইটা ৰানপানীয়েই প্ৰমান কৰি দিলে যে প্ৰকৃততে চৰকাৰে একো কৰিব পৰা নাই।

* Speech not corrected.

যোৱা বাৰ যি কেইটা বানপানী হল তাৰ পৰা এটা ধাৰণা হল যে ইমান দিনে চৰকাৰে বান প্ৰতিৰোধৰ বাবে যি বিলাক আঁচনি গ্ৰহণ কৰিছিল সেই বিলাকত কিছুমান ত্ৰুটী থাকি গল। সেই কাৰণে বান প্ৰতিৰোধৰ বাবে আগতে যি বিলাক আঁচনি গ্ৰহণ কৰিছিল এতিয়া আৰু সেই বিলাক আঁচনিকে গ্ৰহণ কৰি থাকিলে নহব এতিয়া বৈজ্ঞানীক ভাৱে আমি আধুনিক আঁচনি গ্ৰহণ কৰিব লাগিব। নহলে যোৱা বছৰৰ দৰে ভবিষ্যতেও বানপানী হৈ থাকিব।

মই এই খিনিতে এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে বানপানী নিয়ন্ত্ৰণৰ কাৰণে ব্ৰহ্মপুত্ৰৰ যিবিলাক উপনদী আছে সেই বিলাকৰ উৎপত্তি স্থলতে প্ৰতিৰোধ কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। এইটো কাম কৰিব পাৰিলে ইয়াৰ লগতে আৰু তিনিটা কাম হব। এটা হৈছে বিজুলী শক্তি উৎপাদন আৰু আনটো হৈছে যে তাৰ পৰা বালি আহি ব্ৰহ্মপুত্ৰ নদীত পৰি ব্ৰহ্মপুত্ৰ নদীৰ তলিখন ওপৰলৈ উঠি অহাত যি পৰিমানে সহায় কৰিছে সেইটোও বন্ধ হব। গতিকেই উপনৈ বিলাক নিয়ন্ত্ৰণ কৰাৰ চিন্তা কৰিব লাগে। ইতিমধ্যে আমাৰ বহুতো মাননীয় সদস্যই কৈ গৈছে যে ব্ৰহ্মপুত্ৰৰ তলিখন বালি পৰি পৰি ওপৰলৈ উঠি আহিছে আৰু এই বালিবিলাক খণ্ডাব ব্যৱস্থা কৰিব লাগে। যদি এতিয়া যি দৰে বালি পৰি পৰি ব্ৰহ্মপুত্ৰৰ তলিখন ওপৰলৈ উঠি আহিছে সেই দৰে আৰু কেইবছৰমান উঠি আহিবলৈ হলে অদূৰ ভৱিষ্যতে বানপানীৰ ভয়াবহতা বাঢ়ি যাব বুলি ধাৰণা হৈছে। গতিকে কেন্দ্ৰীয় চৰকাৰক হেচা দি যদি এতিয়াৰ পৰাই ব্ৰহ্মপুত্ৰৰ তলি খণ্ডা নহয় তেন্তে ভবিষ্যতে ইয়াৰ পৰা যথেষ্ট পৰিমানে ক্ষতি হব।

আমি মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা শুনিবলৈ পাও যে কিবা কাম কৰাৰ কথা কলেই কয় যে টকা নাই। মই জনাত এটা সৰ্ব্বদলীয় কমিটি আগতে দিল্লীলৈ গৈছিল। তাৰ পৰা কিবা ফল হল বুলি নাজানো। কিন্তু আপোনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমৰ বানপানী নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব লাগে আৰু বান—মন্ত্ৰীৰ নেতৃত্বত বাননিয়ন্ত্ৰণ বিভাগটো সবল হব লাগে। সৰ্ব্বদলীয় এটা দল গৈ প্ৰধান-মন্ত্ৰীক কব লাগে অসমক বানপানীৰ ভয়াবহতাৰ পৰা কিছু পৰিমানে হলেও ৰক্ষা কৰিব লাগে।

মই এতিয়া মোৰ সমষ্টিৰ কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো।

নতুনমনি বাৰণ বজাৰ গৰাখহনীয়াত পৰিছে। ইয়াৰ কাৰণে ১৯৮৩ চনতে ২৭ লাখ টকা দিছিল—

(উপাধ্যক্ষই বেল বজাই অন্য সদস্যক কবলৈ দিয়ে)

* শ্ৰীকুমুদ্বৰ টাই ৰাই গগৈ : মাননীয় উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰন মন্ত্ৰীয়ে যিটো দাবী মঞ্জুৰী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো। মই এইটো কথা অনুভব কৰো যে এই সদনত যিমান টকাৰেই দাবী মঞ্জুৰী দাঙি নধৰক কিয় সেই টকাৰে কেতিয়াও অসমৰ বানপানীৰ সমস্যা সমাধান কৰিব পৰা নহয়। যিমানেই টকা নধৰক সেই টকাৰে উপনৈবিলাকৰ উৎপত্তি স্থলত নদী নিয়ন্ত্ৰন কৰিব পৰা নহব আৰু সেইদৰে গড়াখহনীয়া বন্ধ কৰিব পৰা নহব। এইটো কথা দেখা গৈছে যে যিমানেই বানপানী আহিছে সিমানেই গৰাখহনীয়া বাঢ়ি গৈ আছে। মাত্ৰ এটা কথাই চিন্তা কৰিব লাগে যে যিমান টকা যি কামৰ কাৰণে দিয়া হয় বান নিয়ন্ত্ৰনেই হওক বা গড়াখহনীয়াৰ কাৰণেই হওক সেই টকাৰ যাতে সৎ ব্যৱহাৰ হয় সেইটো চাব লাগে। আমি এটা কথা অনুভৱ কৰো যে বাননিয়ন্ত্ৰন বিভাগত টকা অপব্যয় হৈ আছে। এতিয়া কোৱা হৈছে যে ব্ৰহ্মপুত্ৰৰ তলিখন বালি পৰি পৰি ওখ হৈ আহিছে আৰু সেই কাৰণে তলিখন খণ্ডাৰ ব্যৱস্থা কৰিব লাগে আৰু ব্ৰহ্মপুত্ৰৰ যিবিলাক উপনৈ আছে সেইবিলাক উৎপত্তি স্থলতে নিয়ন্ত্ৰন কৰাৰ ব্যৱস্থা কৰিব লাগে। এইবিলাক কামৰ কাৰণে যি পৰিমানৰ টকাৰ আৱশ্যক হয় সেই টকাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক হেচা দিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনি এই বিলাক কাম কৰিব লাগে। মই ব্যক্তিগতভাৱে ভাবো যে এইবিলাক গছত গৰু উঠা কথা ব্ৰহ্মপুত্ৰৰ বানপানীৰ পৰা ৰক্ষা পাবৰ কাৰণে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে উজনিৰ পৰা নামনিলৈকে মঠাউৰি দিব লাগিব। অকল ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে উজনিৰ পৰা নামনিলৈকে মঠাউৰি দিলেই নহব বুঢ়িদিহিঙতো দুয়োপাৰে মথাউৰি দিব লাগিব। সেইদৰে চাবলৈ গলে ব্ৰহ্মপুত্ৰ আৰু বুঢ়িদিহিঙতে মঠাউৰি দিলেই নহব। দিচাঙৰ পানী কলৈ যাব। গতিকে দিচাঙতো মঠাউৰি দিব লাগিব। এইদৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে সৰু বৰ সকলো

* Speech not corrected.

বিলাক নদীত মঠাউৰি দি বানপানী নিয়ন্ত্ৰন কৰিব পৰাটো সম্ভৱ নহয়। সেই কাৰণে মই ভাবো যে মঠাউৰি বিলাক উঠাই দিয়াই ভাল হব। মঠাউৰি বিলাক উঠাই দিলে বানপানী হব যদিও সেই পানী বেচি দিনৰ কাৰণে কতো ৰৈ থাকিব নোৱাৰিব। একোটা অঞ্চলত দুই বা তিনিদিন থাকিয়েই ওলাই গুছি যাব। এতিয়া মঠাউৰি বিলাকত বাধাপ্ৰাপ্ত হোৱাৰ কাৰণেই পানী আহিলেও সেই পানী সোনকালে ওলাই যাব নোৱাৰে। সেই কাৰণেই মই ভাবো যে অসমৰ মঠাউৰি বিলাক উঠাই দি সমান কৰি দিব লাগে।

মাননীয় সদস্য সকলে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ ডেপুটেচন পঠোৱাৰ কথা কৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে যিবিলাক টকা দিছিল বান সাহাৰ্য্যৰ কাৰণে সেইবিলাক টকা এতিয়াহে বিতৰণ কৰা হৈছে। বান সাহাৰ্য্যৰ টকাৰে এতিয়া সুতা, গেঞ্জী আদি বিতৰণ কৰা হৈছে। গতিকে এনে ধৰণৰ সাহাৰ্য্যৰ পৰা বানত ক্ষতিগ্ৰস্ত ৰাইজৰ কি কামত আহিব।

মাননীয় উপাধ্যক্ষ মহোদয়, অকল যে ব্ৰহ্মপুত্ৰতে গড়াখহনীয়া হৈছে সেইটো নহয়, বুঢ়ীদিহিঙতো গৰাখহনীয়া হৈছে। মাৰ্ঘেৰিটাৰ পৰা দিচাংমুখলৈকে এই গোটেই অঞ্চলটো গৰাখহনীয়াত পৰিছে। বিশেষকৈ উৰিয়ামঘুৰি, বামুনবিল নামঘাট আদিৰ কাৰণে ৫০ লাখ টকা অনুমোদন কৰা হৈছিল। মাননীয় সদস্য সকলে কথা কওঁতে এটা কথা উল্লেখ কৰা লক্ষ্য কৰিছো যে সকলোৱেই নিজৰ নিজৰ নগৰখন বা চহৰখন ৰক্ষা কৰাৰ কথা কয়। কিন্তু নগৰেই হওক বা চহৰেই হওক প্ৰত্যেকখনেই বানপানীৰ কবলত পৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, গতিকে আজি আমি নগৰেই হওক বা চহৰেই হওক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰিব লাগিব। যেতিয়ালৈকে অসমৰ নদী সমূহৰ গতি নিয়ন্ত্ৰণ কৰিব নোৱাৰো, যদি ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ খান্দিব নোৱাৰো তেতিয়ালৈকে বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰো। চৰকাৰে দিয়া টকা সমূহেৰে নগৰ চহৰৰ গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে যথেষ্ট। গতিকে ৰাজ্যিক চৰকাৰৰ ধনেৰে নগৰ চহৰ অঞ্চলত পৰা মঠাউৰি আদি মেৰামতি কৰি বানপানী নিয়ন্ত্ৰণ কৰাৰ বাবে অনুৰোধ জনালো। এইখিনিতে চৰকাৰক এটা কথা দৃষ্টিগোচৰ কৰাব বিচাৰিছো যে, উৰিয়ামগুৰিৰ ওচৰত ৬ টা অঞ্চলত টকা অনুমোদিত হৈছে আৰু এফ, দি, আৰৰ টকাৰে কাম কৰা হৈছে। বুঢ়ীদিহিং

নদীৰ বানপানীয়ে নাহৰকটিয়া ডুবাই পেলায়। গতিকে নাহৰকটিয়াৰ পৰা তিনি- চুকীয়াৰ পৰা চাব ডিভিজনটো আনিব লাগে। আজি ডুমডুমাত ৭.৫ লাখ টকা দিয়া হৈছে আৰু নাহৰকটিয়াৰ বাবে ৭৬ হাজাৰ টকা দিয়া হৈছে। ৭ টা আচনিৰ কাম কৰা হৈছে। বানপানী ৰিলিফৰ বাবে যি টকা দিয়া হৈছে সেইটো বৈষম্যমূলক হৈছে। গতিকে এইটো অনুসন্ধান কৰিব লাগিব। শেষত মন্ত্ৰী মহোদয়ক নাহৰকটিয়া তিনিচুকীয়াত বানপানী প্ৰতিৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ জনালো। অৱশেষত আজি যি দাবী মঞ্জুৰী উত্থাপন কৰা হৈছে সেইটো সমৰ্থন কৰিছো।

* শ্ৰীঅতুল বৰা (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত কৰ্তন প্ৰস্তাৱৰ ওপৰত বহুতো আলোচনা সমালোচনাত ভাগ লৈ মাননীয় সদস্য সকলে যিবিলাক নিজ নিজ অঞ্চলত সমস্যা আছে সেইবিলাকৰ উদ্ধৰ প্ৰয়ো- জন সাপেক্ষে দিবলৈ বিচাৰিছো। সদ্যহতে অসমত বছৰে বছৰে হৈ থকা বানপানীয়ে সৃষ্টি কৰা সমস্যাসমূহ সমাধান কৰাৰ কাৰণে কি কি ব্যৱস্থা লোৱা হৈছে বা কি ব্যৱস্থা ললে ভাল হয় সেই সম্পৰ্কে আপোনালোকে বহু ধৰণে পৰামৰ্শ আগবঢ়াইছে আৰু বিভাগে তেনেবোৰ পৰামৰ্শ বহুখিনি কৰিছে আৰু বহুখিনি কৰিব পৰা নাই ইয়াৰ কাৰণ হল যে, তাৰোপৰি সময়ে সময়ে প্ৰশ্নও কৰিছে আৰু উত্তৰো দিয়া হৈছে পুজিঁৰ অভাৱ বুলি। অকল পুজিঁৰ অভাৱৰ বাবেই বান নিয়ন্ত্ৰন সম্ভৱ হৈ উঠা নাই এনে নহয় বা বান নিয়ন্ত্ৰন বিভাগৰ অসুবিধাৰ বাবে বাননিয়ন্ত্ৰন হৈ উঠা নাই এইটো মই কবলৈ বিচৰা নাই। ইয়াৰ কাৰণ বহুতো আছে। বান নিয়ন্ত্ৰন বিভাগত বহুতো ভাল বিষয়া আছে, বহুতো ভাল ঠিকাদাৰ আছে কিন্তু বেয়াৰ সংখ্যা তুলনামূলক- ভাবে বেছি। এই বিভাগটো কিছুমান ঠিকাদাৰ পুহি ৰখাৰ বাবে আৰু কিছুমান বিষয়া কৰ্ম্মচাৰী জীৱন নিৰ্ব্বাহ কৰি ৰখাৰ বাবে আছে বুলি সন্দেহ হয়। অলপতে অতিৰিক্ত মুখ্য অভিযন্তাক নিলম্বিত কৰা হৈছে। কামৰূপ জিলাৰ পূব অঞ্চল আৰু নগাওঁ জিলাৰ পশ্চিম অঞ্চলত কপিলী নৈৰ পৰা বানপানী হয়। কামৰূপৰ পূব অঞ্চলক মিনি পাঞ্জাৱ বুলি কোৱা হয়। এতিয়াও

* Speech not corrected.

তাত মানুহে হাঁহি হাঁহি ৰবো ধান কাটি আছে। ২/৩ মাহৰ পিছে পিছে তাত পানী হয় আৰু পানী ওলাই যোৱাৰ বাবে কোনো আউটলেট নাই। পানী ওলাই যাব নোৱাৰা বাবে খেতি নহয়। কপিলী নদীৰ পানীয়ে ২/৩ বাৰ ক্ষতি কৰিছে। তাত থকা বান্ধটো মেৰামতি কৰা হৈছে। আগতে ১৫ মিটাৰ দূৰৰ পৰা মাটি কাটি আনি মথাউৰিত দিয়া হৈছিল এতিয়া ৩০ মিটাৰ দূৰৰ পৰা মাটি অনাৰ ব্যৱস্থা কৰা হৈছে। গতিকে আমাৰ বিভাগত ভাল ঠিকাদাৰ আৰু বিষয়া আছে কিন্তু সংখ্যা আৰু বঢ়াব লাগে। তেতিয়াহে বিভাগটো ভাল হব। বানপানী অহাৰ সময়ত কামবিলাক কৰাৰ বাবে কাম চোৱা চিতা কৰাত অসুবিধা হয়। বিৰোধী পক্ষৰ এজন মাননীয় সদস্যই কৈছে যে গড়কাপ্তানী বিভাগে ১০ বছৰ চালেও বানপানী ৰোধ কৰিব নোৱাৰে। ইচ্ছা কৰিলে মিছা কথাও কব পাৰে। আজি ৰাইজে সৰু কামো নকৰে, সকলো কামৰ বাবে চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে, মোৰ সমষ্টিত ৰাইজে নিজে কাম কৰিছে। এইটো তেখেতৰ সমষ্টিতহে সম্ভৱ হৈছে। আজি সকলোৱে চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। লেবাৰ লবলৈ হলে ৫০ টকা কৰি দিমান্দ কৰে। কিন্তু আন আন ঠাইত ২০ টকাতে হাজিৰা কৰে। গড়কাপ্তানী বিভাগৰ অভিযন্তাই মেটেকা আতৰ কৰাৰ বাবে লেবাৰ বিচাৰিছে। ১০০ টকা নহলে লেবাৰে মেটেকা চাফা নকৰে। আজি এইবিলাকৰ বাবে ডেকা লৰা নোলায়। চান্দা তুলি দোকানীক চুৰমাৰ কৰিবলৈ মানুহ ওলায়। হাজিৰা কৰিবলৈ মানুহ নাই। এইধৰণে বহুতো ক্ষতি হৈছে। ৰস্তা দিয়াৰ কামৰ বাবেও লেবাৰ কম পায়। আনহাতে বান নিয়ন্ত্রন, নদী নিয়ন্ত্রন কৰিব নোৱাৰি মিলিটেৰী বাহিনী লব-লগা হয়। এইটো কৰা দৰকাৰ হৈ পৰে। প্রকৃতিয়ে বানপানী কৰিছে, ইঞ্জিনিয়াৰে নিয়ন্ত্রন কৰিব পৰা নাই। মানুহৰ হাতত নাই। মানুহৰ হাতত আছিল কিন্তু মানুহেই নাইকিয়া কৰিলে। আজি ফৰেষ্ট ধ্বংস কৰিছে। পাহাৰৰ পৰা নদীবিলাক বৈ আহোতে আগতে ৪ দিন লাগিছিল। কিন্তু আজি-কালি ৪ ঘণ্টাতে পায়হি। আগতে গছ গছনিৰ বাধা পাই আহোতে নদীয়ে মন্থৰ গতি লৈছিল বাবে বেছি মাটিও কঢ়িয়াই আনিব পৰা নাছিল। এতিয়া গছ গছনিৰ অভাবত নদীবিলাক খৰস্রোতা হৈ পৰাত পাহাৰৰ পৰা বহুতো মাটি আদি কঢ়িয়াই আনি নদীৰ বক্ষ ৰাম কৰি তুলিছে। হাবি জংঘলৰ

অভাবৰ বাবেই এনে হৈছে। এতিয়া ব্ৰহ্মপুত্ৰ বৰ্ডে এটা মাষ্টাৰপ্লেন কৰিছে। ব্ৰহ্মপুত্ৰৰ বহুতো উপনদী আছে। এই মাষ্টাৰ প্লেন কাৰ্য্যকৰী কৰিব পাৰিলে ব্ৰহ্মপুত্ৰৰ পানী এক মিটাৰ তলত থাকিব। সোৱনশিৰি নদী বাধাপ্ৰাপ্ত হোৱাৰ বাবে সেই অঞ্চলত জলসিঞ্চনকে আদি কৰি বহুতো সমস্যাৰ উদ্ভৱ হব। সেই বাবে অৰুনাচলে এইটো কাৰ্য্যকৰী কৰিবলৈ দিয়া নাই। সেইদৰে পাগলা-দিয়াৰ নদীৰ ওপৰত ব্ৰহ্মপুত্ৰ বৰ্ডে মাষ্টাৰ প্লেন কৰা বাবে চিন্তা কৰিছিল। কিন্তু তাৰ বাবে ওপৰত যিমান মাটি অধিগ্ৰহন কৰিছিল তাৰ ফলত ১৪ খন গাওঁ ধ্বংস হব। সেই অঞ্চলটো ৰিজাৰ্ভাৰৰ নিচিনা হৈ বহুতো মানুহৰ মাটি যাব। তলৰ মানুহৰ সুবিধা হব আৰু ওপৰৰ মানুহৰ অসুবিধা হব।

সেই মানুহখিনিক যদি আমি অলটাৰনেটিভ মাটি দিব নোৱাৰো তেনেহলে সেই মানুহখিনি গৃহহীন হৈ পৰিব। গতিকে তেওঁলোকৰ কথা আমি চিন্তা কৰিব লাগিব। তেওঁলোকক যদি উচ্ছেদ কৰিবলগীয়া হয় তেতিয়াহলে আমি সেই আঁচনি কাৰ্য্যকৰী কৰিব নোৱাৰিম। মানুহখিনিক অন্যায় কৰি আঁচনি কাৰ্য্যকৰী কৰাটোত মই পক্ষপাতি নহয়। এই ক্ষেত্ৰত তেওঁলোকক মই আশ্বাস দিছো। তেনেকৈ কপিলি আৰু পাগলানদীৰ ক্ষেত্ৰটো সেইটো হৈছে। অৰুনাচল চৰকাৰৰ শোৱণশিৰি আৰু দিহাংৰ ক্ষেত্ৰটো দাবী অহাটো স্বাভাৱিক কথা এনটি পীপুলচৰ চুক্তিক কাম কৰিব নোৱাৰি। ক্ষতি হব পাৰে সেইবাবে কামটো নকৰো বুলি আশ্বাস দিছো। সেইটো কোনো জনপ্ৰিয় চৰকাৰে কৰিব নোৱাৰে। সেই মানুহখিনি কেৱল জনজাতি মানুহেই নহয় অজনজাতি মানুহো আছে। তেওঁলোক গৰীব মানুহ। খেতিৰ ওপৰতেই নিৰ্ভৰ কৰি চলা মানুহ। গতিকে পাগলাদীয়া নদীখন কি অৱস্থাত আছে সেইটো আপোনালোকে সহজেই অনুমান কৰিব পাৰিছে। কপিলিয়ে সদায় সমস্যা সৃষ্টি কৰি আছে। কপিলি নদীৰ ৫৯ মিটাৰ এটা চুইচ গেটৰ ওপৰত এটা ৰিজাৰভাৰ আছে। এইটো ৰিজাৰ-ভাৰ নেচনেল ৰিজাৰভাৰ। এই ৰিজাৰভাৰটো হলে তাত পানী জমা হৈ থাকিব আৰু কপিলি নদীয়ে সৃষ্টি কৰা বানপানী চিৰদিনৰ কাৰণে বন্ধ হৈ যাব। ১২২৬ কিলোমিটাৰ পানী জমা হৈ থাকিব। এতিয়া কথা হল নদী নিয়ন্ত্ৰণৰ বাবে কি ব্যৱস্থা লোৱা হৈছে। যদিও মোৰ নদী নিয়ন্ত্ৰণৰ টেকনিকেল জ্ঞান নাই তথাপিও মোৰ সাধাৰণ জ্ঞানে কৈছো যে পাৰ্কোপাইন কৰি টকা

মিচইউজ কৰা হৈছে। ইষ্টিচিম্পাৰে পাহাৰৰ সৰু সৰু গড়াখহনীয়া ৰোধ কৰিছে। পলাসবাৰীৰ প্ৰকল্পটো কৃতকাৰ্য্য হৈছে। তাৰ ফলত ব্ৰহ্মপুত্ৰ ডেৰ দুই কিলোমিটাৰৰ ভিতৰত মানুহৰ মাটি গৈছে। কৰবাত কৰবাত ব্ৰহ্মপুত্ৰ ২০০ ফুট ৩০০ ফুট দ' আছে। কিন্তু ইমান দ যদি গোটেই ব্ৰহ্মপুত্ৰতে হল-হেঁতেন তেতিয়া হলে কোনো সমস্যাই নাছিল। কামাখ্যাৰ ওচৰত ব্ৰহ্মপুত্ৰখন প্ৰায় ২ কিলোমিটাৰমান দ হৈ আছে। আগতে জাহাজ চলাচল হোৱাৰ কাৰণে মাটি খান্দিছিল। কিন্তু এতিয়া সেইটোও বন্ধ হৈ গল। পলাসবাৰীৰ ওচৰত দ য়েন নেলাগে। তাত ১৮ কিলোমিটাৰ পাহাৰত তিনিটা চেনেল আছে। যদি তিনিটা চেনেল একেটা কৰিব পাৰি তেতিয়াহলে নদীৰ সোঁত বেচি হব আৰু গভীৰ হব, তীব্ৰ হব। যদি ব্ৰহ্মপুত্ৰখন চেনেলাইজ কৰিব পাৰি তেতিয়াহলে উপ-নদী বিলাকো নিয়ন্ত্ৰণ হব। কিয়নো সকলোবিলাক উপনদী আহি ব্ৰহ্মপুত্ৰতে পৰিছে। নহলে ব্ৰহ্মপুত্ৰৰ পানী বেচি হৈ উপ-নদী বিলাকে পানী উভতি যায়। ফলত ব্ৰহ্মপুত্ৰ ফেনে ফুটুকাৰে ভৰপুৰ হৈ বুকু বাম হৈ যায় আৰু বানপানীৰ সৃষ্টি হয়। গতিকে আৰ্টিফিচেল ষ্টনস্পাৰ দিলে এটা সময়ত নিশ্চয় ব্ৰহ্মপুত্ৰ চেনেলাইজ হব। মোৰ মগজুৱে কয় এইটো এটা শুদ্ধ উপায়। ইঞ্জিনিয়াৰ বিলাকে শুদ্ধ বুলি ভাবি যিবিলাক আঁচনি লৈছে সেইবিলাক আঁচনিৰ বাবে বহু টকাৰ প্ৰয়োজন হব। গতিকে সেই আচনি বিলাকৰ কথা মই নেভাবো। ব্ৰহ্মপুত্ৰ বোৰ্ডে যিটো মাষ্টাৰপ্লেন বনাইছে তাত ৮৫৭০ কোটি টকাৰ হ্ৰস্ব ম্যাদী আৰু দীৰ্ঘ ম্যাদী ২৩৮৪০ কোটি টকাৰ আঁচনি লোৱা হৈছে। অৰ্থাৎ সৰ্ব্বমুঠ ৩১ হেজাৰ কোটি টকা আচনি ব্ৰহ্মপুত্ৰ বোৰ্ডে লৈছে। কিন্তু সেই আঁচনি কেতিয়া কৃতকাৰ্য্য কৰিব। ২০ বছৰৰ পিচত যদি এই আঁচনি কৃতকাৰ্য্য কৰা হয় তেতিয়াহলে অন্যান্য নদী সমূহৰ কেনেকুৱা অৱস্থালৈ ৰূপান্তৰিত হব সেইটো কথা আমি নিৰ্ণয় কৰিব নোৱাৰো। কাৰণ বছৰে বছৰে ব্ৰহ্মপুত্ৰৰ বুকু ওপৰলৈ উঠি গৈ আছে। ২০ বছৰৰ পিচত অন্যান্য প্ৰাকৃতিক দুৰ্যোগ হব পাৰে। গতিকে দীৰ্ঘ ম্যাদী আৰু হ্ৰস্ব ম্যাদী আঁচনিয়ে কিমান দুৰ বানপানী নিয়ন্ত্ৰণ কৰিব পৰা যাব সেইটো কব পৰা নেযায়। বহুত কথা ভাৰত চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিব। ভাৰত চৰকাৰৰ পৰা ২১ কোটি টকা চেণ্ট্ৰেল লন এচিচটেণ্ট হিচাবে পোৱা হৈছে। এই বাৰ ৭.৫ লাখ টকা বিচাৰিছো। এইটো ফাইনেন্সে আমাক

৫৬ কোটি টকা দিছিল। নাইন ফাইনেন্সে ২শ কোটি টকা বিচাৰিছে। সেই-খিনি পালেও আমাব সমস্যা সমাধান নহয়। গতিকে টকাৰ আভাৱ আছে সেইটো সদায় কব লাগিব অন্যহাতে টকা মিচইউজ হৈছে। মই মন্ত্ৰী হোৱাৰ পিচত ধুমধামকৈ কাম কৰিব লগীয়া হোৱা নাই। এই এফ, ডি, আৰ, টকাটো মই নবেম্বৰ/ডিচেম্বৰ মাহতহে পাইছো। আৰু ডিচটিবিউট হৈছে নবেম্বৰ/ডিচেম্বৰ মাহতে। আৰু এনেকুৱা কিছুমান ঠিকাদাৰ আৰু পলিটিকেল মানুহ আছে পইচা নহলেও কামখিনি কৰিবলৈ দিয়ক বুলি কয়। তেওঁলোকে কামটো কৰে। ফলত পাব্লিকে কোনো মাত মাতিব নোৱাৰে। কাৰণ পইচা নিদিয়াকৈ কাম কৰাইছে। পিচত ৪০ হেজাৰ টকাৰ বিল দি ৰহি থাকিব। কিন্তু কাম হব মাত্ৰ ২ হেজাৰ টকাৰ। কাম দিয়ক পইচা নিদিলেও হব এইটো এটা ডাঙৰ বেমাৰ। এনে ধৰণৰ কিছুমান কৰাপচন চলি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া পইচা নোহোৱাকৈ কাম কৰিবলৈ দিয়াটো বন্ধ কৰি দিছো। বহুত মানুহ আছে তেওঁলোকে ঠিকাদাৰ সকলক টকা নোহোৱাকৈয়ে কাম কৰিবলৈ দিবলৈ দিচপুৰত আহি জোৰ কৰেহি। কথা হ'ল ২ গাড়ী মাটি পেলাই ৰহি থাকিব আৰু ২ বছৰৰ মূৰত বা এবছৰৰ মূৰত ৫০ গাড়ী পেলাইছো বুলি বিল দি টকা নিব। যিহেতু ঠিকাদাৰে টকা নোহোৱাকৈ এনেবোৰ কাম কৰে সেয়ে মানুহেও একো আপত্তি কৰিব নোৱাৰে। মাননীয় সদস্য শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে পৰামৰ্শ দিছে যে মথাউৰিবোৰ উঠাই দিব লাগে, মই কও অকল মথাউৰি উঠাই দিলেই নহব ৰাষ্টাবোৰো উঠাই দিব লাগিব। শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে বিভিন্ন বিভাগে বিভিন্ন আচ-নিৰ দ্বাৰা অপৰিকল্পিতভাবে ৰাষ্টাবোৰ নিৰ্ম্মাণ কৰাৰ কাৰণে বানপানী বৃদ্ধি পাইছে। মাননীয় উপাধ্যক্ষ মহোদয়, আজিকালি আমাৰ মানুহবোৰ এনে হৈছে যে তেওঁলোকক পদূলিয়ে পদূলিয়ে ৰাষ্টা লাগে। সচা কথা আজি ৰাষ্টা বেছি হৈছে, মথাউৰি বেছি ফলত তুজাকমান বৰষুণ দিলেই পানী ওলাই যাব নোৱাৰা হৈ বানপানীৰ সৃষ্টি কৰে, পানী ওলাই যাব নোৱাৰাৰ ফলত বহু অঞ্চলত বানপানী হয়। আজি গুৱাহাটীতো একে অৱস্থাৰ সৃষ্টি হৈছে। এফালে ৰেলৱে লাইন, এফালে পাহাৰ, উন্নয়নৰ নামত বিভিন্ন ৰাষ্টা পদূলি— ফলত পানী জমা হৈ যায় এজাক বৰষুণৰ ফলতে— আগতে গুৱাহাটীত পল্টন বজাৰত

এক জলাশয় আছিল এতিয়া তাত মানুহ বহে— পানী থাকিবলৈ ঠাই নাই। যোৰাবাটৰ ওচৰত এখন জলাশয় আছে— শিলশৰা, তাতো আজি মানুহ বহিবলৈ লৈছে আনকি গুৱাহাটীৰ দীপৰ বিল জলাশয়তো যেন মানুহ বহিব এনে অৱস্থাৰ সৃষ্টি হৈছে। এই জলাশয়বোৰ বন্ধ হৈ গলে সৰ্ব্বনাশ হব। আজি কালি গাৱঁৰ মানুহেও ৰাষ্টা পদূলি বা মথাউৰিৰ কাৰণে কোনো ঠাইত পানী বন্ধ হৈ অলপ অসুবিধাৰ সৃষ্টি কৰিলেই ডেপুটেচন আহি বিভাগীয় বিষয়াৰ ওচৰ পায়হি, ৰাইজে নিজে একো কাম নকৰে— বিভাগটোক অকনো সহায় নকৰে, আগতে মানুহে নিজে নিজে বহুত কাম কৰিছিল। ড্ৰেজাৰ দি ব্ৰহ্মপুত্ৰ খণ্ডা কথাটো অসম্ভৱ হব। বহুত টকাৰ প্ৰয়োজন হব, ইমান ডাঙৰ নদী খণ্ডাটো সম্ভৱ নহব। ড্ৰেজাৰে জাহাজ বখাৰ কাৰণে নদী বা সাগৰৰ তলি খান্দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বিভাগটোৰ ওপৰত মাননীয় সদস্যসকলে বহু কথাই কৈছে, সকলো সদস্যৰ কথাৰ উত্তৰ দিবলৈ বহুত সময় লাগিব। মই মাননীয় সদস্যসকলে উত্থাপন কৰা বিভিন্ন সমস্যাৰ বিষয়ে নোট কৰি ৰাখিছো এইবোৰ বিহিত ব্যৱস্থাৰ কাৰণে বিভাগীয় বিষয়ালৈ পঠাই দিম, ইয়াত এতিয়া সকলো কথাৰে উত্তৰ দিব বিচৰা নাই। তেখেতসকলৰ পৰামৰ্শসমূহো মই নোট কৰি ৰাখিছো। মাননীয় সদস্য শ্ৰীঅমৃত লাল বসুমতাৰী ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো ময়ো জানো। কিন্তু সমস্যা হৈছে কোক-ৰাঝাৰত কাম কৰিবলৈ যোৱা বিষয়াৰ অভাব হৈছে, কাৰোবাক দিলেও তেওঁ ছুটি লৈ বহি থাকে, তাৰ পৰিস্থিতিৰ কাৰণে বিষয়াসকল যাবলৈ নিবিচাৰে। অন্য বিষয়াক চাৰ্জ দিলেও তেওঁ চাৰ্জ লবলৈ ভয় কৰে। এতিয়া তাত এনে এটা অৱস্থাৰ সৃষ্টি হৈছে যে মানুহে বানপানীতকৈও বন্ধ আদিৰ কাৰণে বেছি ভয় কৰা হৈছে। তাৰ পৰিৱেশ কিছু উন্নত হলেই এই বিষয়ে ব্যৱস্থা লোৱা হব। এতিয়া তাৰ মানুহে নেচাৰেল চাফাৰিঙতকৈ পলিটিকেল চাফাৰিঙত বেছি ভোগিছে। মই এইখিনিকে কৈ যিসকল মাননীয় সদস্যই আজিৰ আলোচনাত ভাগ ললে তেখেত সকলোলৈকে ধন্যবাদ জনাইছো আৰু বিৰোধী পক্ষৰ যিসকল সদস্যই কৰ্ত্তন প্ৰস্তাৱ আনিছে তেখেতসকলক অনুৰোধ কৰিছো যাতে তেখেতসকলে কৰ্ত্তন প্ৰস্তাৱসমূহ উঠাই লয়। ধন্যবাদ।

Mr. Deputy Speaker : Now Shri Abdul Muhib Mazumdar (absent) I put the motion before the House. The motion is that the total provision of Rs. 59, 42, 69, 000. under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume II, Part X of the Vyaget be reduced by Rs. 100.00 is., the amount of the whole grant of Rs. 59, 42, 69, 000, do stand reduced by Rs. 100.00.

The cut motion is lost.

Now Honourable Shri Ratneswar Sarkar.

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ আগতে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যাতে 'লেংছেঙ' যিটো বান্ধ আছে সেইটো বাৰিষাৰ আগে আগে শেষ কৰা হৰ বুলি আশ্বাস দিয়ে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, বাৰিষাৰ আগে যিখিনি কৰা হৈছে। কিন্তু এতিয়া বাৰিষা আহিলেই এতিয়া কাম কৰিবলৈ ললে নষ্টহে হব বান্ধটো। মই কাম সম্পৰ্কত শতকৰা ৩০ ভাগ বিভাগৰ বিষয়াৰ ওপৰত নিৰ্ভৰ কৰো আৰু বাকী ৭০ ভাগ ভগৱানৰ ওপৰত নিৰ্ভৰ কৰো। মই ভগৱানৰ ওপৰত বিশ্বাস ৰাখিছো এইবাৰ যেন বান কমকৈ হয়।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : উপাধ্যক্ষ মহোদয়, যিখিনি কাম হৈছে সেইখিনি ৰালিৰ বান্ধহে হৈছে— এইটো হৈ নুঠিলে প্ৰায় ৮০ হেজাৰ মানুহৰ ধন-জন হানি হব।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : যদি ৰালিৰ বান্ধ হৈছে তেন্তে এইটো অনুসন্ধান কৰিম।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : উপাধ্যক্ষ মহোদয়, ৩৮ লাখ টকা খৰচ কৰি ৰালিৰ মঠাউৰি কৰা হৈছে।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) উপাধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি চোৱা হব। আৰু কাম তাত এতিয়া কৰিব পৰা যাবনে নেযায় সেইটো চোৱা হব।

মাননীয় উপাধ্যক্ষ : আপুনি কৰ্তন প্ৰস্তাৱটো উঠাই লবনে ?

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : উঠাই লৈছো চাৰ।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? (voices — yes) with the leave of the House the cut motion is withdrawn. Now Shri Afzalur Rahman (absent)

I now put the cut motion before the House. The motion is that the total provision of Rs. 59, 42, 69, 000. under Grant No. 63 in respect of "Flood Control" at pages 1-33 of Volume II, Part X of the Budget be reduced to Rs. 1.00, is, the amount of the whole grant of Rs. 59, 42,-69, 000 do stand reduced to Rs. 1. 00.

The cut motion is lost.

Now Shri Amrit Lal Basumatari.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লম কিন্তু তাৰ আগতে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এইটো জানিব খুজিছো যে, কোকৰাঝাৰ জিলাত যোৱা বছৰ কিমান টকা দিয়া হৈছিল আৰু তাৰে কিমান টকা ইউটিলাইজ কৰা হল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে। মাননীয় মহোদয়ে আশ্বাস দিব বুলি ধৰি লৈয়েই মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লৈছো।

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? (voices—yes) with the leave of the House the cut motion is withdrawn.

Now Shri Ganendra Basumatari : আপুনি উঠাই লবনে ?

শ্ৰীযনেন্দ্ৰ বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মই কোৱা যি ১৩ খন গাওঁ আই নদীৰ শাখা ভিতৰ সোমাই যোৱাৰ কাৰণে ভাবুকিৰ সন্মুখীন হৈছে, সেই কেইখন গাওঁ ৰচাবৰ কাৰণে ইয়াৰ শাখাটো "ডাইভাৰ্ট" কৰাৰ আশ্বাস দিবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, অনুসন্ধান কৰিব পৰা যাব। বৰ্ত্তমান পৰিস্থিতিৰ কাৰণে বৰ্ত্তমান আশ্বাস দিবলৈ অলপ অসুবিধা

হৈছে। দেৰ মাহৰ আগতে কোৱা এটা কথাকে নোৱাৰো বুলি কৈছিলো। এনে ক্ষেত্ৰত তাৰো দেৰ মাহৰ পিছত কোৱা কথা এটা পাৰিম বুলি কেনেকৈ কব পাৰি ? গতিকে আশ্বাস দিয়াত অলপ অসুবিধা হব।

Shri Janendra Basumatari : Sir, I beg to withd.aw the cut motion.

Mr. Deputy Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion ? (voices 'yes', 'yes') with the leave of the House the Cut Motion stands withdrawn.

Now, Shri Hemen Das.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, কামবিলাক জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ মাহত নকৰি এপ্ৰিল মে মাহত কৰাটো এটা চৰকাৰি পলিচি নেকি ? যদি পলিচি নহয় তেতিয়াহলে, এইবিলাক জানুৱাৰী, ফেব্ৰুৱাৰী বা মাৰ্চ মাহৰ ভিতৰতেই আৰম্ভ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, 'এল, অ, চি'কে আদি কৰি বহুত বিলাক কথা আছে। প্ৰচলিত পদ্ধতি বিলাক গণ পৰিষদ চৰকাৰৰ দিনৰে নহয়, এই বিলাক বৃটিছ চৰকাৰৰ দিনৰে পৰা চলি অহা নীতি। বিভিন্ন কাৰণত আমি দিল্লীৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়।

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, বাৰিষাৰ আগতে কামবিলাক আৰম্ভ কৰাত চৰকাৰৰ অসুবিধা কি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, বেছি ভাগ কামেই বছৰৰ শেষলৈ থাকি যায় যদিও জানুৱাৰী, ফেব্ৰুৱাৰী মাহতে কাম হয়। চৰকাৰী কাম শেষৰ ফালেহে হয়গৈ। খৰ-খেদা কৰিবলৈ গলে গোটেই 'চিষ্টেম' টোৰেই আমি আমুল পৰিবৰ্ত্তন সাধিব লাগিব। অকল এ, জি, পি চৰকাৰৰ কাৰণে এইটো সম্ভৱপৰ নহয়। প্ৰত্যেকটো কথাতে আমি দিল্লীলৈ যাব লগীয়া হয়। এইবিলাকত আমাৰ বিষয়াসকলে 'এটেণ্ড' কৰিব লাগে। টকা পইচা মঞ্জুৰী আনিব লাগিব। 'ৱাৰ্ক অৰ্ডাৰ' ইত্যাদি উলিয়াওতেই জানুৱাৰী, ফেব্ৰুৱাৰী

পাৰ হৈ যায়। এইবিলাক আমি সৃষ্টি কৰিব নোৱাৰো। কেন্দ্ৰীয় চৰকাৰৰ ওপৰত আমি নিৰ্ভৰ কৰিবই লাগিব। আমাৰ ৰাজ্যখনক 'ফেদাৰেল গাঠনি'ৰ দ্বাৰা স্বকীয়া কৰি লব পৰা হলহেঁতেন।

